REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

# Assam
# Legislative Assembly
# Debates

सत्यमेव जयते

1989

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VO. III

### NO. 30

The 3rd April, 1979

---

*Geetali Art Press, G. S. Road, Dispur,*
*Guwahati—781 022*

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1979

( Budget Session )

Volume— III

No— 30

Dated the 3rd April, 1979.

## CONTENTS.


| | | Page No. |
|---|---|---|
| 1. | Questions ... ... ... ... ... | 5— 65 |
| 2. | Miscellaneous ... ... ... ... | 66— 79 |
| 3. | Announcment by Speaker ... ... ... | 80 |
| 4. | Calling Attention ... ... ... ... | 81— 82 |
| 5. | Matter under rule 301 ... ... ... | 83— 88 |
| 6. | Consideration of Government Bill ... ... (The Assam Scheduled Castes and Scheduled Tribes (Reservation of Vacancies in Services and Posts) Bill, 1979. | 89— 148 |
| 7. | Adjournment ... ... ... ... | 49 |

Proceedings of the third Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

—

The House met in the Assembly Chamber, Dispur Gauhati on Tuesday, the 3rd April, 1979 with the Hon. Speaker in the Chair, 10 ( ten ) Minister, 3 ( three ) Ministers of State, 4 ( four ) Parliamentary Secretries/ Deputy Ministers and 72 ( seventy ) Members present.

—

## STARRED QUESTIONS AND ANSWERS

Date : 3rd April, 1979

( To which oral answers were given )

———

বিষয় : বিহপুৰীয়া চাৰ্কোলৰ অফিচ আৰু বাসগৃহ

শ্ৰীআফাজুদ্দিন আহমদে সুধিছে :

* ৪৭০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) লক্ষীমপুৰ জিলাৰ বিহপুৰীয়া চাৰ্কোলৰ অফিচ আৰু বাসগৃহ বিহপুৰীয়া নগৰত থকাৰ কথা চৰকাৰে জানেনে ?

(খ) এই কথাও চৰকাৰে জানেনে যে বিহপুৰীয়া চাৰ্কোলৰ সকলো কাগজ-পত্ৰ আৰু সেই চাৰ্কোলৰ ট, এচ, ও, ৰ অফিচ নৰ্থ লক্ষীমপুৰ নগৰত আজি কেইবা বছৰৰ পৰা থকাৰ ফলত বিহপুৰীয়া অফিচত থকা চব-ডেপুটীজনে কোনো কাম কৰিব নোৱাৰাত সাধাৰণ ৰাইজৰ অসুবিধা হৈছে ?

(গ) যদি জানে, তেন্তে উক্ত এ, এচ, ও ৰ অফিচ বিহপুৰীয়ালৈ আনি ৰাইজৰ অসুবিধা দূৰ কৰিবনে ?

(ঘ)— যদি কৰে, কিমান দিনত এই কাম হব পাৰে জনাবনে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই ( ৰাজহ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৪৭০। (ক)— হয় ।

(খ)— যিহেতু লক্ষীমপুৰ জিলাত বৰ্ত্তমান পুনঃ জৰীপৰ কাম চলি আছে গতিকে পুনঃ জৰীপ কামৰ সময়ত বন্দবস্তি প্ৰাধিকাৰীৰ প্ৰত্যেক্ষ তত্বাবধানত কাম-কাজ সুকলমে পৰিচালনা কৰিবৰ বাবে আৱশ্যকীয় ৰেকৰ্ড পত্ৰ সহ সহকাৰী বন্দবস্তি প্ৰাধিকাৰীৰ কাৰ্য্যালয় উত্তৰ লক্ষীমপুৰ সদৰত ৰখা হৈছে। পুনঃ জৰীপৰ সময় শেষ হলে চুড়ান্ত নথি-পত্ৰ প্ৰস্তুত হোৱাৰ বাদেও পুনৰ উপ-প্ৰতি সমাহৰ্ত্তাক নতুন নথি-পত্ৰসহ চমজাই দিয়া হব । এনে ব্যৱস্থাই উপ-প্ৰতি সমাহৰ্ত্তাক কোনো অসুবিধাত নেপেলায় ।

(গ)— পুনৰ বন্দবস্তিৰ ৰেকৰ্ড চুড়ান্ত হোৱাৰ লগে লগে ৰাইজৰ সুবিধাৰ বাবে সহকাৰী বন্দবস্তি প্ৰাধিকাৰীৰ কাৰ্য্যালয় পুনৰ বিহপুৰীয়ালৈ

স্থানান্তৰ কৰা হব।

(ঘ)— আগন্তুক বছৰৰ ভিতৰত পুনৰ বন্দবস্তিৰ ৰেকৰ্ড চূড়ান্ত কৰি বিহপুৰীয়া নগৰলৈ হস্তান্তৰ কৰাব সকলো ব্যৱস্থা কৰা হৈছে ?

শ্ৰীআফাজুদ্দিন আহম্মদ :— পুণৰ বন্দবস্তিৰ ক্ষেত্ৰত আৰু কিমান বছৰ লাগিব মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— এই বছৰৰ মাজ ভাগত শেষ হব বুলি ধৰি লৈছো ।

শ্ৰীইব্ৰাহীম আলি :— চাৰ্কোল অফিচ বিলাক চহৰত থকাৰ কাৰণে কাম কাজত বহুত অসুবিধা হৈছে, এই কথাটো মন্ত্ৰী মহোদয়ে বিশ্বাস কৰেনে ? চাৰ্কোল অফিচ বিলাক চহৰৰ পৰা তুলি নিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— এই কথাটো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে আৰু কোনো কোনো সময়ত চাৰ্কোল অফিচ বিলাক ঘৰৰ অভাবত সদৰত ৰাখিব লগা হৈছে। গতিকে ঘৰৰ ব্যৱস্থা কৰি নিয়াৰ ব্যৱস্থা কৰিম।

শ্ৰীশূল বৰা :— চাৰ্কোল অফিচ বিলাক কোন কোন জিলাত একে লগে চহৰত ৰখাৰ ব্যৱস্থা কৰা হৈছে, জনাবনে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— এইটো বেলেগ প্ৰশ্ন দিলে উত্তৰ দিব পাৰিম।

মহম্মদ চামচুল হুদা :— বিহপুৰীয়াৰ পৰা ২১ মাইল আতঁৰত লক্ষীমপুৰত চাৰ্কোল অফিচ ৰাখি কাম কাজ কৰাৰ ব্যৱস্থা কৰা হৈছে। অফিচাৰৰ সুবিধাৰ কাৰণে নে ৰাইজৰ সুবিধাৰ কাৰণে ১২ বছৰে এই

অফিচটো তাত চলাই আছে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— ১২ বছৰ নহয় ১৫ বছৰ তাতে চলি আছে। জিলা বন্দবস্তি প্ৰাধিকৰ্ত্তাৰ কাম সুকলমে চলাবৰ কাৰণে সেই ঠাইত এই চক্ৰৰ কাম কৰা হৈছে।

মহম্মদ চামচুল হুদা :— বিহপুৰীয়াত অফিচাৰ থাকিব নোখোজে, সেই কাৰণে ৰখা হৈছে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— পুনৰ বন্দবস্তিৰ কাৰণে ৰখা হৈছে।

শ্ৰীফণী মেধী : - মন্ত্ৰী মহোদয়ে কৈছে যে বহু ঠাইত ঘৰৰ অসুবিধাৰ কাৰণে কাৰ্য্যালয় বিলাক চাৰ্কোলত ৰাখিব পৰা নাই। কিন্তু কিছুমান ঠাইত কাৰ্যালয়ৰ বাবে ঘৰ থকা সত্বেও এচ, ডি, চিৰ চহৰত থকাৰ ইচ্ছা থকাৰ কাৰণে কাৰ্য্যালয় বিলাক চাৰ্কোললৈ স্থানান্তৰ কৰা নাই ? উদাহৰণ স্বৰূপে সৃজনগ্ৰামৰ কথা কব পাৰি। গতিকে এই বিষয়ত তদন্ত কৰি সোনকালে কাৰ্য্যালয় বিলাক চাৰ্কোললৈ নিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) : — অতি সোনকালে ব্যৱস্থা লোৱা হব।

শ্ৰীআফাজুদ্দিন আহম্মদ :— বিহপুৰীয়া চাৰ্কোলত যে নগৰ আছে, সেইটো জানেনে ?

শ্ৰীলক্ষেশ্বশ্বৰ গোহাঁই (মন্ত্ৰী) :— হয় জানো।

শ্ৰীআফাজুদ্দিন আহম্মদ :— নগৰত কোন স্বাৰ্থৰ কাৰণে কেন্দ্ৰীভূত কৰা হৈছে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— মই আগতেই কৈছো যে পুণৰ

বন্দবস্তিৰ কাম সুকলমে চলাবৰ কাৰণে লক্ষীমপুৰত ৰখা হৈছে।

শ্ৰীআফাজুদ্দিন আহম্মদ :— ৰাইজৰ স্বাৰ্থ ক্ষুন্ন কৰি বিষয়াৰ স্বাৰ্থৰ ৰক্ষাৰ্থে ১৫ বছৰ তাত ৰখা হৈছে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— প্ৰকৃত সত্য নহয়। পুণৰ বন্দবস্তি কামৰ কাৰণে গোটেই চক্ৰ বিলাক নিব লগা হয়।

শ্ৰীযোগেন গগৈ :— নতুনকৈ প্ৰতিষ্ঠা কৰা সকলো বিলাক চাৰ্কোল অফিচলৈ ক্ষমতা হস্তান্তৰ কৰা হৈছেনে ? যদি নাই হোৱা, কিমান দিনৰ ভিতৰত ক্ষমতা হস্তান্তৰ কৰাৰ ব্যৱস্থা কৰিব ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— সোনকালে ব্যৱস্থা লৈ আছো।

শ্ৰীভদ্ৰেশ্বৰ গগৈ :— পুণৰ বন্দবস্তিৰ কাম কোন কোন জিলাত চলি আছে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— এতিয়া ডিব্ৰুগড়, লক্ষীমপুৰ আৰু দৰং জিলাত চলি আছে।

শ্ৰীকূল বাহাদুৰ চেত্ৰী :— চাৰ্কোল অফিচ বিলাক নিজস্ব ঘৰত চলি আছেনে ভাড়া ঘৰত চলি আছে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— প্ৰায় বিলাক নিজস্ব ঘৰত আছে, কিছু কিছু ঠাইত নিজৰ ঘৰত ৰখা হৈছে।

শ্ৰীনজমূল হক :— যি কেইখন জিলাত পুণৰ বন্দবস্তিৰ কাম চলি আছে, তাৰ পৰা গোৱালপাৰাক বাদ দিয়া হৈছে নেকি ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— গোৱালপাৰাৰ বন্দবস্তিৰ কাম

১৯৬২ চনৰ ভিতৰত হৈ গল। জমিদাৰৰ এলেকাৰ পুণৰ বন্দবস্তিৰ কাম কৰিবলৈ লৈছো।

শ্ৰীৰমেশ চহৰীয়া ঃ— মন্ত্ৰী মহোদয়ে কৈছে যে লক্ষীমপুৰ, দৰং আৰু ডিব্ৰুগড় জিলাত পুণৰ বন্দবস্তিৰ কাম চলি আছে। ইয়াৰ বাবে কিবা সময় নিৰ্দ্ধাৰণ কৰি দিয়া হৈছে নে আবহমান কালৰ বাবে চলি থাকিব ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) ঃ— এই বছৰৰ মাজ ভাগত এই তিনি খন জিলাৰ পুণৰ বন্দবস্তিৰ কাম আৰম্ভ হব বুলি ভাবিছো।

শ্ৰীকূল বাহাদুৰ চেত্ৰী ঃ— কিছুমান অফিচ ভাড়া লৈ চলাই আছে। কত কত ভাড়াত লৈ চলাই আছে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) ঃ— ইয়াৰ বাবে বেলেগ প্ৰশ্ন লাগিব।

## বিষয় ঃ দ্বিতীয় কৃষি কলেজ

শ্ৰীমুকুট শৰ্ম্মাই সুধিছে ঃ

* ৪৭১। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কৃষি শিক্ষাৰ কাৰণে ছাত্ৰ সকলে দেখুৱা ধাউতিৰ প্ৰতি লক্ষ্য কৰি চৰকাৰে অসমত দ্বিতীয় কৃষি কলেজ এখন স্থাপনৰ কথা বিবেচনা কৰিবনে ?

(খ) যদি কৰে নগাঁৱৰ চিলঙনীত থকা অসম কৃষি বিশ্ববিদ্যালয়ৰ

গৱেষণা কেন্দ্ৰটিকে উক্ত কৃষি কলেজলৈ ৰূপান্তৰিত কৰিবনে ?

শ্ৰীসোনেশ্বৰ বৰা ( কৃষি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৪৭১। (ক)— বৰ্ত্তমানলৈকে চিন্তা কৰা নাই।

(খ) – প্ৰশ্ন নুঠে।

Re : Establishment of one Agricultural College in each district

Shri Nishith Ranjan Das asked :

* 472. Will the Minister, Agriculture be pleased to state—

(a) Whether Government proposes to start one Agricultural College in each district of the State ?

(b) If so, when such colleges will be opened ?

Shri Soneswar Bora (Minister, Agriculture) replied :

472. (a)— Government have no such proposal at present.

(ক)— বৰ্ত্তমানে ভবা হোৱা নাই।

(b)— Does not arise.

(খ)— প্ৰশ্ন নুঠে।

বিষয় ঃ উত্তৰ লক্ষীমপুৰ মহকুমাৰ কৃষি বিশ্ববিদ্যালয় বা কৃষি কলেজ স্থাপনৰ আৱশ্যকতা

শ্ৰীশূল বৰাই সুধিছে :

* ৪৭৩। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) সমগ্ৰ উত্তৰপাৰ অঞ্চলটোৰ পিছপৰা অৱস্থা বিবেচনা কৰি উত্তৰ লক্ষীমপুৰ মহকুমাত এখন কৃষি বিশ্ববিদ্যালয় স্থাপন কৰাৰ বিষয়টো বিবেচনা কৰিবনে ?

(খ) যদি নকৰে তেন্তে উত্তৰ লক্ষীমপুৰত এখন কৃষি কলেজ স্থাপনৰ কাৰণে আৱশ্যকীয় কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীসোনেশ্বৰ বৰা (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৪৭৩। (ক) — বৰ্ত্তমানলৈকে চিন্তা কৰা নাই।

(খ)— চিন্তা কৰা হোৱা নাই।

শ্ৰীমুকুট শৰ্ম্মা :— মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে বৰ্ত্তমান অসমৰ কৃষি কলেজত ছাত্ৰৰ সংখ্যা কিমান ? যোৱা বছৰ আৰু ইয়াৰ আগৰ বছৰ অৰ্থাৎ ১৯৭৭ চনত কিমান ছাত্ৰই নাম ভৰ্ত্তিৰ কাৰণে আবেদন কৰিছিল ?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী) :— গোটেই হিচাবটো মোৰ হাতত নাই। ১৯৭৮ চনত এতিয়ালৈকে ৪৪৪ জনৰ ভিতৰত স্নাতোকোত্তৰৰ ছাত্ৰ ৪৪ জন আৰু বাকী চাৰিশ জন মহাবিদ্যালয়ত আছে।

শ্ৰীমুকুট শৰ্ম্মা :— মই জানিব বিচাৰিছো যে ১৯৭৭-৭৮ চনৰ

কাৰণে কিমানে দৰ্খাস্ত কৰিছিল আৰু কিমান লৰাক এড়মিচন দিয়া হৈছে ?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী) ঃ— এড্মিচনৰ বাবে দিয়া দৰ্খাস্তৰ হিচাব নাই। নাম ভৰ্ত্তি কৰাৰ সংখ্যা দিছো ৪৪৪ জন। এই বছৰ প্ৰথম বাৰ্ষিকত ১০৯ জন আছে।

শ্ৰী মুকুট শৰ্ম্মা ঃ— মোৰ প্ৰশ্ন হল কৃষিত ধাউতি দেখুওৱাৰ কাৰণে ছাত্ৰই কৃষি কলেজত নাম ভৰ্ত্তি কৰিব বিচাৰে কিন্তু এড্মিচন পোৱা নাই। মই নগাৱঁত কৃষি মহাবিদ্যালয় পতাৰ কথা কোৱা নাই। যতে পাতে পাতক। গোটেই কথাটোৰ গুৰুত্বলৈ চাই দ্বিতীয় এখন কৃষি মহা-বিদ্যালয় স্থাপন কৰিবনে ?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী) ঃ— মই উত্তৰত কৈছো যে তেনে কথা ভৰা নাই। যি বিলাক লৰা মেধাবী লৰা বুলি পৰিগণিত হৈছে, সেই বিলাকে একেলগে কৃষি কলেজ, মেডিকেল কলেজ আৰু ইঞ্জিনিয়াৰিং কলেজ আৰু ভেটাৰিনেৰী কলেজত দৰ্খাস্ত কৰে। কেতিয়াবা কৃষি কলেজত নাম ভৰ্ত্তি কৰাৰ পিচত সেই নাম কটাই অধিক লাভজনক বুলি ভাবি মেডিকেল কলেজ, ইঞ্জিনিয়াৰিং কলেজলৈ গুচি যায়। এনে লৰাৰ চাক-ৰিৰ প্ৰতি ধাউতি নে কৃষিৰ প্ৰতি ধাউতি ধৰা টান।

শ্ৰীঅতুল গোস্বামী ঃ— অধ্যক্ষ মহোদয়, এইটো সচাঁনে কি যে বৰ্ত্তমান কৃষি বিভাগৰ উপযোগী কৃষি বিজ্ঞানৰ অৰ্হতা থকা লোকৰ সংখ্যা নথকাৰ কাৰণে বহু পদ খালি হৈ আছে ? যদি হয়, তেন্তে তাৰ পৰা এইটোৱেই প্ৰমাণ নকৰে নে কি যে আমাৰ কৃষি স্কুলৰ প্ৰয়ো-জনীয়তা অসমত আছে ?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, কৃষি স্কুলৰ প্ৰয়োজনীয়তা

আছে বুলি মই নিজে ভাবোঁ, কিন্তু প্ৰশ্নটো কৃষি বিশ্ববিদ্যালয় বা মহা বিদ্যালয়-ৰহে। অৱশ্যে ইয়াৰ পৰা পাছ কৰি যিমান লৰা ওলাইছে সেই সকলে চাকৰি নোপোৱাকৈ থকা নাই। কিন্তু এই কথাটো ভবা হৈছে যে যোৰহাটত থকা বিশ্ববিদ্যালয়ত আৰু আসন বঢ়াবলৈ ইচ্ছা কৰিলে তাতে বঢ়োৱাৰ সুবিধা আছে। গতিকে আৰু বিশ্ববিদ্যালয় বা মহাবিদ্যালয় নবঢ়োৱাকৈ এইখন বিশ্ববিদ্যালয়ে এই খিনি পূৰণ কৰিব পাৰিব।

শ্ৰীনিশীথ রঞ্জন দাস ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয় একথা মনে করেন কি যে আমাদের রাজ্যের কৃষি ব্যবস্থাকে উন্নত করার জন্য প্রতিটি জেলায় এক একটা কৃষি কলেজ গঠণ করা দরকার ?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, কৃষি বিশ্ববিদ্যালয় বা মহাবিদ্যালয় বঢ়োৱাৰ আৱশ্যকতা অনুভৱ কৰা নাই। এতিয়ালৈকে গোটেই ভাৰতবৰ্ষৰ হিচাপ দিলো। অসমত এখন কৃষি বিশ্ববিদ্যালয় আছে, পশ্চিম বঙ্গ এখন, বিহাৰ ২ খন, পঞ্জাৱ ১ খন, উৰিষ্যা ১ খন, উত্তৰ প্ৰদেশ ৩ খন, অন্ধ্ৰ প্ৰদেশ ১ খন, কৰ্ণাটক ১ খন, মধ্যপ্ৰদেশ ১ খন, ৰাজস্থান ১ খন, মহাৰাষ্ট্ৰ ৪ খন, হাৰিয়ানা ১ খন, কেৰেলা ১ খন, হিমাচল ১ খন, তামিলনাডু ১ খন, আৰু গুজৰাট এখন। এই ধৰণেৰে বিশ্ববিদ্যালয় আছে, কলেজৰ সংখ্যাটো অৱশ্যে নাই, অৱশ্যে অসমত ১ খন আৰু পশ্চিমবঙ্গত এখন আছে। ১৯৭১ চনৰ পিয়লমতে অসমত ১, ৪৬ লাখ জনসংখ্যা আৰু তাত মহা বিদ্যালয় আৰু বিশ্ববিদ্যালয় এখনকৈ হৈছে। আৰু মুঠ খেতিৰ মাটিৰ পৰিমাণ হৈছে ২৬ লাখ হেক্টৰ। পশ্চিম-বঙ্গৰ জনসংখ্যা ১৯৭১ চনত আছিল— ৪৪৩ লাখ আৰু ৫৭'১২ লাখ হেক্টৰ মাটিত খেতি কৰা হয়। তাত এখন মহাবিদ্যালয় আৰু এখন বিশ্ববিদ্যালয় আছে। সেই অনুপাতে ৰাজ্য মাটিত আৰু ভাৰতৰ

খেতিৰ মাটি আৰু জনসংখ্যাৰ হিচাবৰ ওপৰত ভাৰসাম্য ৰক্ষা কৰিব পৰাকৈ আছে।

মহম্মদ চাহছুল হুদা :— অধ্যক্ষ মহোদয়, অসমত কৃষিৰ আধুনিক পদ্ধতি আগ নবঢ়াৰ কাৰণে আৰু বহু সংখ্যক কৃষি বিষয়ৰ শিক্ষিত মানুহৰ প্ৰয়োজন হোৱাৰ পৰিপ্ৰেক্ষিতত অসমত কৃষি বিশ্ববিদ্যালয় বা কলেজ পাতি শিক্ষিত মানুহ উলিয়াই দিয়াৰ ক্ষেত্ৰত চৰকাৰৰ চিন্তাৰ জড়তা দূৰ কৰাৰ বাস্তৱ দৃষ্টি-ভঙ্গী লোৱাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, কলেজ বা বিশ্ব বিদ্যালয় পাছ কৰা সকলে সাধাৰণতে কৃষিৰ পৰামৰ্শ দিহা আদিহে দিয়ে, তেওঁলোকে পথাৰত গৈ খেতি নকৰে। বিশ্ব বিদ্যালয় বাঢ়িলে, কৃষি নকৰিলে যে কৃষি বাঢ়িব সেইটো নহয়। বঢ়াব পাৰি, কিন্তু কৃষি কৰা মানুহক ট্ৰেনিং দিয়াৰ হে বেছি প্ৰয়োজন।

শ্ৰীৰমেশ চহৰীয়া :— অধ্যক্ষ মহোদয়, আমাৰ অসম ৰাজ্যখন কৃষি প্ৰধান ঠাই, বৰ্ত্তমান চৰকাৰে যি খিনি সময়ত কৃষি আৰু গাওঁ উন্নয়ণৰ ক্ষেত্ৰত যি অগ্ৰাধিকাৰ দিছে তাৰ পৰিপ্ৰেক্ষিতত ৬ষ্ঠ পৰিকল্পনাতে অন্ততঃ কলেজ নহলেও ভকেশ্যনেল ট্ৰেনিং স্কুল কিছুমান বাস্তৱত ৰূপ দিবলৈ বিবেচনা কৰিবনে কি ?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এই কথাটো বিবেচনা কৰা হৈছে। মই আগতেও ঘোষণা কৰিছিলো যে প্ৰত্যেকখন মহকুমাতে অন্ততঃ কৃষি ভকেশ্যনেল স্কুল পতাৰ চেষ্টা কৰা হৈছে। সেই হিচাবে এখন কমিটিও কৰি দিয়া হৈছিল, কমিটিৰ প্ৰতিবেদন এতিয়া বিবেচনাধীন হৈ আছে। কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত ভাবে প্ৰশিক্ষণ পৰ্য্যায়ৰ এখন আঁচনি দাখিল কৰিছে। কিন্তু চৰকাৰে এতিয়ালৈকে গ্ৰহণ

কৰা বা অগ্ৰাহ্য কৰা নাই।

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জানে নে কি যে আমাৰ অসমৰ কৃষি স্নাতক সকলে কৃষি বিভাগৰ চাকৰি এৰি বেংকৰ চাকৰিলৈ আগ্ৰহান্বিত হৈছে আৰু ইতিমধ্যে জইন কৰিছে ?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, সেইটো হব পাৰে, কাৰণ যেত্তেকে হয় ধন, তেত্তেকে বাঢ়ে মন। বেছি ধন পালে যোৱাটো স্বাভাৱিক।

শ্ৰীশূল বৰা :— অধ্যক্ষ মহোদয়, কৃষি মহা বিদ্যালয় আৰু কৃষি বিশ্ব বিদ্যালয় কৰাৰ কাৰণে কি কি চৰ্ত্ত আৰোপ কৰা হৈছে, এই বিষয়ে জনাবনে ?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, চৰ্ত্তটো বোধহয় এনেকুৱাই হব যে চাহিদাৰ ওপৰতো নিৰ্ভৰ কৰিব। কিন্তু অন্য এখন মহা বিদ্যালয় বা বিশ্ব বিদ্যালয়ৰ কথা ভবা নাই।

শ্ৰীভদ্ৰেশ্বৰ গগৈ :— অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হৈছে লৰা-ছোৱালীক শিক্ষা দিয়াৰ কাৰণে বিশ্ব বিদ্যালয় আছে, হালোৱাক শিক্ষা বা ট্ৰেনিং দিয়াৰ কাৰণে কিবা ব্যৱস্থা কৰিছে নে কি ?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, দিহা-পৰামৰ্শ দিয়াৰ ব্যৱস্থা আছে। বিশ্ব বিদ্যালয়ৰ ফালৰ পৰা ১০ দিনীয়া, এমহীয়াকৈ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা আছে। কিন্তু এতিয়া দীঘলীয়া দিনৰ বাবে কেনেকৈ ট্ৰেনিং দিব পৰা হয় সেইটো চাব লগা হৈছে।

শ্ৰীনগেন বৰুৱা :— অধ্যক্ষ মহোদয়, গাৱঁলীয়া কৃষকৰ লৰা-

ছোৱালীক হাইস্কুল স্তৰত শিক্ষা দিয়াৰ কাৰণে আৰু খেতিয়কক প্ৰশিক্ষণ দিয়াৰ কাৰণে প্ৰত্যেক জিলাতে একোখনকৈ বিশ্ব বিদ্যালয়ৰ অধিনত অনুষ্ঠান কৰাৰ কথা অতি সোনকালে চৰকাৰে বিবেচনা কৰিব নে কি ?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এই চেষ্টাটো কৰা হৈছে। সিদিনা বিধান সভাত কৃষিৰ শিতানত আলোচনা কৰোঁতে মাননীয় সদস্য সকলে কিছুমান পৰামৰ্শ দিছিল, সেই হিচাবে কৃষি বিশ্ব বিদ্যালয়ৰ ওচৰতে থকা বা সুবিধাজনক ব্লক বা মহকুমাত এনে ধৰণৰ অনুষ্ঠান প্ৰতিষ্ঠা কৰিবলৈ প্ৰচেষ্টা কৰা হৈছে।

শ্ৰীনগেন বৰুৱা : - অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে গ্ৰাম্য উন্নয়ণ আচঁনি লৈছে, কৃষি বিশ্ব বিদ্যালয় বা কৃষি কলেজ কৰাই নহয় এনিমেল হাচবেন্দি আদিৰ বাবে প্ৰশিক্ষণপ্ৰাপ্ত সুবিধাৰে স্থায়ী অনুষ্ঠান কৰাৰ ব্যৱস্থা কৰিবনে কি ?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, স্কুল হিচাবে পৰিগণিত কৰিবলৈ চেষ্টা কৰা হৈছে। কৃষি বিশ্ব বিদ্যালয় আৰু কৃষি কলেজ স্নাতক আৰু স্নাতকোত্তৰ মহলাত আগ বঢ়োৱা বিষয় সমূহ হল তলত দিয়া ধৰণৰ :—

১। কৃষি অৰ্থনীতি আৰু পাম পৰিচালনা

২। কৃষি অভিযান্ত্ৰিক

৩। শস্য বিজ্ঞান

৪। শিক্ষা সম্প্ৰসাৰণ

৫। পতঙ্গ তত্ব বিভাগ

৬। উদ্যান বিভাগ

৭। উদ্ভিদ প্ৰজনন তত্ব

৮। কৃষি উদ্ভিদ বিজ্ঞান আৰু ব্যাধি তত্ব বিভাগ।

৯। কৃষি ৰসায়ণ আৰু ভূমি বিজ্ঞান

১০। চাহ কৃষি আৰু শিল্প বিজ্ঞান

১১। অংক আৰু পৰিসংখ্যা (জ্যোতিবিদ্যা সহ)

১২। পশু উৎপাদন আৰু পালন

১৩। ইংৰাজী

১৪। গাৰ্হস্থ বিজ্ঞান

অধ্যক্ষ মহোদয়, এইবিলাক প্ৰশিক্ষণৰ ব্যৱস্থা আছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ঘৰত দৰমহা দি হালোৱা ৰাখি হাল বোৱা মানুহক প্ৰগ্ৰেছিপ ফাৰমাৰ ট্ৰেইনিং লবৰ কাৰণে বেলেগ ৰাজ্যলৈ পঠোৱা হৈছে নেকি ?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী) :— এইটো বেলেগ প্ৰশ্ন হব। প্ৰগ্ৰেছিপ ফাৰমাৰাৰ খবৰ মই নোপোৱাকৈ থকা নাই। সিদিনা এটা দল পাঞ্জাবলৈ যাবলৈ ওলাইছিল। ময়ো আগবঢ়াই থবলৈ আহোতে তাত এগৰাকী মানুহ লগ পালো, তেখেতৰ ঘৰ নগাওঁত নাম ভোগেশ্বৰী বৰা। মই তেখেতক সুধিলো আপুনি কি কৰে। তেখেতে কলে যে মই এক্সাইজ

বিভাগৰ সংগঠনৰ কাম কৰো। মই সুধিলো এক্সাইজৰ মানুহ কৃষক কেনেকৈ হ'ল? তেখেতে কলে যে মোক পঠাইছে কাৰণে আহিছো।

শ্ৰীফণী মেধি :— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে তেখেতৰ প্ৰস্তাৱিত ভূমি সেনা বাহিনী গঠন কৰাৰ কাম কেতিয়াৰ পৰা আৰম্ভ হব।

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী) :— প্ৰশ্নটো বেলেগ। মোৰ ভাব চিন্তা ব্যক্ত কৰিবলৈ প্ৰশ্নটোত বিচৰা নাই। এই বছৰতে আৰম্ভ হব। ইতি-মধ্যে বত্ত বিভাগৰ পৰা কিছু টকা মঞ্জুৰী পাইছো।

শ্ৰীভবেন্দ্ৰ কুমাৰ শইকীয়া :— মন্ত্ৰী মহোদয় কৃষি বিশ্ব বিদ্যালয় নতুনকৈ চিন্তা নকৰাৰ কথা কোৱাত আমি ভাল পাইছো। কাৰণ কৃষি বিশ্ববিদ্যালয়ৰ পৰা পাছ কৰি ওলোৱা অৰ্হতা সম্পন্ন লৰাই এতিয়া-লৈকে নিযুক্তি পোৱা নাই। মই সুধিব বিচাৰিছো যে কৃষি বিশ্ববিদ্যালয় নতুনকৈ নকৰিলেও অন্ততঃ প্ৰতিখন জিলাতেই একোখনকৈ কৃষি বিদ্যালয় পতাৰ কথা চিন্তা কৰিব নেকি? কৃষিত নিযুক্তিৰ কাৰণে যিখিনি অৰ্হতা বা জ্ঞান লাগে সেইখিনি দিবৰ কাৰণে কৃষি মহাবিদ্যালয়ৰ ঠাইত কৃষি বিদ্যালয় পতাৰ কথা চিন্তা কৰিব নেকি?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী :— মই কৈছোৱেই যে প্ৰতিখন জিলাতেই নহয়, প্ৰতিখন মহকুমাতেই একোখনকৈ কৃষি বিদ্যালয় পতাৰ কথা চিন্তা কৰিছো।

শ্ৰীমুকুট শৰ্ম্মা :— মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে আঞ্চলিক বৈষম্যতাৰ পৰা আৰু বিশেষকৈ নগাওঁ জিলাই অসমৰ কৃষি ক্ষেত্ৰত যোগোৱা অৰিহণাৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ দ্বিতীয় খন কৃষি কলেজ নগাওঁত প্ৰতিষ্ঠা কৰাৰ কাৰণে পুনৰ বিবেচনা কৰিব নেকি?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী):— মই কৈছোৱেই যে কৃষি বিশ্ব বিদ্যালয় এতিয়া পতাৰ আৱশ্যক হোৱা নাই। গতিকেই চিন্তা কৰা নাই।

শ্ৰীমোঃ ছামচুল হুদা:— কৃষি জ্ঞান ঘৰে ঘৰে পৌচাই দিবৰ কাৰণে মাধ্যমিক স্কুল বিলাকত কৃষি বিষয়ত শিক্ষা দিয়াৰ ব্যৱস্থা কৰিবনে? এইটো কৰিব পাৰিলে ঘৰে ঘৰে কৃষি জ্ঞান থকা মানুহ হব। এই দৃষ্টিভঙ্গীৰ পৰা এইটো কথা বিবেচনা কৰিবনে?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী):— কৃষিৰ জ্ঞান দিবৰ কাৰণে যিহেতুকে অসমৰ শতকৰা ৮০ টা পৰিয়ালেই কৃষক গতিকে তেনে ব্যৱস্থা শিক্ষা বিভাগৰ লগত কৰাটো বাঞ্চনীয় বুলি মই ভাবো। কিন্তু আজিৰ শিক্ষা পদ্ধতিত এইটো সম্ভৱপৰ নহয়। গোটেই ভাৰতবৰ্ষতেই শিক্ষা পদ্ধতি পৰিবৰ্ত্তন কৰিবৰ কাৰণে প্ৰচেষ্টা চলিছে। এই পৰিবৰ্ত্তীয় প্ৰচেষ্টাত যদি এই আঁচনি সোমোৱাই দিয়া হয় তেন্তিয়াহলে আমাৰ কৃষকৰ কাৰণে মঙ্গল হব।

Re: Office of the Deputy Inspector of Schools, Sibsagar

Shri Promode Gogoi asked:

*474. Will the Minister, Education be pleased to state—

(a) Whether it is a fact that of late serious allegations have been made against the office of the Deputy Inspector of Schools, Sibsagar (formerly Office of the

Elementary Schools, Board) involving corruption and irregular appointment of teachers ?

(b) Whether it is also a fact that as a first step certain employees were transferred to facilitate proper enquiry ?

(c) If so, whether it is a fact that the said transfer orders were cancelled or stayed by the Government ?

Shri Lakshyadhar Choudhury (Minister, Education ) replied :

474. (a)— Yes.

(b)— Yes, one office Assistant was transferred.

(c)— Transfer order has been provisionally stayed.

শ্ৰীপ্ৰমোদ গগৈ :— অধ্যক্ষ ডাঙৰীয়া, এই সংক্ৰান্তত মন্ত্ৰী ডাঙৰীয়াই জানে যে আজি তিনি বছৰৰ আগতে তাত জইন্ট ডি, পি, আয়ে, কেইজনমান কৰ্মচাৰীৰ সম্পৰ্কত ৰিপৰ্ট দিছিল । এই ৰিপৰ্টৰ ওপৰত ভিত্তি কৰি তাৰ দুজন কৰ্মচাৰীক বদলি কৰি আকৌ স্থগিত ৰখা হ'ল। আকৌ আমাৰ নতুন মন্ত্ৰী সভা অহাৰ পিচত, শিক্ষক সন্থাৰ অভিযোগ, ৰাইজৰ অভিযোগ, বিধায়ক সকলৰ অভিযোগ পোৱাৰ পিচতো আকৌ বদলি কৰিলে। দেখা গল তাৰ এমাহৰ পিছত আকৌ স্থগিত কৰিলে। এতিয়া দেখা গল যে দুৰ্নীতি যিমানেই নহওক, অভিযোগ প্ৰমাণিত হোৱা স্বত্তেও চৰকাৰে দুই এজন কৰ্মচাৰীক বদলি

কৰি কিয় স্থগিত ৰাখিলে। যোৱা চাৰি বছৰৰ ভিতৰত এই কৰ্মচাৰী কেইজনক কেইবাৰ বদলি কৰা হল মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) :— অধ্যক্ষ মহোদয়, আগতে কেইবাৰ বদলি কৰা হৈছিল সেইটো মোৰ হাতত নাই যদিও আগৰ কিছু অভিযোগ মোৰ হাতত আছে। আমাৰ চৰকাৰ প্ৰতিষ্ঠা হোৱাৰ পিচতে এজন কৰ্মচাৰীক বদলি কৰা হৈছিল আৰু ৰাজহৰ বিশেষকৈ আমাৰ বোৰ্ডৰ সভাপতিৰ শ্ৰীবৰ বৰুৱাৰ অনুৰোধক্ৰমে তেখেতক প্ৰভিজনেলি ৰখা হৈছে।

শ্ৰীখগেন বৰবৰুৱা :— অধ্যক্ষ মহোদয়, মাকৰ বেমাৰ হোৱাৰ কাৰণে কৰ্মচাৰী জনক দুই মাহৰ কাৰণে ৰাখিবলৈ লিখি দিছিলো। কিন্তু দুই মাহ কেতিয়াবাই পাৰ হৈ গ'ল।

( উত্তৰ নাই )

শ্ৰীপ্ৰমোদ গগৈ :— অধ্যক্ষ মহোদয়, আমাৰ কবলগীয় নাই। মোৰ প্ৰশ্ন হৈছে ইমান ৰাজুহুৱা অভিযোগ, প্ৰাথমিক স্কুলৰ সকলো শিক্ষকে আপত্তি কৰিছে, বিধায়কে আপত্তি কৰিছে আৰু চৰকাৰে তিনি বাৰ অনুসন্ধান কৰিছে, তিনি বাৰ বদলি কৰি তিনি বাৰ স্থগিত ৰাখিছে। এইটো পুনৰাবৃত্তি নকৰি, যিহেতুকে তাত চৰকাৰী উচ্চপৰ্য্যায়ৰ বিষয়াৰ দ্বাৰা তদন্ত কৰি ৰিপৰ্ট দিছিল দুই বছৰ আগতে। মন্ত্ৰীয়ো এই ৰিপৰ্টৰ কথা জানে। গতিকে সেই ফালৰ পৰা ৰাইজৰ মনত সন্দেহ হৈছে যে চৰকাৰে বদলি কৰি আকৌ বদলি নাকচ কৰিছে। গতিকে এইবিলাক পুনৰাবৃত্তি নকৰি যিবিলাকৰ ওপৰত দুৰ্নীতি পৰায়ণ বুলি অভিযোগ আছে সেইসকলক অফিচৰ পৰা ততালিকে বদলি কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— অকল বদলিয়েই নহয়। তেখেতসকলৰ যাতে দোষ প্ৰমাণিত হয় তাৰ কাৰণে সদনৰ মাননীয় সদস্য

সকলক লৈ এখন তদন্ত কমিটি পাতি দিছিলো। শ্ৰীকিৰণ বেজবৰুৱা হৈছে, কনভেনৰ, শ্ৰীনুৰুল হুদা, আৰু শ্ৰীঅতুল গোস্বামী, সদস্য আৰু শ্ৰীএম, চি, তলুকদাৰক চেক্ৰেটাৰী কৰি এই কমিটি খন পাতি দিছো। কিন্তু শ্ৰীবেজবৰুৱা ডাঙৰীয়া বিভিন্ন কামত ব্যস্ত হৈ থাকিবলগীয়া হোৱাৰ কাৰণে তেখেতে সদ্যহতে এই কাম কৰিব পৰা নাই। আৰু শ্ৰীতালুকদাৰকো সেই ঠাইৰ পৰা বদলি কৰাৰ কাৰণে এই কমিটি খন পুনৰ গঠন কৰিবলৈ দিয়া হৈছে। আনহাতে শিলচৰত কৰি দিয়া কমিটি খনে কাম আৰম্ভ কৰিছে বেলেগ পৰ্য্যায়ত। শিৱসাগৰ আৰু নলবাৰী ডি, আই, অফিচৰ অভিযোগ তদন্ত কৰাৰ কাৰণে কমিটি কৰা হৈছে। এইখিনিতে মই কব খুজিছো যে যি জন কেৰাণীক বদলি কৰা হৈছিল। তেখেতৰ মাকৰ অসুখৰ কাৰণে তাত ৰখা হৈছিল যদিও টেবুল সলনি কৰিবলৈ দিয়া হৈছিল। কিন্তু পিচত গম পালো যে একে টেবুলতে কাম কৰি আছে। আমাৰ সদন শেষ হৈ যোৱাৰ পিচতেই আমি মাননীয় সদস্য সকলক অনুৰোধ কৰিম যাতে সোনকালে অনুসন্ধান কৰি ৰিপৰ্ট দিয়ে।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ:— বিধান সভাৰ পৰা তদন্ত কমিটি কৰক তাৰ কাৰণে আপত্তি নাই কিন্তু কমিটি গঠন কৰি দিয়াৰ চাৰি মাহ হৈ গ'ল আৰু এটা কমিটি কৰি দিয়ক তাৰ আকৌ অনুসন্ধানৰ পিচত ৰিপোৰ্ট দাখিল কৰোতেই ছয় মাহ এবছৰ লাগিব কিন্তু তেতিয়ালৈ নবৈ ইতিমধ্যে দুৰ্নীতিৰ অভিযোগত অভিযুক্ত কৰ্ম্মচাৰী কেইজনক ততালিকে সেই অফিচৰ পৰা বদলি কৰাৰ ব্যৱস্থা কৰিব নে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী):— সেইটো কৰিছিলো। এতিয়া মাননীয় সদস্যই কলে যেতিয়া আকৌ কৰি দিয়া হব।

শ্ৰীনুৰুল হুদা:— মাননীয় অধ্যক্ষ মহোদয়, তাঁৰ জবাবে যে কথা

বলেছেন এতে এটা পরিস্কার যে এই এডভাইজারি কমিটীর চেয়ারম্যা-নের সুপারিশের জন্য ঐ বিশেষ কর্ম্মচারিকে তার পদে এখনো রাখা হয়েছে। কিন্তু এডভাইজারি কমিটীর চেয়ারম্যানও একটি স্পষ্টীকরণ দিয়ে এই সদনে আজ বলেছেন যে একটা বিশেষ কারণে মাত্র দুই মাসের জন্য তিনি এই সুপারিশ করেছিলেন। সুতরাং আমি জানতে চাই যে এই দুই মাস গত হয়েছে কি না এবং হলে এই দুইমাসের কতদিন বেশী হয়েছে এবং কেন এই বিশেষ কর্ম্মচারির বিরুদ্ধে এত দিন যাবৎ কোনও ব্যবস্থা গ্রহণ করা হলোনা ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) :— যোৱা বাৰ বিধান সভাৰ পিচত ৰৰবৰা ডাঙৰীয়াৰ কাগজ পাই তেনেকুৱা কৰা হৈছে। তলৰ জন কৰ্ম্মচাৰীক বদলি কৰা হৈছে ওপৰৰ জন আঁতৰি আছে। তেওঁকো কৰি দিয়া হব। যদি দোষ প্ৰমাণিত হয়।

শ্ৰীনগেন বৰুৱা :— আমাৰ ডি-আই, ইন্সপেক্টৰ আৰু ডি-পি-আই অফিচৰ পৰা অভিযুক্ত মানুহক কিয় ইণ্টাৰ ট্ৰেন্সফাৰ কৰিব পৰা নহয়। একেই চৰকাৰৰ অফিচ গতিকে যি বিলাক ক্ষেত্ৰত অভিযোগ উঠিছে সেই সেই ক্ষেত্ৰত ব্যাপক ভাৱে বদলি কৰি প্ৰশাসন নিকা কৰাৰ ব্যৱস্থা কৰিব নোৱাৰেনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) :— ডি-পি-আই অফিচৰ কৰ্ম্মচাৰী বদলি কৰিব খুজিলেও নোৱাৰি। কাৰণ তেওঁলোকৰ কাৰণে আন ঠাই নাই। টেবুল বদলি কৰি দিয়াৰ ব্যৱস্থা কৰিব পাৰি। তাৰ পৰা বিশেষ কি হব। সদনত মই এই বিষয়ে পৰামৰ্শ বিচাৰিছো। অকল এটা সুৰুঙা পাইছো। Sport বিভাগত। আমাৰ গৰ্গৰ স্পোর্টচ্ বিভাগতো ইমান কম কৰ্ম্মচাৰী যে তাতো পঠিয়াব পৰা নাযায়। ডি-

আই সকলৰ আগৰ খুটি বদলি কৰি দিয়া 25 তাৰ কাৰণে সিদ্ধান্ত লোৱা হৈছে। বিধান সভা শেষ হোৱাৰ পিচত বিহু খায়েই বদলি হব।

শ্রীনগেন বৰুৱা :— ডি-আই অফিচো শিক্ষা বিভাগৰ তলত। চৰকাৰৰ তলত। অধীক্ষক কাৰ্য্যালয়ৰ কৰ্ম্মী সকলক কিয় ইণ্টাৰ ট্ৰেন্সফাৰ কৰিব নোৱাৰি ? শিক্ষা বিভাগৰ তলত কেইটামান ডিৰেক্টৰেট আছে তাৰ ভিতৰত ইণ্টাৰ ট্ৰেন্সফাৰ কৰিবলৈ চৰকাৰে সিদ্ধান্ত লব পাৰে নে নোৱাৰে ?

শ্রীকেশৱ চন্দ্র গগৈ, (ক্রীড়া মন্ত্রী) :— মাননীয় সদস্য গৰাকীয়ে এটা কথা পাহৰি গৈছে যে এই সকল চাকৰিয়ালৰ ইউনিয়ন আদি আছে, চাৰ্ভিচ ৰুল আছে। ডি-পি-আই শিক্ষা বিভাগৰ তলত আৰু আনটো হ'ল ট্ৰেন্সপোৰ্ট বিভাগৰ অধীনত। গতিকে ইণ্টাৰ ট্ৰেন্সফাৰ কৰাত অসুবিধা আছে।

শ্রীফণী মেধী :— মই স্পষ্ট ভাবে জানিব বিচাৰিছো যে অকল বদলি কৰিলেই দুর্নীতিত অভিযুক্ত সকলৰ কাৰণে যথাযুক্ত শাস্তি হয় নেকি আৰু দ্বিতীয়তে গোৱালপাৰা, হাইলাকান্দি, তিনিচুকীয়া আদি ঠাইত থকা ডি-আই অফিচ বিলাকত গুৰুতৰ অভিযোগ থকা সত্বেও কোনো তদন্তৰ ব্যৱস্থা কৰা নাই। মাননীয় সদস্য সকলে তোলা বিভিন্ন ঠাইৰ এই অভিযোগ সম্পৰ্কে তদন্ত কৰা হবনে ?

শ্রীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্রী) :— কিছু কিছু ক্ষেত্ৰত তদন্ত নকৰাকৈয়ে কাৰ্যপন্থা লবলৈ সিদ্ধান্ত কৰা হৈছে। ইতিমধ্যে এবাৰ ঘূৰাই দি চাওঁ যদি কাম ভাল নহয় তেতিয়াহলে অন্য ব্যৱস্থা কৰা হব।

শ্রীযোগেন গগৈ :— শিৱসাগৰ মহকুমা উপদেষ্টা বোৰ্ডৰ মই এজন মেম্বাৰ আছিলো কিন্তু ইতিমধ্যে পদত্যাগ কৰিবলগীয়া হল। উপপৰিদর্শক স্থানান্তকৰণৰ নিৰ্দ্দেশ দিয়া হৈছিল কিন্তু ফলত একো

নহল। গতিকে পঞ্চম বাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাৰ বিষয় তদণ্ড কৰিবনে আৰু কি তদন্ত কৰা হল তাৰ ফলাফল সদনত জনাবনে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী):— এইটো এটি কৰাপচন বিভাগৰ কথা মাননীয় সদস্য গৰাকীয়ে যেতিয়া ইয়াত দাঙি ধৰিছে কৰা হব। বদলি কৰি দিয়া হৈছিল যদিও ৰাইজ আহি আপত্তি কৰিলে আৰু শ্ৰীবৰ বৰুৱাদের তেখেতো মৰমিয়াল মানুহ। মাকৰ অসুখ বুলি কোৱা কাৰণেই বৰবৰা ডাঙৰীয়াৰ কথা মতে ষ্টে কৰি অন্য টেবুলত দিয়া হৈছে। কিন্তু এতিয়া গগৈ ডাঙৰীয়াৰ পৰা জনা গ'ল যে একেখন টেবুলতে আছে।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ:— তেখেতৰ কাৰণে কোনো ৰাইজে আপত্তি কৰা নাই। ৰাইজৰ ফালৰ পৰা তেখেতক বদলি কৰাৰ 'কাৰণেহে আপত্তি উঠাইছে। তাত ৰাখিব বিচৰা নাই ৰাইজে। কিন্তু চৰকাৰে ৰাখে।

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী):— ৰাজহুৱা সভাৰ তিনিজনেই ৰাইজ। তিনি চাৰি জন মান মানুহ আহিছিল আৰু সেই কাৰণে ৰবৰৱাৰ কথামতে এইটো ব্যৱস্থা কৰা হৈছে।

বিষয়: গড়কাপ্তানী বিভাগৰ পৰিদৰ্শন বঙলা

শ্ৰীগোলক ৰাজবংশীয়ে সুধিছে:

* ৪৭৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গড়কাপ্তানী বিভাগৰ অধীনত থকা পৰিদৰ্শন বঙলা বিলাকত ৰাতি

থকাৰ কাৰণে কি নিয়ম আছে ?

(খ) জামুগুৰিত থকা পৰিদৰ্শন বঙলাটোত যোৱা ১৯৭৮ চনৰ ভিতৰত কিমান মানুহ ৰাতি আছিল আৰু তাৰ কাৰণে ভাড়া কিমান আদায় কৰা হৈছে ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৭৫। (ক)— গড়কাপ্তানী বিভাগৰ অধীনত থকা পৰিদৰ্শন বঙলা বিলাকত ৰাতি থকাৰ নিয়মাৱলীৰ তালিকা এখন সদনৰ মেজত ৰখা হ'ল।

(খ)— তেজপুৰ উত্তৰ সদৰ পথ সংমণ্ডলৰ অন্তৰ্গত, তেজপুৰ সীমান্ত পথ উপসংমণ্ডলৰ অধীনত থকা জামুগুৰি পৰিদৰ্শন বঙলাত ইং ১৯৭৮ চনৰ বছৰটোত ৬৪ (চৌষষ্ঠি) জন মানুহ ৰাতি আছিল আৰু তাৰ বাবদ ২৮৪.০০ টকা ভাৰা আদায় কৰা হৈছে ।

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী ঃ— নীতিমতে থকাৰ বন্দৰস্ত আছে সঁচা কিন্তু বহু ক্ষেত্ৰত দেখা যায় স্থানীয় বিষয়া যিসকল থাকে তেখেতসকলৰ সম্পৰ্কীয় অবাঞ্চিত মানুহ কিছুমানেও দখল কৰি থাকে তাৰ কাৰণে বাতাবৰণ বেয়া হৈ যায় । সেই কথা জানে নে নাজানে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ, (আইন মন্ত্ৰী) ঃ— এনেকুৱা আপত্তি পালে চৰকাৰে অনুসন্ধান কৰি বিহিত ব্যৱস্থা লব ।

বিষয় ঃ কামৰূপ জিলাৰ প্ৰায়বোৰ স্বাস্থ্য কেন্দ্ৰত ঔষধৰ নাটনি

শ্ৰীৰবীন্দ্ৰ নাথ মালাকাৰে সুধিছে ঃ

*৪৭৬। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এই কথা চৰকাৰে জানেনে যে কামৰূপ জিলাৰ প্ৰায়বোৰ স্বাস্থ্য কেন্দ্ৰত ঔষধৰ নাটনি হৈ আছে ?

(খ) হাজো প্ৰাইমাৰী স্বাস্থ্য কেন্দ্ৰত ঔষধৰ নাটনিৰ কথাটো চৰকাৰে জানেনে ?

(গ) যদিহে জানে তেনেহলে এই অভাৱ দূৰ কৰিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

(ঘ) এই ঔষধৰ নাটনিৰ আচল কাৰণ কি ?

(ঙ) স্বাস্থ্য কেন্দ্ৰবোৰত ৰোগীৰ সংখ্যা অনুপাতে ঔষধ দিয়াৰ ব্যৱস্থা আছে নেকি আৰু যদিহে নাই তেনেহলে তেনে ব্যৱস্থা কৰা নহয় কিয় ?

ডাঃ কোমেশ্বৰ ৰৰা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

৪৭৬। (ক)— হয়, জানে।

(খ)— হয় জানো।

(গ)— ঔষধৰ শিতানত প্ৰাপ্যধন আৱশ্যক অনুযায়ী মিলাই এই অভাৱ পূৰণ কৰিবলৈ যত্ন কৰা হৈছে।

(ঘ)— পুঁজিৰ অভাৱৰ কাৰণে এই নাটনিৰ সৃষ্টি হয়।

(ঙ)— হয় আছে।

শ্ৰীৰবীন্দ্ৰ মালাকৰ :— মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে মন্ত্ৰী মহোদয়ে জানেনে এজন ডাক্তৰ দৰং জিলাৰ পৰা কামৰূপ জিলালৈ বদলি হৈছে, তেওঁৰ পৰা জনামতে দৰং জিলাত যেনেকৈ ঔষধ পোৱা যায় কামৰূপ জিলাত নাপায়। ইয়াৰ কাৰণ কি ?

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :— দৰং জিলাৰ চিকিৎসালয়ৰ আৰু ৰোগী জনসংখ্যা অনুপাতে কামৰূপ জিলাত চিকিৎসালয় আৰু ৰোগী জনসংখ্যা বহুত বেচি। সেই কাৰণে যিমান খিনি ঔষধ কামৰূপ জিলাৰ কাৰণে ৰখা হৈছে তাতকৈ বেচি আৱশ্যাক হোৱাৰ কাৰণে ঔষধৰ নাটনি মাজে সময়ে হয়।

শ্ৰীহেমেন দাস :— ঔষধ বিতৰণৰ নীতিটো কি?

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :— ঔষধ বিতৰণৰ নীতি হৈছে হস্পিতেলত ৰোগী অনুযায়ী ঔষধ বিতৰণ কৰা হয়। আৰু আগতে প্ৰত্যেক স্বাস্থ্য কেন্দ্ৰৰ পৰা ইনদেণ্ট দি পোনপটীয়াভাৱে কোম্পানী বিলাকৰ পৰা ঔষধ কিনিছিল। কিন্তু কেই বছৰমানৰ আগতে এই নীতি পৰিৱৰ্ত্তন হল। জিলা স্বাস্থ্য বিষয়া আছে, এই বিষয়ে এই ইনদেণ্ট দি কোম্পানীৰ পৰা আনি চিকিৎসালয় আৰু ৰোগী সংখ্যা অনুযায়ী বিতৰণ কৰে। আৰু ভাগটো ঠিক তেনেদৰে ৰোগী সংখ্যা অনুযায়ী প্ৰত্যেক জিলাতে বছৰি কিমান ৰোগীৰ কাৰণে ঔষধ আৱশ্যাক সেই অনুপাতে বিতৰণ কৰা হয়।

শ্ৰীবানেশ্বৰ শইকীয়া :— মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নত্তোৰত মন্ত্ৰী মহোদয়ে কৈছে যে আৱশ্যকীয় ঔষধ দিব পৰা নাই। একোখন হস্পিতেলত কিমানকৈ পাইছে? বছৰি কিমান টকা মঞ্জুৰি দিয়া হয়। ২ নম্বৰত হৈছে পুঁজি নাটনি হোৱাৰ কাৰণে বছৰ বছৰে যি বাজেট কৰা হয় সেই অনুযায়ী কিমান ঔষধ লাগে সেই হিচাপে বাজেটত ধৰিছেনে নাই? প্ৰত্যেকখন হস্পিতেলত কিমান টকাৰ ঔষধ দিয়া হয়।

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :— আমাৰ হস্পিতেলৰ কেটেগৰি কেইবাটাও আছে। পাব্লিক হেলথ চেণ্টাৰ, চিভিল হস্পিতেল, বাজ্যিক

চিকিৎসালয় আৰু চাব চেণ্টাৰ। প্ৰত্যেক চাব চেণ্টাৰত ২ হেজাৰকৈ টকা দিয়া হয়। প্ৰাইমেৰী হেল্থ চেণ্টাৰত ১২ হেজাৰ আৰু চিভিল হস্পিতেলত আৰু বেছি দিয়া হয়। অৱশ্যে মই গোটেই হিচাপটো এতিয়া দিব নোৱাৰিম। চাবচিদাইজ ২ হেজাৰ টকা। প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত যিখিনি দিয়া হয় তাতকৈ বেচি দিব লগীয়া হোৱাৰ কাৰণে জিলাৰ স্বাস্থ্য কেন্দ্ৰত আৰু আন যত ৰোগী আৰু হস্পিতেলৰ সংখ্যা কম তাৰ পৰা দাইভাৰ্ট কৰা হৈছে। এইদৰে মিলাই চলাই থকা হৈছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— ধনৰ অভাৱৰ কাৰণে যিমান পৰিমানৰ ঔষধ দিব লাগে সিমান পৰিমানে দিব পৰা নাই। এইটো কথা সচাঁনেকি? কেইখনমান হস্পিতেলৰ সম্পূৰ্ণ ঔষধ এখন ফাৰমাচিত বিক্ৰি কৰি দিয়া হৈছে। তেনেকুৱা অভিযোগ থকাৰ কাৰণে এজন ফাৰমাচিচটক চাচপেন কৰা হৈছে। কিন্তু ডাক্তৰৰ ক্ষেত্ৰত একো কৰা হোৱা নাই।

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— ২-১ ঠাইত এনেকুৱা ঘটনা হৈছে কথাটো সচাঁ। ডাক্তৰেই হওঁক বা আমাৰ অন্য বিষয়াই হওঁক নৈতিক চৰিত্ৰৰ নষ্ট হোৱাৰ কাৰণে তেনেকৈয়ে মাজে মাজে হৈ আছে, গতিকে এইবিলাক যাতে নহয় তাৰ কাৰণে ব্যৱস্থা লোৱা হব।

ডাঃ ভামিনী মোহন বৰুৱা :— স্বাস্থ্য মন্ত্ৰীয়ে দৰং জিলাৰ হস্পিতেলত জনসংখ্যা কম হোৱাৰ কাৰণে ঔষধ পায় আৰু কামৰূপ জিলাত হস্পিতেল আৰু জনসংখ্যা বেচি হোৱাৰ কাৰণে ইয়াত ঔষধ নাপায়। মই জানিব বিচাৰিছো যে প্ৰত্যেক দিচপেনচেৰী হস্পিতেলৰ পৰা ইনদেণ্ট আহে। কিন্তু সেই ইনদেণ্ট অনুযায়ী হস্পিতেল বিলাকত তেনেকুৱা ঔষধ দিয়া হোৱা নাইনে?

ডাঃ কোযেশ্বৰ বৰা (মন্ত্ৰী) :— আৱশ্যক অনুপাতে ঔষধ আদি দিব পৰা নাই যে সেইটো নহয়। মাননীয় সদস্যই জানে এখন জিলাত বছৰি ১০ লাখ টকা ধৰা হয়। ইনদেণ্ট অনুযায়ী দিবলৈ হলে ৩০-৪০ লাখ টকা লাগিব। এতিয়া ১০-১২ লাখ টকাৰ ভিতৰত সামৰি কোনো মতে ঔষধ দিয়া হৈছে।

ডাঃ তাৰিণী মোহন বৰুৱা :— ইনদেণ্ট মতে দিব পৰা নাই সেইটো সচাঁনে ?

ডাঃ কোযেশ্বৰ বৰা (মন্ত্ৰী) :— অৱশ্যে ইনদেণ্ট হিচাপে দিব পৰা হোৱা নাই। আৰু জনসংখ্যা ভিত্তিতো সম্পূৰ্ণ ভাবে দিব পৰা হোৱা নাই সেই দুয়োটাই সত্য। আৱশ্যক অনুযায়ী যিমানখিনি লাগে সিমানখিনি দিব পৰা হোৱা নাই।

শ্ৰীনগেন বৰুৱা — এই হস্পিতেল বিলাক যিমান পৰিমাণে দৰব কাগজত দিয়া দেখুৱাই বাস্তব ক্ষেত্ৰত কমকৈ দিয়া হয়। কিয়নো কিছু-মান দূৰ্নীতি পৰায়ণৱ বিষয়াই ব্লেক লিষ্টেট কোম্পানীৰ লগত অহেতু সম্পৰ্ক থকাৰ কাৰণে বাজেটত যিমান টকা ধৰা হৈছে তাতকৈ কমেৰে চলাই আছে।

ডাঃ কোযেশ্বৰ বৰা (মন্ত্ৰী) :— এইটো মিছা বুলি কোৱা টান। ইয়াৰ আগতে ঔষধ পাতি কিনাতকৈ যন্ত্ৰপাতি কিনাত বেচি গুৰুত্ব দিছিল। যিবিলাকৰ বিশেষ দৰকাৰ নাছিল। এতিয়া ঔষধৰ ওপৰত বেচি জোৰ দিয়া হৈছে।

শ্ৰীচামচুল হুদা : এইটো কথা সত্য নেকি পইচা নিদিলে ঔষধ দিয়া নহয়। আৰু ঔষধ নাই বুলি কোৱা হয়। কিন্তু গোদামত সেই ঔষধ বিলাক দাম খাই থাকে। আৰু যেতিয়া এক্সপাৰি দেট পাৰ হৈ

যায় সেই বিলাক পেলাই দিয়া হয়।

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— তেনেকুৱা খবৰ পালে নিশ্চয় ব্যৱস্থা লম। আৰু বিনা পইচাতহে যাতে ঔষধ বিতৰণ কৰা হয় তাৰ কাৰণে চেষ্টা কৰা হব।

ডাঃ তাৰিণী মোহন দাস :— মাননীয় অধ্যক্ষ মহোদয়, চিকিৎসালয়ত যেনে ধৰণে ঔষধ বিতৰণ কৰা হয়, এই ধৰণৰ ব্যৱস্থা ১৯৫৭ চনৰ পৰা চলি আহিছে। ডাক্তৰ বিলাকে যিমান খিনি ঔষধৰ প্ৰয়োজন হয় সেই ধৰণে ইন্দেণ্ট দিছিল আৰু সেই ধৰণে ঔষধ বিতৰণ কৰা হৈছিল। কিন্তু এতিয়া চৰকাৰী স্বাস্থ্য কেন্দ্ৰৰ বিষয়াক ঔষধ যোগান ধৰিবলৈ দিয়া কাৰণে যিখিনি ঔষধৰ প্ৰয়োজন, সেইখিনি নেপায়? এই কথাটো মন্ত্ৰী মহোদয়ে জানেনে?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, কথা দুয়োটাই সঁচা। আগতে অৱশ্যে স্বাস্থ্য কেন্দ্ৰৰ বিষয়া বা ডাক্তৰৰ যোগেদি দিয়া হৈছিল, তেতিয়া ডাক্তৰ সকলে পাইছোঁ পাইছোঁ বুলি এনেয়ে লিখি দিছিল, তাৰ বিনিময়ত ডাক্তৰে টকা পাইছিল আৰু ৰোগীয়েও অলপ পইছাৰে উপকৃত হৈছিল। কিন্তু এতিয়া এজন চিফ মেডিকেল হেল্থ অফিচাৰৰ দায়িত্বত এই ঔষধৰ যোগান আৰু বিতৰণ দায়িত্ব দিয়া হৈছে। তেখেতে চৰকাৰক বদনাম দিবৰ কাৰণেই ঔষধ নাই দিয়া বুলি কয়। এই কথাটো সকলোৱে বিবেচনা কৰা দৰকাৰ হৈ পৰিছে আৰু আমিও এই বিষয়ে ব্যৱস্থা লবৰ কাৰণে বিবেচনা কৰিছো।

Shri Fakrul Islam :— Sir, the Minister has accepted the complaint that there is necessity of more medicines. May I know whether a Committee has been

constituted to supervise the distribution of medicines ?

ডাঃ কোষেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, তেনেকুৱা চুপাৰভিচন কমিটি কৰা হোৱা নাই। আমাৰ ডিপাৰ্টমেণ্টৰ দ্বাৰাহে চুপাৰভাইজ্ কৰা হৈছে ।

শ্ৰীৰবীন্দ্ৰ মালাকাৰ :— মাননীয় অধ্যক্ষ মহোদয়, হাজোৰ ডাক্তৰ এজনে মোক নিজেই কৈছে যে আজি এসপ্তাহ ধৰি কোনো ঔষধ পাতি নাই, আনকি ফেনাইল আৰু ডেটলৰো কোনো যোগান ধৰা হোৱা নাই। তাৰ কাৰণে ডাক্তৰ জন বিক্ষুদ্ধ হৈ পৰিছে, আনকি তেওঁ তাৰ পৰা ট্ৰেন্সফাৰ হৈ যাব বিচাৰিছে। এই বিলাক কথা মন্ত্ৰী মহোদয়ে জানে যে ইয়াৰ বাবে চিভিল চাৰ্জন জনেই দায়ী, তথাপি সেইজন অফিচাৰৰ ওপৰত কোনো বিহিত ব্যৱস্থা লোৱা হোৱা নাই। এই বিষয়ে মন্ত্ৰী মহোদয়ে কিয় ব্যৱস্থা লোৱা নাই ?

ডাঃ কোষেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, মাজে সময়ে হস্পিতেলত ঔষধ পাতি নেথাকিব পাৰে, তাৰ কাৰণেই চিভিল চাৰ্জনৰ ওপৰত ব্যৱস্থা লোৱা কথা নহয় ।

শ্ৰীমুকুট শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, আগতে হস্পিতেল বিলাকত প্ৰত্যেক ৰোগীৰ পৰা ২৫ পইছাকৈ লোৱা হৈছিল, কিন্তু জনতা চৰকাৰে নতুন আইন কৰি ২৫ পইছা উঠাই দিয়েই দুখীয়া ৰাইজক সকাহ দিয়া বুলি সন্তুষ্টি লাভ কৰিলে নেকি যে হস্পিতেল, ডিচপেনচেৰী বিলাকত ঔষধ পাতিৰ যোগান নধৰা হ'ল ।

ডাঃ কোষেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, বিনামূলীয়াকৈ ঔষধ দি থকা হৈছে আৰু আগলৈও দিয়া হ'ব। ২৫ পইছা উঠাই দিয়েই বিনামূলীয়া কৰি দিয়া বুলি সন্তুষ্টি লাভ কৰি থকা নাই। অৱশ্যে কোনো

কোনো ৰাজনৈতিক দলে এই ২৫ পইছা উঠাই দিয়েই দুখীয়া ৰাইজক সকাহ দিয়া বুলি প্ৰচাৰ কৰিছে।

Shri Giasuddin Ahmed :— Sir, a Point of Order. Sir, when a member wants to speak or wants to put a question he is simply to stand up to catch the eyes of the Honourable Speaker. I therefore, appeal to your honour to spread your eyes in all directions.

Mr. Speaker :— I have a list of member who were allowed to put questions : Shri B. Das, Dr. Das, Shri Mukut Sarmah, Shri Bhubaneswar Barman, Shri Binoy Basumatari and a number of others. It will prove that I looked at all directions.

শ্ৰীকূল বাহাদুৰ ছেত্ৰী :— মাননীয় অধ্যক্ষ মহোদয়, দুখীয়া শ্ৰেণীৰ ৰাইজক, বিশেষকৈ ইন্‌জেকচনৰ ক্ষেত্ৰত হস্পিতেলৰ পৰা দিয়া নহয়, বাহিৰৰ পৰা আনিবলৈ পঠোৱা হয়। তাৰ পৰা দুখীয়া ৰাইজে দুৰ্ভোগ ভুগিব লগীয়া হয়, গতিকে এই ইন্‌জেকচন আদি চৰকাৰৰ ফালৰ পৰা যোগান ধৰাৰ ব্যৱস্থা লোৱাৰ কথা মন্ত্ৰী মহোদয়ে বিবেচনা কৰিব নে ?

ডাঃ কোমেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, এই কথাটো একেবাৰে অসত্য নহয়। ইয়াৰ আগতে প্ৰাথমিক চিকিৎসা কেন্দ্ৰৰ বাহিৰে, ডিচ্‌-পেনচেৰী বা ৰাজ্যিক স্বাস্থ্য কেন্দ্ৰত ইন্‌জেকচন চাপ্লাই কৰা নাছিল। এতিয়া অতি দৰকাৰী হলে দুখীয়া মানুহক চিকিৎসা কৰিবৰ কাৰণে এই ইন্‌জেকচন চাপলাই দিয়াটো আৱশ্যকীয় বুলি প্ৰয়োজনীয় ব্যৱস্থা লবলৈ চিন্তা কৰা হৈছে।

Re : Regularisation of Services of Headmaseters and Principals

Shri Binoy Kumar Basumatari asked :

* 477. Will the Minister, Education be pleased to state—

(a) Whether it is a fact that the services of Headmasters and Principals were regularised in their respective posts held by them on lst October, 1977 as a result of Provincialisation ?

(b) If so, the procedure followed in this respect ?

Shri Lakhyadhar Choudhury (Minister, Education) replied :

477. (a)— No.

(b)— Does not arise in view of (a) above.

Shri Binoy Kumar Basumatari :— Sir, the Minister has replied to Question No. 477 (a) as 'No'. I want to know what has happened to these Head Masters and Principals when the schools were provincialised ?

Shri Lakhyadhar Chaudhury (Minister) :— The appointment of Headmasters and Principals after 1-10-77

has been made by the Inspector of Schools concerned under regulation 3 (f) of the A. P. S. C. as the power has been delegated to them temporarily by the Director of Public Instruction. This arrangement has been made pending finalisation of the rules under Section 8 of the 'Assam Secondary Education (Provincialisation) Act, 1977. The Services of such employees will be regularised after the rules in question are finalised. The draft rules have already been prepared and are now under examination.

Shri Binoy Kumar Basumatari :— When the principals and headmasters were appointed under 3 (f), whether the A. P. S. C will conduct the selection test ? And whether the Principals and Head master who were not regularised would be regularised who were incumbent at that time ?

Shri Lakshyadhar Choudhury (Minister) :— The rule is under examination and cases will be finalised shortly.

শ্রীনগেন বৰুৱা :— মাননীয় অধ্যক্ষ মহোদয়, প্ৰভিনচিয়েলাইজড্ কৰা স্কুল বিলাকৰ হেড্ বা প্ৰিন্সিপাল সকলক, চিলেক্চন কমিটিত চিলেক্ট হোৱাৰ পিছতো ব্যৱস্থামতে চিলেক্চন ৩ (এফ) ত নিয়োগ কৰা হয় অৰ্থাৎ অস্থায়ী ভাবে নিয়োগ কৰা হয়নে চাকৰি স্থায়ী ভাবে গ্ৰহণ কৰা হয় ? মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, সেইটো চাব লাগিব। মই জনা নাই। বোলচ্ হলেহে, তাৰ বোলচ্ মতেহে কৰা হয়।

শ্ৰীবানেশ্বৰ শইকীয়া :— মাননীয় অধ্যক্ষ মহোদয়, হাইস্কুল আৰু মধ্য ইংৰাজী স্কুলবোৰ যোৱা ১৯৭৭-৭৮ চনৰ পহিলা অক্টোবৰতে প্ৰভিন্সিয়েলাইজদ্ কৰা হ'ল। এতিয়া তিনি বছৰত পৰিলহি, আজিলৈকে শিক্ষক সকলৰ ক্ষেত্ৰত বোলচ্ কৰ্ম্ম হোৱা নাই, গতিকে কিমান দিনৰ ভিতৰত কৰা হ'ব, ইয়াৰ সময় ধৰি দিব নেকি?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, সময়টো ধৰি দিয়া টান হ'ব। নিশ্চয় কিছুদিন লাগিব।

Shri Binoy Kumar Basumatari :— Whether local candidates will be given preference?

Shri Lakshyadhar Choudhury (Minister) :— The rules are under examiination. Let the rules come first.

শ্ৰীহেমেন দাস :— মাননীয় অধ্যক্ষ মহোদয়, প্ৰভিন্সিয়েলাইজদ্ হাইস্কুল আৰু গভৰ্ণমেণ্ট হাইস্কুলৰ পাৰ্থক্য কি মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, প্ৰভিন্সিয়েল স্কুল বিলাক গভৰ্ণমেণ্ট বোলচৰ ভিতৰত নপৰে, কিন্তু গভৰ্ণমেণ্ট স্কুল বিলাক এই বোলচত পৰে, আৰু চৰকাৰী চাকৰিয়ালৰ বোলৰ মতে সা-সুবিধা পায়, পাৰ্থক্য ইমানেই।

Mr. Speaker :— Question hour is over.

## Undisposed Starred Questions dated 3-4-70

### বিষয়ঃ শিমলাগুৰি গাৱঁৰ শ্ৰীচানমোহন ক্ষত্ৰিয়ক সপৰিয়ালে বহিষ্কাৰ

শ্ৰীখগেন বৰবৰাই সুধিছেঃ

*৪৭৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বাংলাদেশৰ নাগৰিক বুলি অসমৰ পৰা ১৯৭৮ চনৰ ১ এপ্ৰিলৰ পৰা আজি পৰ্য্যন্ত কিমান লোকক বহিস্কাৰ কৰা হৈছে ?

(খ) এই কথা সচাঁনে ১৯৭১ চনৰ ৬ ফেব্ৰুৱাৰীত বৰপেটা মহকুমাৰ হাউলী মৌজাৰ অন্তৰ্গত শিমলাগুৰি গাৱঁৰ ৪০ বছৰীয়া বাসিন্দা শ্ৰীচান মোহন ক্ষত্ৰিয় নামৰ এজন মানুহক সপৰিয়ালে নিশা ১২-৩০ বজাত ধৰি বহিস্কাৰ কৰা হৈছে ?

(গ) এই মানুহজনৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত থকাৰ ওপৰিও ১৯৬৫-৬৮ চনলৈ V.D.P. ভলন্টিয়াৰ আছিল বুলি পুলিচৰ ডায়েৰীত প্ৰমাণ থকা কথাটোও সচাঁনে ?

(ঘ) এই কথাও সচাঁনে যে শ্ৰীচানমোহন ক্ষত্ৰিয়ই ইয়াতে বিবাহ কৰাইছে আৰু ১ম পুতেকৰ বয়স ১৮-১৯ বছৰ ?

(ঙ) পুলিছে গ্ৰেপ্তাৰ কৰোতে ভাৰতৰ নাগৰিক হয়নে নহয় তাৰ প্ৰমাণ পত্ৰ নিবিচৰা, প্ৰমাণ পত্ৰ দেখুৱাৰ সময় নিদিয়া আৰু কোনো লোকক সোধপোচ নকৰা কথাও সচাঁনে ?

(চ) যদি সচাঁ তেন্তে কিয় এইদৰে গ্ৰেপ্তাৰ কৰি বাহিৰ কৰা হৈছে জনাবনে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

৪৭৮। (ক)— ১৯৭৮ চনৰ ১ এপ্ৰিলৰ পৰা ১৯৭৯ চনৰ ৩১ জানুৱাৰীলৈকে মুঠ ৭২০৩ জন বাংলাদেশী অনুপ্ৰবেশ কাৰীক বহিস্কাৰ কৰা হৈছে।

(খ)— বৰপেটা থানাৰ অন্তৰ্গত শিমলাগুৰি গাৱঁত শ্ৰীচান মোহন ৰাজবংশী ওৰফে ক্ষত্ৰিয় নামৰ এজন বাংলাদেশী অনুপ্ৰবেশ কাৰীক ৬।২।৭৯ ইং তাৰিখে আটক কৰি তেওঁৰ পৰিয়ালৰ ৩ জন লোক সহ ৭।২।৭৯ ইং তাৰিখে বাংলাদেশলৈ ঘূৰাই পঠোৱা হয়।

(গ)— চানমোহন ক্ষত্ৰিয়ৰ নাম ভোটাৰ লিষ্টত নাই। ইয়াৰ ওপৰিও ১৯৭০ চনৰ আগৰ ভোটাৰ তালিকাতো তেওঁৰ নাম পোৱা নগল। বৰপেটা থানাৰ ভি ডি পি ৰেজিষ্টাৰ পৰীক্ষা কৰি দেখা গৈছে যে শিমলাগুৰি গাৱঁত কোনো ভি ডি পিয়ো নাই গতিকে তেওঁ ভি ডি পিৰ সদস্য থকাৰ কথা উঠিবই নোৱাৰে।

(ঘ)— চানমোহন ৰাজবংশী ওৰফে ক্ষত্ৰিয়ই অসমত বিয়া কৰাই ঘৈণীয়েকৰ সৈতে পূব পাকিস্তানলৈ গুচি গৈছিল। তেওঁৰ ডাঙৰ পুতেক শ্ৰীবাসুধৰ ক্ষত্ৰিয়ৰ পূব পাকিস্তানতে জন্ম হৈছিল আৰু ১৯৭১ চনৰ পিছত দেউতাকৰ লগত ভাৰতলৈ আহি বৰপেটা অন্তৰ্গত শিলাগুৰি গাৱঁত আছিল।

(ঙ)— চানমোহন ক্ষত্ৰিয়ই তেওঁক আটক কৰাৰ সময়ত তেওঁৰ নাগৰিকত্বৰ কোনো প্ৰমাণ-পত্ৰ দেখুৱাব নোৱাৰিলে সেই সময়ত শিমলাগুৰি

গাৱঁৰে বিশিষ্ট ব্যক্তি শ্ৰীগুৰু দাস ক্ষত্ৰিয়ও তাত উপস্থিত আছিল।

(চ)— ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিছত ভাৰতলৈ অহা বাংলাদেশী অনুপ্ৰবেশকাৰীক ঘূৰাই পঠোৱাৰ চৰকাৰী সিদ্ধান্ত আছে।

## Re : Acquisition of ceiling excess Land of Maijanga T.E. Goalpara

Shri Birendra Nath Choudhury asked .

* 479. Will the Minister, Revenue be pleased to state—

(a) The total areas of ceiling excess land acquired by Government from Maijanga T.E. Goalpara ?

(b) Whether the lands have been distributed among the peasants ?

(c) If not, the reasons thereof ?

Shri Lakheswar Gohain ( Minister, Revenue ) replied :

479. (a)— 1578 B. 3k. 5Ls.

(b)— Out of the acquired land an area measuring 761B. 4K. 11Ls. have been distributed to 103 tenants.

(c)— Does not arise.

Re : Excise Raids on illicit liquor distilleries in Grahampur and Gossaigaon Gaon Panchayat areas

Shri Mathias Tudu asked :

*480. Will the Minister of State, Excise be pleased to state—

(a) Number of Excise Raids on illicit liquor distilleries in Grahampur and Gossaigaon Gaon Panchayat areas during 1977-78 and 1978-79 ?

(b) Total number of arrest, if any ?

(c) How many excise cases have been registered during the years 1977-78 and 1978-79 in these two gaon Panchayat Areas ?

Dr. Kosheswar Bora ( Minister of State, Excise ) replied :

| | | 1977-78 | 1978-79 |
|---|---|---|---|
| 480. (a)— | Grahampur | 2 | 2 |
| | Gossaigaon | 12 | 10 |
| (b)— | Grahampur | 13 | 8 |
| | Gossaigaon | 61 | 40 |
| (c)— | Grahampur | 13 | |

Gossaigáon 61 40

বিষয়ঃ হাইলাকান্দির এস, ডি, ও অফিচ বিল্ডিং

শ্রীদীপক ভট্টাচার্য্য জিজ্ঞাসা করিয়াছেন—

* ৪৮১। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ করে জানাবেনকি—

(ক) হাইলাকান্দির এস, ডি, ও অফিস বিল্ডিং যে কেন দিন ভেঙে যেতে পারে বলে সরকারের জানা আছে কি না ?

(খ) যদি জানা থাকে, তবে চরকার তার প্রতিকারের কি ব্যবস্থা হাতে নিয়েছেন ?

শ্রীগোলাপ বৰবৰা ( মুখ্যমন্ত্রী ) য়ে উত্তৰ দিছে :

৪৮১। (ক)— হাইলাকান্দির মহকুমাধিপতির কার্য্যালয় নির্ম্মাণ করার প্রায় ৮০ বৎসর হইয়াছে। কার্য্যালয়টির বর্ত্তমান অবস্থা খুব ভাল নহে বলিয়া জানা গিয়াছে।

( হাইলাকান্দিৰ মহকুমাধিপতি কার্য্যালয়টো সজা প্রায় ৮০ বছৰ হ'ল। কার্য্যালয়ৰ ঘৰটোৰ বর্ত্তমান অৱস্থা সিমান ভাল নহয় বুলি জনা গৈছে।

(খ)— মহকুমাধিপতির কার্য্যালয়টির পুনর্নির্ম্মাণ করার জন্য কাছাড় জিলার উপায়ুক্ত আর গড়কাপ্তানী বিভাগকে নক্সা আর সম্ভাব্য ব্যয়ের (Plans & estimates ) হিসাব সহ প্রস্তাব পাঠাইবার জন্য নির্দ্দেশ দেওয়া হইয়াছে। গড়কাপ্তানী বিভাগ ইতিমধ্যে এই বিষয়ে যথাযত ব্যবস্থা নিতেছে।

(মহকুমাধিপতিৰ কাৰ্য্যালয় ঘৰ নিৰ্ম্মাণ কৰাৰ উদ্দেশ্যে কাছাৰ জিলাৰ উপায়ুক্ত আৰু গড়কাপ্তানী বিভাগক পৰিকল্পনা আৰু আনুমানিক ব্যয়ৰ হিচাব তৈয়াৰ কৰি প্ৰস্তাৱ দিবৰ কাৰণে জনোৱা হৈছে। গড়কাপ্তানী বিভাগে ইতিমধ্যে এই বিষয়ে আৱশ্যকীয় ব্যৱস্থা লৈছে।

বিষয়ঃ উত্তৰ লক্ষীমপুৰ মহকুমাৰ গ্ৰাম্য বৈদ্যুতিকৰণ কৰপোৰেশন আঁচনি

শ্ৰীশূল বৰাই সুধিছে :

* ৪৮২। মাননীয় বিদ্যুত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) উত্তৰ লক্ষীমপুৰ মহকুমাত গ্ৰাম্য বৈদ্যুতিকৰণ কৰপোৰেশন আঁচনি কাৰ্য্যকৰীভাবে সম্প্ৰসাৰণ কৰিবলৈ কিবা ব্যৱস্থা লোৱা হৈছেনে?

(খ) যদি লোৱা হোৱা নাই, কেতিয়ামানে এই কৰপোৰেশনৰ ব্যৱস্থা হ'ব?

শ্ৰীএ, এফ, গোলাম ওচমানী (বিদ্যুত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৪৮২। (ক)— হয়।

(খ)— প্ৰশ্ন নুঠে।

বিষয়ঃ গড়গাৱঁৰ ক্যাৰেংঘৰৰ সুৰঙ্গ

শ্ৰীযোগেন গগৈয়ে সুধিছে :

* ৪৮৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) আন্তৰ্জাতিক আকৰ্ষণৰ বাবে গড়গাওঁৰ কাৰেংঘৰৰ পৰা মাটিৰ তলেদি থকা সুৰঙ্গটো উদ্ধাৰ কৰিব পৰা হবনে ?

(খ) এই সুৰঙ্গৰ সন্ধান কৰিবলৈ গৱেষণাৰ এটা সু-ব্যৱস্থা কৰিব পৰা হবনে ?

(গ) এই সুৰঙ্গৰ আভাষৰ ক্ষেত্ৰত ইয়াৰ দৈৰ্ঘ্যতা ব্যৱস্থাৰ বৈশিষ্ঠ অৱস্থান নিৰ্ম্মাণৰ সময় আদিৰ বিষয়ে সম্যক উক্তি ঘোষণা কৰিব পৰা হবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( শিক্ষা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৪৮৩। (ক)— গড়গাওঁৰ কাৰেংঘৰৰ তলেদি সুৰঙ্গ সঁচাকৈয়ে আছিল নে নাই সেইটো এতিয়ালৈকে বিভাগে জনা নাই।

(খ)— যিহেতু এই কীৰ্ত্তিচিনটো কেন্দ্ৰীয় প্ৰত্নতাত্ত্বিক জৰীপ বিভাগৰ দ্বাৰা সংৰক্ষিত গতিকে ইয়াৰ সন্ধান কৰিবলৈ সেই বিভাগৰ লগত যোগাযোগ কৰা হ'ব।

(গ)— ইয়াৰ অস্তিত্ব আৱিষ্কৃত হলে ইয়াৰ দৈৰ্ঘ্য ব্যৱহাৰ, বৈশিষ্ঠ্য আদিৰ বিষয়ে সম্যক ঘোষণা কৰিব পৰা প্ৰশ্নটো গৱেষণা সাপেক্ষ্য হব।

## Re : Garo medium L. P. Schools

Shri Bilton G. Momin asked :

* 484. Will the Minister, Education be pleased to

state—

(a) Whether it is a fact that there is no record in the D. P. I. Office about Garo medium L. P. Schools ?

(b) If so, how those L. P. Schools are maintained ?

Shri Lakshyadhar Choudhury ( Minister, Education ) replied :

484. (a)— Records in respect of Garo medium L. P. Schools are maintained in the Office of Director of Elementary Education and not in the office of D.P.I.

(b)— Does not arise.

Re : Separate Building Division in each Civil Sub-division

Shri Ranendra Narayan Basumatari asked :

* 485. Will the Minister, P. W. D. be pleased to state—

(a) Whether it is a fact that Government has policy to have separate Building Division in each Civil Sub-Division of the P. W. D. ?

(b) If so, whether there is / was any such Division

in the Kokrajhar Civil Sub-Division ?

(c) If not, whether Government propose to create a separate Building Division for Kokrajhar Civil Sub-Division during the current financial year ?

Shri Dulal Chandra Boruah ( Minister, P.W.D. ) replied ;

485. (a)— Government has accepted the policy of establishing separate Divisions enclusively for Building work. However there is no proposal to establish Building Division in each Civil Sub-division.

(b)— No.

(c)— A proposal for establishment of a Building Division at Kokrajhar is under exmintion by the Government.

বিষয় ঃ ঘিলাজাৰী মৌজাত বানপানী প্ৰতিকাৰৰ ব্যৱস্থা

শ্ৰীএম ইব্ৰাহিম আলিয়ে সুধিছে ঃ

* ৪৮৬। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মৰা চাউলখোৱা নদীৰ বন্যাবোধ কৰাৰ কাৰণে বাওঁ পাৰেদি

মথাউৰি সাজি বৰপেটা চহৰৰ বিপৰীত ফালে সোঁপাৰ মুকলিকৈ ৰখাটো চৰকাৰে জানেনে ?

(খ) ইয়াৰ ফলত ঘিলাজাৰী মৌজাখনৰ প্ৰায় ৩০,০০০ লোকক প্ৰতি বছৰে বান পানীয়ে প্ৰচুৰ ক্ষতি কৰা কথাটো চৰকাৰে জানেনে ?

(গ) যদি জানে, তাৰ প্ৰতিকাৰ কল্পে কিবা ব্যৱস্থা হাতত লৈছেনে ?

শ্ৰীৰমেশ মোহন কুলি (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৪৮৬। (ক)— হয়, জানে।

(খ)— কিছু পৰিমাণে ক্ষতি কৰা কথাটো সঁচা।

(গ)— পশ্চিম পাৰে বাহমুৰাঘাটৰ পৰা জনীয়া কাদং গড়কাপ্তানী ৰাস্তালৈ মথাউৰি নিৰ্ম্মাণ কৰা হৈছে। কিন্তু বৰপেটা হাউলী গড়-কাপ্তানী ৰাস্তাৰ পৰা বাহমুৰা ঘাটলৈ মথাউৰি নিৰ্ম্মাণৰ কোনো আঁচনি লোৱা হোৱা নাই।

বিষয় : জালীমুৰা-চাংসাৰী পথ

শ্ৰীদৈৱশক্তি ডেকাই সুধিছে :

* ৪৮৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) জালীমুৰা-চাংসাৰী পথটো কি কাৰণত জালীমুৰাৰ পৰা আৰম্ভ

হোৱা নাই ?

(খ) উক্ত পথটোত কি কাৰণত শিল দিয়াৰ ব্যৱস্থা কৰা নাই ?

(গ) কেতিয়াকৈ উক্ত পথটো বাছ চলাচলৰ বাবে উপযুক্ত হব জনাবনে ?

(ঘ) উক্ত পথটো ওখ আৰু বহল কৰিবলৈ ব্যৱস্থা লবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৪৮৭। (ক)— এই পথটোৰ প্ৰথম অংশত ৰেলৱেৰ মাটি পৰাৰ বাবে এই অংশৰ ৭২০ মিটাৰৰ কাম কৰিব পৰা হোৱা নাই।

(খ)— কালাজল নদীৰ ওপৰত দলং নোহোৱাৰ বাবে যান বাহনৰ চলাচল কৰিব নোৱাৰা হেতুকে শিল দিয়াৰ ব্যৱস্থা কৰিব পৰা নাই।

(গ)— উপৰোক্ত দলং আৰু বাকী উন্নতিৰ কাম শেষ হোৱাৰ লগে লগে বাছ চলাব পৰা হব বুলি আশা কৰা হৈছে।

(ঘ)— যথেষ্ট পৰিমাণৰ পুজিৰ সংস্থান হলেহে চৰকাৰে বিবেচনা কৰিব।

বিষয় : গুৱাহাটীৰ পৰা মীৰ্জা, ৰাজাপাৰা আদিলৈ পৰিবহন নিগমৰ বাচৰ ভাড়া

শ্ৰীহৰেন্দ্ৰ গোস্বামীয়ে সুধিছে :

* ৪৮৮। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি

জনাৱনে—

(ক) গুৱাহাটীৰ পৰা নিম্নলিখিত ঠাই কেইখনলৈ পৰিবহন নিগমৰ বাচৰ ভাড়া কিমান ?

১। মীৰ্জা ২। ৰাজাপাৰা ৩। ৰামপুৰ ৪। ছয়গাওঁ ৫। বকো ৬। নগৰবেৰা আৰু ৭। ছমৰীয়া।

(খ) ব্যক্তিগত মালিক সকলে চলোৱা বাচৰ ভাড়াৰ লগত পৰিবহন নিগমৰ ভাড়াৰ কিবা পাৰ্থক্য আছে নে ?

(গ) মীৰ্জা, ছয়গাওঁ আৰু বকো এই তিনিটা কাৰ্য্যালয়ত পৰিবহন নিগমে যোৱা দুবছৰত কিমান আয় কৰিছে ?

(ঘ) ৰামপুৰ আৰু বাটৰহাট এই দুটা কাৰ্য্যালয় আৰু এই ঠাইত আগেয়ে দিয়া পৰিবহন নিগমৰ বাচ উঠাই দিয়াৰ কাৰণ কি ?

শ্ৰীজহিৰুল ইছলাম ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৪৮৮। (ক)— গুৱাহাটীৰ পৰা ঠাইকেইখনলৈ পৰিবহন নিগমৰ বাচৰ ভাড়াৰ নিৰিখৰ তালিকা সদনৰ মেজত ৰখা হ'ল।

(খ)— চৰকাৰৰ নিৰ্দ্ধাৰিত ভাড়াৰ নিৰিখমতে পাৰ্থক্য নাই।

(গ)— মীৰ্জা, ছয়গাওঁ আৰু বকো কাৰ্য্যালয়ত যোৱা দুবছৰত হোৱা আয়ৰ পৰিমাণ তলত দিয়া হ'ল।

| চন | মীৰ্জা | ছয়গাওঁ | বকো |
|---|---|---|---|
| ১৯৭৭—টঃ | ২৭৮৪৮.০৫ | ২৬৬০০.৪০ | ৪৪২১৬,৮৫ |
| ১৯৭৮—টঃ | ৩১২৬৫,০৫ | ৪৩২০২,[illegible]৭ | ৭০৮২৮,২[illegible] |

(ঘ)— আশানুৰূপ আয় নোহোৱা বাবে ৰামপুৰ আৰু বাটৰহাটৰ কাৰ্য্যালয়ৰ লগতে পৰিৱহন নিগমৰ বাছ উঠাই দিয়া হৈছে।

বিষয় ঃ উত্তৰ লক্ষীমপুৰ নগৰৰ মাষ্টাৰ প্লেন

শ্ৰীশূল বৰাই সুধিছে ঃ

*৪৮৯। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) উত্তৰ লক্ষীমপুৰ নগৰখন যোৱা ১৯৫০ চনত হৈ যোৱা প্ৰকাণ্ড ভূমিকম্পৰ ফলত দহৈ বহি যোৱাত আৰু নগৰ খনৰ চাৰিওকাষে বাম হোৱাত এজাক ডাঙৰ ৰৰষুণ হলেই ঘৰ আৰু ৰাস্তাটো পানীত ডুব যোৱাৰ কাৰণে নাগৰিক সকলে অশেষ দুৰ্ভোগ ভুগিব লগা হোৱা নিদাৰুণ অৱস্থাৰ বিষয়ে চৰকাৰে অৱগতনে ?

(খ) যদি অৱগত হয় তেন্তে উপৰোক্ত বিষয়টো সমাধান কৰাৰ কাৰণে নগৰৰ নাগৰিক সকলক শান্তি দিয়াৰ কাৰণে মাষ্টাৰ প্লেন কৰি নগৰখনক ৰক্ষা কৰাৰ আৱশ্যকীয় প্ৰতিষেধক ব্যৱস্থা সোনকালে গ্ৰহণ কৰিব নে ?

শ্ৰীজহিৰুল ইছলাম (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৮৯। (ক)— বাৰিষা কালত উত্তৰ লক্ষীমপুৰ নগৰত ৰৰষুণৰ পানী জমা হোৱা কথা চৰকাৰে জানে কিন্তু যোৱা ১৯৫০ চনত হৈ যোৱা প্ৰকাণ্ড ভূমিকম্পৰ ফলত নগৰখন 'দ' হৈ বহি যোৱা আৰু তাৰ চাৰিও কাষে বাম হোৱা কথা চৰকাৰে নাজানে।

(খ)— নগৰখনত 'মাষ্টাৰ প্লেন' তৈয়াৰ কৰাৰ বাবে নগৰ উন্নয়ন পৰিকল্পনা বিভাগৰ অধিনত এটি শাখা কাৰ্য্যালয় ইতিমধ্যে মঞ্জুৰ কৰা হৈছে আৰু মাষ্টাৰ প্লেন বনাবৰ কাৰণে প্ৰাথমিক ব্যৱস্থা লোৱা হৈ আছে।

বিষয় ঃ স্ৰাধ্ৰমৰিখ পথলীয়াল কৈবৰ্ত্ত গাৱঁ মাজ অংশত গৰাখহনীয়া

শ্ৰীযোগেন গগৈয়ে সুধিছে ঃ

* ৪৯০ মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) থাওৰা সমষ্টিত বকতা মৌজাৰ ভিতৰত থকা দিচাং নদীৰ সোঁপাৰে অৱস্থিত লাখমনি পথলীয়াল কৈবৰ্ত্ত গাৱঁৰ মাজ অংশত গৰা খহাই স্থানীয় পৰিয়াল সমূহ আৰু গাৱঁৰ মাজেদি যোৱা আলিটোৰ নিৰাপত্তা নোহোৱা অৱস্থা সৃষ্টি কৰাৰ বিষয়ে চৰকাৰে জানেনে ?

(খ) যদি জানে তেন্তে গৰাখহনীয়াৰ পৰা বিধস্ত পৰিয়াল আৰু আলিটোৰ নিৰাপত্তাৰ বাবে উন্নত ধৰণৰ ব্যৱস্থা লবনে ?

(গ) এই ক্ষেত্ৰত যাবতীয় কাৰ্য্যকৰী ব্যৱস্থা কি লোৱা হৈছে ?

শ্ৰীৰমেশ মোহন কুলি ( বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) যে উত্তৰ দিছে ঃ

৪৯০। (ক)— বৰ্ত্তমান গৰাখহনীয়া হোৱা নাই।

(খ)— প্ৰশ্ন নুঠে।

(গ) — প্ৰশ্ন নুঠে।

বিষয়ঃ হাজো প্ৰাইমাৰী স্বাস্থ্য কেন্দ্ৰ

শ্ৰীৰবীন্দ্ৰ নাথ মালাকাৰে সুধিছে :

*৪৯১। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) হাজো প্ৰাইমাৰী স্বাস্থ্যকেন্দ্ৰটোৰ ৩০ খন বিচনা যুক্ত (Thirty bedded) স্বাস্থ্য কেন্দ্ৰলৈ ৰূপান্তৰিত কৰাৰ কিবা ব্যৱস্থা চৰকাৰে লৈছে নে?

(খ) যদি লৈছে, তেন্তে চলিত বিত্তীয় বছৰতে ইয়াৰ কাম হাতত লবনে?

ডাঃ কোমেশ্বৰ বৰা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

৪৯১। (ক)— কোনো ব্যৱস্থা লোৱা হোৱা নাই।

(খ)— প্ৰশ্ন নুঠে।

SHORT NOTICE

Questions and Answers

Date : 3rd April, 1979

বিষয়ঃ উত্তৰ গুৱাহাটীৰ শিশুগ্ৰাম

শ্ৰীএ, এন, আক্ৰাম হুছেইনে সুধিছে :

১১। মাননীয় সমাজ কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ

কৰি জনাবনে—

(ক) উত্তৰ গুৱাহাটীত "শিশুগ্ৰাম" বুলি এটা অনুষ্ঠান আছেনে ?

(খ) যদি আছে, তেন্তে উক্ত অনুষ্ঠানটোৱে এতিয়ালৈকে ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ পৰা কিমান আৰ্থিক সাহায্য পাইছে ? (পৃথক পৃথক ভাবে বছৰ হিচাবে জনাব)।

(গ) "শিশুগ্ৰাম"ৰ গৃহ নিৰ্ম্মাণ আদিত কিমান টকা ব্যয় হৈছে আৰু ইয়াৰ পৰিচালনা কমিটি আৰু staffৰ নাম জনাবনে ?

(ঘ) "শিশুগ্ৰাম" প্ৰতিষ্ঠাৰ পৰা এতিয়ালৈকে ইয়াৰ আয়-ব্যয়সহ কাৰ্য্য বিৱৰণী সদনত পেচ কৰিবনে ?

শ্ৰীৰমণী বৰ্ম্মণ (সমাজ কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১১। (ক)— হয়, আছে।

(খ— এই অনুষ্ঠানটোৱে এতিয়ালৈকে কোনো বিত্তীয় সাহায্য অসম চৰকাৰৰ পৰা লব লগা হোৱা নাই। কাৰণ শিশুগ্ৰাম আৰম্ভ হোৱা নাই। ১৯৭৫-৭৬ চনত ভাৰত চৰকাৰৰ পৰা নিৰ্দ্দিষ্ট শিতানত খৰচ কৰাৰ বাবে ৬০,৩০০ (ষাঠি হেজাৰ তিনিশ) টকাৰ এটা অনুদান পাইছিল, কিন্তু শিশুগ্ৰাম সম্পূৰ্ণ হৈ নুঠাৰ বাবে সেই নিৰ্দ্দিষ্ট শিতানত খৰচ কৰাৰ অৱস্থা নথকাত সেই অনুদানৰ টকা যোৱা ২৯-৩-৭৮ তাৰিখে সম্পূৰ্ণ ফিৰৎ দিয়া হয়।

(গ)— "শিশুগ্ৰাম"ত গৃহ নিৰ্ম্মাণ কৰাৰ কাম আৰম্ভ কৰিবৰ হলে তালৈ যাবলৈ ২ (দুই) কিঃ মিঃ ৰাস্তা তৈয়াৰ কৰি লব লগা হয় আৰু

মাটিখিনিৰ চাৰিও কাষে চিকিউৰিটি ফেন্সিং দিব লগা হয়। তাৰ পিচত Administrative Building সজা প্ৰায় সম্পূৰ্ণ হৈছে আৰু বাকী গাৰঁৰ কাম কৰি থকা হৈছে। এই সকলোবোৰ কামৰ বাবে এই পৰ্য্যন্ত ৩,৩০, ৮৫২,৭০ (তিনি লাখ ত্ৰিশ হেজাৰ আঠশ বাৱন্ন টকা সত্তৰ পইচা) টকা খৰচ হৈছে।

পৰিচালনা কমিটিৰ নাম আৰু কৰ্য্যালয়ৰ staffৰ নাম সদনৰ মেজত ৰখা হল। (Annexure—A)

(ঘ)— সদনৰ মেজত ৰখা হল Annexure—B).

শ্ৰীফনী মেধি :— অধ্যক্ষ মহোদয়, এই শিশুগ্ৰামৰ যিটো আঁচনি এই আঁচনিত কি কি কৰা হব আৰু এই শিশু গ্ৰাম আঁচনি উত্তৰ গুৱাহাটীত কি কি কৰা হৈছে? মন্ত্ৰী মহোদয়ে এবাৰ কৈছে এই আঁচনি আৰম্ভ হোৱাই নাই। আকৌ (গ) আৰু (ঘ) প্ৰশ্নৰ উত্তৰত কৈছে যে ঘৰ সজা হৈ আছে আৰু ৰাস্তা সাজি আছে যদি আঁচনি আৰম্ভ হোৱাই নাই তেনেহলে এই ৰাস্তা সজা আৰু ঘৰ সজাৰ যি ৬০ হাজাৰ টকাৰ অনুদান পোৱা হৈছে তাৰ বাকী অংশ কত খৰছ কৰিলে?

শ্ৰীৰমনী বৰ্ম্মণ (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, প্ৰথমতে এই কথাটো মই অলপ কব লাগিব, এই কাৰণেই যে শিশুগ্ৰামৰ আঁচনি সম্পৰ্কত আমাৰ চৰকাৰৰ কোনো নিয়ন্ত্ৰণ নাই। কাৰণ, বানপানী সাহায্য কমিটীৰ সিদ্ধান্তক্ৰমে ট্ৰাষ্ট বৰ্ডৰ অধীনত এই শিশুগ্ৰাম আঁচনিৰ কাম চলি আছে। আমাৰ চৰকাৰৰ ফালৰ পৰা টকা আদি দিয়া নাই। গতিকে প্ৰশ্নৰ উত্তৰ দিব লগা হলে দিব পৰা যাব, কিন্তু আচলতে আমাৰ কৰলগীয়া একো নাছিল। মাননীয় সদস্যজনে যিটো সুধিছে যে ইয়াৰ আঁচনি কি? ইয়াৰ আঁচনি আচলতে বানপানীত বিধস্ত হোৱা শিশু সকলক, পিতৃ-মাতৃ হাৰা শিশু সকলক ভৰণ-পোষণ দি আৰু শিক্ষা দিয়াৰ

ব্যৱস্থা কৰাটোৱেই ইয়াৰ মুখ্য উদ্দেশ্য। এচ, অ', এচ ভিলেজ স্কীম এই স্কীমৰ পৰিপ্ৰেক্ষিতত এই ধৰণৰ আমাৰ যিটো গাওঁ কৰাৰ পৰিকল্পনা হৈছিল সেইমতে এটা ট্ৰাষ্ট বৰ্ডৰ অধীনত এই সম্পৰ্কত বানপানী সাহায্য কমিটীৰ পৰা ১৭ লাখ টকা পোৱা হৈছিল। এই ১৭ লাখ টকাৰ পৰাই এইখিনি খৰছ কৰা হৈছে আৰু বাকীখিনি টকা ভালদৰে ৰখা হৈছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— অধ্যক্ষ মহোদয়, ১৯৭৪ চনত ধুবুৰী মহকুমাত যি ভয়াবহ দুৰ্ভিক্ষ হৈছিল আৰু তেতিয়া ১৫ হাজাৰ মানুহ মৰিল লগতে হাজাৰ হাজাৰ শিশু অনাথ হল, ভগনীয়া হল, এই অনাথ শিশু সকলৰ কাৰণেই আচলতে এই শিশুগ্ৰামৰ আঁচনি কৰা হৈছিল এই কথা সচাঁনে? যদি সচাঁ তেতিয়াহলে এই শিশুগ্ৰাম আঁচনি কেনেকৈ উত্তৰ গুৱাহাটীলৈ স্থানান্তৰিত হল এই কথা মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীৰমনী বৰ্ম্মণ (মন্ত্ৰী) :— এই সম্পৰ্কে আমি খবৰ পোৱা নাই। বানপানী সাহায্য কমিটীয়ে এই ট্ৰাষ্ট বৰ্ড গঠন কৰি দিয়ে আৰু তেওঁলোকেই এই ট্ৰাষ্ট বৰ্ডৰ কাৰণে টকা ডাইভাৰ্ট কৰি দিয়ে।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— মাননীয় মন্ত্ৰী মহোদয়ে এই বিষয়ে তদন্ত কৰিবনে যে কি উদ্দেশ্যত এই টকাটো ধৰা হৈছিল আৰু এই টকা কেনেকৈ হস্তান্তৰ হল আৰু ধুবুৰী মহকুমাৰ পৰা হাজাৰ হাজাৰ নিৰাশ্ৰয় শিশুক বঞ্চিত কৰি উত্তৰ গুৱাহাটীলৈ কেনেকৈ এই আঁচনি স্থানান্তৰ হল?

শ্ৰীৰমণী বৰ্ম্মণ (মন্ত্ৰী) :— কৰা হব।

শ্ৰীঅজয় দত্ত :— বানপানী সাহায্য কমিটী চৰকাৰী আৰু বেচৰকাৰী সাহায্যত গঠিত হৈছে। ভাৰতৰ বিভিন্ন প্ৰদেশৰ পৰা প্ৰতিনিধি আছিল। আৰু শিশুগ্ৰাম পৰিষদ কৰা হৈছে।

এই পিতৃ-মাতৃহীন অনাথ শিশু সকল বৰ্ত্তমান যুৱক-যুৱতী হৈছে আৰু গুৱাহাটীৰ ৰাস্তাই ঘাটে ভিক্ষাৰী হৈ ঘুৰি ফুৰিছে। যাৰ কাৰণে এই টকাটো ৰখা হৈছে সেই শিশুসকলক এতিয়া কত বিচাৰি পাব ?

শ্ৰীৰমনী বৰ্ম্মণ (মন্ত্ৰী) :— মাননীয় সদস্য গৰাকীয়ে যিটো চিন্তা কৰিছে সেইটো হয় আৰু সেই বিষয়টোৰ সম্পৰ্কত আমি যি খবৰ পাইছো যে শিশুগ্ৰাম কমিটীৰ পৰা এই অনাথ শিশু আৰু পিতৃ-মাতৃহীন শিশু সকলৰ অনুসন্ধান চলাই আছে আৰু তেনে অনাথ শিশু পালেই এই শিশুগ্ৰামলৈ অনাৰ ব্যৱস্থা কৰিছে।

শ্ৰীএম এন আক্ৰাম হুচেইন :— ইয়াৰ বিষয় ৰবীয়া কোন কোন এই বিষয়ে মন্ত্ৰী মহোদয়ে কিন্তু নকলে। মই জনাত এইটো এটা ফেমিলি লিমিটেড হৈ পৰিছে। মন্ত্ৰী মহোদয়ে কৈছে যে তেখেতৰ কোনো নিয়ন্ত্ৰণ নাই কিন্তু আনফালে কৈছে যে এডমিনিষ্ট্ৰেটিভ বিল্ডিং আৰু ৰাস্তা ঘাট নিৰ্ম্মানত ৩ লাখ টকা খৰচ হৈছে। এতেকে গোটেই বিষয়টো এটা ৰহস্যপূৰ্ণ হৈ পৰিছে। গতিকে হাউচ কমিটী পঠিয়াই এই শিশুগ্ৰাম পৰীক্ষা কৰাত মন্ত্ৰী মহোদয় প্ৰস্তুত আছেনে ?

শ্ৰীৰমনী বৰ্ম্মণ (মন্ত্ৰী) :— কমিটি গঠন কৰাৰ প্ৰয়োজন নাই বুলি ভাবো। কাম কিছু আগবাঢ়িছে আৰু ইয়াৰ টকা সেই ১৭ লাখৰ পৰাই ৩ লাখ খৰচ কৰা হৈছে।

শ্ৰীফনী মেধি :— অধ্যক্ষ মহোদয়, ফেমিলী লিমিটেডৰ অৰ্থ বুজা নাই।

শ্ৰীৰমনী বৰ্ম্মণ (মন্ত্ৰী) :— ফেমিলী লিমিটেড নহয় অসমৰ বিভিন্ন ঠাইৰ ব্যক্তি তাত আছে।

শ্ৰীআব্দুল মোক্তাদিৰ চৌধুৰী :— ১৯৭৬ চনৰ দুৰ্ভিক্ষৰ সময়ত

কাছাৰত এচ অ এচ ৰিলিফত কিমান টকা দিয়া হৈছে ?

( উত্তৰ নাই )

Re : Deportation of Shri Mahendra Chandra Pual

Shri Santi Ranjan Das Gupta asked :

12. Will the Chief Minister be pleased to state—

(a) Whether the Chief Minister has received any representation from Shri Mahendra Chandra Paul of village Lalukai Post Pirakata, District Darrang on 30th January. 1979, about his doportation to Bangladesh by Udalguri Police assisted by Charali Police Outpost ?

(b) Whether it is a fact that the citizens certificate issued to them by the Registering Authority of the Toofanganj on 4th November, 1957 was presented to the Police and the said Police torned the citizenship certificate into pieces ?

(c) Whether it is also fact that at the dead hours of the Night said Mahendra Chandra Paul with wife and children were dragged from their House at village Dhansiri, P. O. Rowta, P. S. Udalguri by the Udalguri Police and deported them ?

(d) Wheter it is a fact that said Sri Paul was residing in the village Dhansiri by constructing Houses and was maintaining his livelihood as Kumbhakar from 1959 ?

(e) Before bringing them out from their dwelling houses whether Police made any querries from the old villagers of the village Dhansiri about the period of his stay at that village ?

Shri Golap Borbora ( Chief Minister ) replied ঃ

12. (a)— Yes.

(b)— It is not a fact.

(c)— It is not a fact.

(d)— No. He was living there since 1972 only.

(e)— Yes.

শ্ৰীশান্তি ৰঞ্জন দাসগুপ্ত ঃ— মাননীয় অধ্যক্ষ মহোদয়, এই শ্ৰীমহেন্দ্ৰ চন্দ্ৰ পালৰ পৰিয়ালক সচাকৈয়ে বাংলাদেশলৈ পঠোৱা হৈছে নে তেওঁক ভাৰতীয় নাগৰিক বুলি জানি পশ্চিমবঙ্গলৈ পঠাই দিছে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) ঃ— শ্ৰীমহেন্দ্ৰ চন্দ্ৰ পালৰ সম্পৰ্কত ৰৌতা পুলিচ ষ্টেচনে, খাৰুপেতীয়া পুলিচৰ সহযোগত ১৮-১২-৭৮ তাৰিখে দিয়া ৰিপ-টত কোৱা হৈছে যে Shri Mahendra Chandra Paul with his wife Smti Sailabala Paui, son, Nripen Paul Sunil Paul and

daughter Rani Paul সেই সকলক ধনশিৰি পুলিচ ষ্টেচনে বাংলাদেশলৈ পঠাই দিছে। শ্ৰীপালৰ এটা ষ্টেটমেন ৰেকৰ্ড কৰা হৈছে in presencs of the villagers of that area.

শ্ৰীশান্তিৰঞ্জন দাসগুপ্ত :— টুফানগঞ্জ ৰেজিষ্টাৰ অফিচৰ পৰা ১৯৫৮ চনতেই শ্ৰীমহেন্দ্ৰ চন্দ্ৰ পালে ৰেজিষ্ট্ৰেচন অথৰিটিৰ পৰা নাগৰিকত্বৰ চাৰ্টিফিকেট পাইছিল। তেওঁ নাগৰিকত্বৰ চাৰ্টিফিকেট পাইছিল নে নাই এইটো অনুসন্ধান কৰি চাবনে ?

শ্ৰীকেশব চন্দ্ৰ গগৈ (মন্ত্ৰী) :— উত্তৰ দিয়াই হৈছে যে this not a fact.

শ্ৰীশান্তিৰঞ্জন দাসগুপ্ত :— টুফানগঞ্জৰ পৰা অনুসন্ধান কৰা হৈছিল নে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— এইটো কথা ৰেজিষ্টাৰত নাই। সেই ভাবে টুফানগঞ্জৰ পুলিচ ষ্টেচনৰ পৰা অনুসন্ধান কৰা আৱশ্যকতা নাই।

Shri Noorul Huda :— Sir, may we know from the hon'ble Minister as to from which place this gentleman Shri Mohendra Chandra Paul had sent this representation to the Government and what is his present whereabouts ?

Shri Keshab Chandra Gogoi (Minister) :— These informations are not available with me now.

Shri Noorul Huda :— Sir, this is a very strange

thing because on 30th January, 1979, it has been clearly stated, that the Government had received a representation from Shri Mohendra Chandra Paul of village Lalukai, District Darrang and now sir only two months late now the Minister says that from where he had submitted the representation to the Government is not known and the Government has no information about his present whereabouts. This is a very strange thing. The Government must furnish us this vital information.

Shri Keshab Chandra Gogoi (Minister) :— Yes, the information will be furnished.

Shri Giasuddin Ahmed :— Sir, question (b) has two parts the 1st part is that the Registering authority of the Toofanganj issued a citizenship certificate to the person and the 2nd part is that the citizenship certificate was presented to the police and the police torned the citizenship certificate into pieces. In reply the hon'ble Minister said 'it is not a fact'. Sir, May I know which part is not a fact? Whether that the Toofanganj Registering Authority issued the certificate or that the police had torn the certificate into pieces. Which is not a fact?

Shri Keshab Chandra Gogoi (Minister) :— Mr. Speaker, Sir, the question is inter-related. The 1st part

and the 2nd part of the question cannot be separated. But there is no question of torning the certificate.

Shri Giasuddin Ahmed :— Sir, although these two parts have been tagged together, these are completely separate question. One is that the Registering Authority and at Toofanganj issued citizenship certificate and the other is that the Police torn the certificates into pieces. So both these parts of the question cannot be combined by one answer. So whether police had made any enquiry whatsoever regarding this ?

Shri Keshab Chandra Gogoi ( Minister ):— Mr. Speaker, Sir, I have not gone through the details and this has been taken as correct.

Shri Md. Fakhrul Islam :— These two points have been combined by one and herefore he says that the facts are not true.

( No reply from Minister )

Shri Noorul Huda :— May I submit that the hon'ble Minister had stated that the Govt. does not feel it necessary to enquire from Toofanganj whether the authorities issued any certificate. In that case the Govt. should have come forward and when the question had arisen, ascertain from the police whether

any such certificate was issued and torn into pieces.

Shri Keshab Chandra Gogoi (Minister) :— The question was whether it is a fact that the citizenship certificate issued to them by the Registering authority of Toofanganj and it was torn by the police, I say no, it is not a fact.

Shri Shanti Ranjan Das Gupta :— Sir, the attested copy of the Registration Certificate of S.D.C, Toofanganj is with me and the similar copy was supplied to the Chief Minister. Why then the Govt. did not make any enquiry from the S. D. C, Toofanganj.

Shri Keshab Chandra Gogoi ( Minister ) :— The application and the attested copy is not before me now and I have already stated that all these things will be made known.

শ্ৰীবীৰেন্দ্ৰ নাথ চৌধুৰী :— মন্ত্ৰী মহোদয়ৰ হাতত যদি উত্তৰ দিয়াৰ কাৰণে কাগজ পত্ৰ নাই, তেতিয়াহলে যিজন মন্ত্ৰীৰ দায়িত্বত এই কথাটো আছে তেখেতে উত্তৰ দিয়াৰ কাৰণে এই প্ৰশ্নটো পেণ্ডিং ৰাখিবনে ?

( উত্তৰ নাই )

Shri Dewan Joynal Abedin :— Mr. Speaker, Sir, may I know from the hon'ble Minister whether the

said Mohendra Chandra Paul was produced before any court of law to proof his bonafide.

Shri Keshab Chandra Gogoi (Minister) :— For the information of the hon'ble Member I would like to refer to section 9 of the Foreigner Tribunal Act wherein it is stated that when it is presumed that such and such a person is a foreign national it is not for the Govt. to prove it, it is for the persons concerned to prove.

শ্রীবীরেশ মিশ্র :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয় কি বলবেন যে এ পর্যন্ত এই সদনে এই ধৰণের যতটি কেস্ এসেছে এতে দেখা যায় যে গভীর রাত ছাড়া পুলিশ বিদেশী নাগরিকদেরে ধরতে যায় না। দিনের বেলা পুলিশ এদেরে ধরতে ভয় পায় না কি? কারণ, যতটি কেস্ এই সদনে এসেছে সবগুলিতেই দেখা যায় যে পুলিশ রাত ১২।১।২ টার সময় রেড করছে।

শ্রীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, মই সদস্য জনৰ জ্ঞাতাৰ্থে জনাওঁ যে এই বিষয়ে সদনত বহুতো বিতৰ্ক হৈ গৈছে। তাৰ উত্তৰ মুখ্যমন্ত্ৰী মহোদয়ে দিছে। তেখেতে কৈছিল যে এই বিষয়টো পৰীক্ষা কৰিবৰ কাৰণে আইন বিভাগক দিয়া হৈছে এই কথাটো কেনেকৈ শুদ্ধ কৰিব পাৰি তাৰ মতামতৰ কাৰণে। এতিয়ালৈকে আগৰ পদ্ধতিতেই চলাই থকাৰ কাৰণে অসুবিধা হৈছে। এই বিষয়ে আইন বিভাগে পৰীক্ষা কৰি মতামত দিলে তাৰ ওপৰত ব্যৱস্থা কৰা হব।

শ্ৰীশান্তি ৰঞ্জন দাসগুপ্ত :— এই বিষয়টো সম্পৰ্কে তদন্ত কৰি বিহিত ব্যৱস্থা লবনে ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :— মই আগতেই কৈছোৱেই যে তদন্ত কৰা হৈছে, যদি তদন্ত ঠিক হোৱা নাই তেনেহলে আকৌ তদন্ত কৰাম।

শ্ৰীঅজয় দত্ত :— এই ৫০ জন পুৰুষ-মহিলাক আজি ২০ দিন ধৰি আটক কৰি ৰখা হৈছে, ভাৰতবৰ্ষৰ কোন আইনৰ কোন ধাৰামতে তেওঁলোকক আটক কৰি ৰখা হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, এই ৰিপৰ্ট আমি পোৱা নাই। হ'ম চেক্ৰেটৰীক এই ৰিপৰ্ট সোনকালে দাখিল কৰিবলৈ কোৱা হৈছে, আৰু তাৰ ৰিপৰ্ট পোৱাৰ পিচত আমি এইটো দিব পাৰিম।

শ্ৰীফনী মেধী :— তামোলপুৰৰ ৰিপৰ্টতো দিবনে ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :— ৰিপৰ্ট পোৱাৰ পিচত সেইটো নিশ্চয় দিম।

শ্ৰীহেমেন দাস :— মাননীয় মন্ত্ৰী মহোদয়ে কৈছে মহেন্দ্ৰ চন্দ্ৰ পালক বাংলাদেশলৈ পঠিওৱা হৈছে। তেওঁক সঁচা কৈয়ে বাংলাদেশৰ চৰকাৰৰ হাতত গতাই থৈ আহিছেনে নে কৰবাত মাজ-ৰাতি এৰি থৈ অহা হৈছে ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :— ভাৰত চৰকাৰে বিদেশী নাগৰিক সকলক সময়ে সময়ে যিবিলাক কাগজে পত্ৰই দিয়া হৈছে সেইমতেই কৰা হৈছে। কিন্তু এইটো অনুসন্ধান হৈ আছে, পাব্লিক ইনটাৰেষ্টৰ কাৰণে সকলো কথা জনাব নোৱাৰিম।

শ্ৰীহেমেন দাস :— মাননীয় অধ্যক্ষ মহোদয়, মই সুধিছো বাংলা দেশলৈ পঠিয়াইছেনে নে ভাৰতবৰ্ষৰ মাটিত এৰি দিয়া হৈছে।

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) ঃ— বাংলা দেশৰ মানুহক ফৰিনাৰ বুলি ধৰা হৈছে। গতিকে ভাৰতবৰ্ষৰ মাটিত এৰি দিয়া প্ৰশ্নই নুঠে।

Shri Shanti Ranjan Dasgupta :— Sir, I am putting this question to the Hon'ble Minister. I have got a copy of the petition of the petitioner. The petitioner wrote, "Fortunately or unfortunately, my wife brought Rs. 150/- which the secretly offered to the police. They allowed us to go to West Bengal on condition that we should not return to Assam."

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) ঃ— এই কথাটো সত্য নহয়।

শ্ৰীহেমেন দাস ঃ— মাননীয় অধ্যক্ষ মহোদয়, বাংলা দেশলৈ পঠিয়াই দিয়া নাই অথচ বাংলা দেশলৈ পঠোৱাৰ নামত সাধাৰণ মানুহৰ ওপৰত পুলিচে অত্যাচাৰ কৰি টকা-পইচা খোৱাৰ ব্যৱস্থা কৰি আছে।

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) ঃ— মাননীয় সদস্যই কোৱা কথাবাৰ চালিজাৰি চাম আৰু এই বিষয়ে বিহিত ব্যৱস্থা লোৱা হব।

শ্ৰীহেমেন দাস ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, তেখেতে আগতে কৈছে বাংলা দেশলৈ এতিয়াও পঠিওৱা হোৱা নাই, খবৰ মতে এইটো পঠিওৱাই হোৱা নাই।

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) ঃ— আমি পোৱা তথ্য মতে বাংলা দেশলৈ পঠিওৱা হৈছে।

Mr. Speaker :— Next item Shri Khagen Barbaruah to raise a matter regarding transport.

শ্ৰীখগেন বৰবৰুৱা ঃ— মই আজি অসমৰ পৰিবহন মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি কওঁ যে আজি অসম মটৰ ট্ৰেন্সপৰ্ট এচছিয়েচনে ষ্ট্ৰাইক কৰিছে। সেই ষ্ট্ৰাইকৰ ফলত অসমৰ যান বাহন বন্ধ হৈ গৈছে। আমাৰ গুৱাহাটী নগৰতে যিবিলাক বাচ ৰখা স্থান আছে সেই স্থান সমূহত বিভিন্ন চৰকাৰী কৰ্ম্মচাৰী স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী ৰাজহুৱা অনুষ্ঠান আৰু অন্যান্য অনুষ্ঠানৰ কৰ্ম্মচাৰী লোক সকলে বাচৰ কাৰণে খাপ দি বাচ আহিব বুলি বাট চাই ভাগৰি পৰিছে। আৰু শতকৰা ৫০ ভাগেই চাকৰীত যোগদান দিব পৰা নাই। ইতিমধ্যে চৰকাৰেও ইয়াৰ এটা বিকল্প ব্যৱস্থা লোৱা নাই। অন্ততঃ পৰিবহন বিভাগৰ ফালৰ পৰা এই ক্ষেত্ৰত কিবা এটা সুবিধা কৰি দিব পাৰিলেহেঁতেন ? ইতিমধ্যে আজি দৈনিক টিবুনত এটা কথা ওলাইছে। That the proposal of marger of A.B. C. tax with token tax by surcharge of 40%, as announced by the Finance Deptt. এইটো তেখেতে দিব লাগে, এই বিষয়ে মন্ত্ৰী মহোদয়ৰ এটা ষ্টেটমেন্ট বিচাৰিছো।

* শ্ৰীজহিৰুল ইচলাম :— মাননীয় অধ্যক্ষ মহোদয়, মই দুখেৰে জনাইছো, সদৌ অসম পৰিবহন মালিক সন্থাই এটা টকেন্ট ষ্ট্ৰাইক পালন কৰি আহিছে। এই সম্বন্ধে বিধান সভাৰ মজিয়াত মাননীয় সদস্য মুকুট শৰ্মাই তেখেতৰ নটিচৰ ওপৰত আলোচনা উৎথাপন কৰিছিল। সেই সম্বন্ধে মই দুখেৰে চৰকাৰক জনাইছো, আৰু যোৱা কালি এই ষ্ট্ৰাইক যাতে কৰিব লগা নহয় তাৰ কাৰণে যোৱা কালি ১২ টাৰ পৰা ৩ টালৈ মালিক সন্থাৰ প্ৰতিনিধি লগত আলোচনা কৰিছিলো। আৰু আলোচনা কৰিছিলো তেখেত সকলৰ মতে চৰকাৰে তেখেত সকলৰ দাবী মানি লোৱা নাই।

\# Speech not corrected

তেখেত সকলৰ নাৰ্য্য দাবী ইতিমধ্যে মানি লোৱা হৈছে। এতিয়া যিবি-লাক আলোচনা হৈছিল সেইবিলাকৰ মীমাংশা কৰাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা এইটো অনুৰোধ কৰা হৈছে যে বৃহত্তৰ ৰাইজৰ কাৰণে এই প্ৰতিক ধৰ্ম্মঘট উঠাই লব লাগে। আৰু এ,পি,জি টেক্সৰ কথা তেখেত সকলক কোৱা হৈছে। আৰু সেই বিষয়লৈ দীঘলীয়া আলোচনা কৰা হৈছে। আগতে কোৱা হৈছে যে ফাইনেন্স দিপাৰ্টমেন্টে এইটো চালি জাৰি চাই এইটো নাকচ কৰিছে। মই তেতিয়া কৈছিলো যে এই ক্ষেত্ৰত সময় দিব লাগে। এই সম্বন্ধে ফাইনেন্স দিপাৰ্টমেন্টৰ লগত আলোচনা কৰিম আৰু ফাইনেন্স মিনিষ্টাৰক এইটো ৰি একজামিন কৰিবলৈ অনুৰোধ কৰিম। তেওঁলোকক মিটিঙৰ মাইনটচ চাপুাই কৰা হৈছে ৬টা বজাত। কিন্তু তাৰ পিচতো তেখেতসকলে ষ্ট্ৰাইক আৰম্ভ কৰিলে। চৰকাৰৰ ফালৰ পৰা মই দুখ প্ৰকাশ কৰিছো যে আজি চৰকাৰৰ সম্পূৰ্ণ আন্তৰিকতা থকা স্বত্তেও তেখেত সকলে এই প্ৰতিক ধৰ্ম্মঘট কৰিলে। যাৰ ফলত অসমৰ ৰাইজে অত্যন্ত অসুবিধা ভোগ কৰিছে। মাননীয় সদস্য বৰবৰা ডাঙৰী-য়াইয়ো উল্লেখ কৰিছে যে চৰকাৰী বিষয়া সকলৰ বিশেষ অসুবিধা হৈছে। সেয়েহে মই দুখ প্ৰকাশ কৰিছো।

শ্ৰীফনী মেধী :— বে-চৰকাৰী মালিক সন্থাৰ যি দাবী আছিল সেইবিলাক স্বত্ব চৰকাৰে মানি লোৱা কথা আছে।

শ্ৰীজহিৰুল ইচলাম :— এইটো পইন্ট আছিল, পৰিবহন সন্থাই চৰকাৰক বৰকৈ আমনি কৰিছে।

* শ্ৰীদেৱান জয়নাল আবেদিন :— মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে আজি এই সদনত এটা অত্যন্ত গুৰুতৰ আৰু মৰ্ম্মান্তিক বিষয় উত্থাপন কৰিব খুজিছো। আজি কিছুদিনৰ পৰা

* Speech not corrected

গোৱালপাৰা, দক্ষিণ গোৱালপাৰা, মানকাছাৰ আৰু দক্ষিণ শালমৰা অঞ্চলত বি, এচ, এফ আৰু পুলিচৰ অত্যাচাৰত জনসাধাৰণ অতীষ্ঠ হৈ উঠিছে আৰু এই সম্পৰ্কে যথাসময়ত চৰকাৰ আৰু কৰ্তৃপক্ষৰ দৃষ্টি গোচৰ কৰি অহা হৈছে। কিন্তু বি, এচ, এফৰ অত্যাচাৰৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ বৰ বেচি কৰণীয় নাই বুলি জনোৱা হৈছিল। কিন্তু যোৱা কালি ট্ৰাংক কল যোগে ৰাতৰি পোৱা হৈছে যে দক্ষিণ শালমৰাৰ অন্তৰ্গত পটাকাটা হাতত যোৱা পৰহি দুখীয়া ৰাইজৰ ওপৰত পুলিচে গুলিচালনা কৰে আৰু তাৰ ফলত ১ জন লোকৰ ঘটনা স্থলিতে মৃত্যু হয় আৰু আন এজন গুৰুতৰ ভাবে আহত হয়। এই অৱস্থাৰ ফলত সেই অঞ্চলৰ ৰাইজৰ মাজত এটা বিক্ষোভৰ সৃষ্টি হৈছে। ইয়াৰ আগতে আজি 4 দিন আগতে মানকাচাৰত যিটো ঘটনা হৈছিল তাত এজন মানুহক হত্যা কৰা হৈছে আৰু ২ জন মানুহ আহত হয়। এই বিলাকৰ বাহিৰেও আৰু কিছুমান সৰু, সৰু ঘটনা ঘটি আছে। সেই বিলাক মই বহলাই ব্যাখ্যা কৰিবলৈ নাযাওঁ। কিন্তু এই ক্ষেত্ৰত পুলিচ আৰু বি, এচ, এফৰ যি অত্যাচাৰ তাত চলি আছে তাৰ কাৰণে স্থানীয় ৰাইজ অতীষ্ঠ হৈ পৰিছে। অধ্যক্ষ মহোদয়, মই এইখিনিতে চৰকাৰক এটা কথা দৃষ্টিগোচৰ কৰিবলৈ বিচাৰিছো যে এই ক্ষেত্ৰত আমাক অকল বিবৃতি দিলেই নহব আমাক এটা কথা চৰকাৰে স্পষ্টভাৱে জনাব লাগে যে ইয়াৰ পৰা এইঁ পুলিচ আৰু বি, এ, এফৰ চকীবিলাক উঠাই দিয়া হব নে নহব? এই বিষয়ে চৰকাৰ পক্ষৰ পৰা এটা অতি জৰুৰী তদন্ত কৰি দুখীয়া মানুহবিলাকৰ আস্থা ঘুৰাই অনাৰ কাৰণে যিসকল পুলিচ বিষয়া এই ক্ষেত্ৰত দায়ী তেওঁলোকৰ ওপৰত যথোপযুক্ত ব্যৱস্থা লোৱাৰ দিহা কৰিব লাগে আৰু ক্ষতিগ্ৰস্ত পৰিয়ালৰ লোক সকলক সাহায্য দিয়াৰ ব্যৱস্থা কৰিব লাগে। মই চৰকাৰক এইটো অনুৰোধ জনাও যাতে ভৱিষ্যতে সেই অঞ্চলত আৰু তেনেকুৱা ঘটনা নঘটে তাৰ এটা ব্যৱস্থা কৰি চৰকাৰে সদনক জনাব লাগে।

শ্ৰীকেশৱ গগৈ — মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে এটা কথা কব লগা আছে যে পটাকাটা হাতত ১ জন মানুহৰ মৃত্যু হৈছে আৰু এজন মানুহ গুৰুতৰ ভাবে জখম হৈছে। এইকথা অনুসন্ধান কৰি আমি ৰিপোৰ্ট বিচাৰিছো আৰু সেই ৰিপোৰ্ট আহি পালেই সদনৰ মজিয়াত দাখিল কৰিম।

শ্ৰীহেমেন দাস :— মাননীয় অধ্যক্ষ মহোদয়, যিহেতু এই বিষয়টোৱে আজি কিছুদিনৰ পৰা গুৰুত্ব আৰোপ কৰিছে কাৰণ ইতিমধ্যে সেই অঞ্চলত ইয়াৰ আগতেও গুলিয়া গুলি হৈছে। এই ঘটনাই কিছুদিন পিচত অন্য বেলেগ ৰূপ লব পাৰে কিয়নো ঘটনাটো হৈছে সংখ্যালঘুৰ ওপৰত পুলি-চৰ অত্যাচাৰ। এই ঘটনা যাতে পুনৰ হব নোৱাৰে তাৰ কাৰণে এটা উচ্চ পৰ্য্যায়ৰ তদন্ত কৰাৰ ব্যৱস্থা চৰকাৰে কৰিব নে ?

শ্ৰীকেশৱ গগৈ :— এই বিষয়ে আমি ৰিপোৰ্ট বিচাৰিছো। ইয়াৰ ৰিপোৰ্ট আহি পালেই সদনৰ মজিয়াত দাখিল কৰা হব।

শ্ৰীছামচুল হুদা :— মাননীয় অধ্যক্ষ মহোদয়, এই বিধান সভা চলি থকা অৱস্থাতেই যোৱা ১৯ তাৰিখে মোৰ সমষ্টিৰ গৰীয়া কাৰৈমাৰী গাওঁত মঃ ছাবেদ আলি সহ ৮টা পৰিয়ালৰ ঘৰত জুই লগাৰ ফলত কেবা লাখ টকাৰ সা-সম্পত্তি আৰু ঘৰ-দুৱাৰ ভষ্মিভূত হৈ যায় আৰু তাত মোছামত মোজিদা খাতুন নামৰ এজনী ৩ বছৰ ৯ মহীয়া ছোৱালী জুইত পৰি মৃত্যু হয়। সেই অঞ্চলৰে বেচোমাৰী গাওঁৰ মঃ আফজল খাঁ আৰু আন এখন গাওঁ জামুগুৰীত মঃ আফতাৰউদ্দিন নামৰ মানুহ কেইজনৰো ঘৰ জুয়ে ভষ্মিভূত কৰে। এই আটাইকেইটা ঘটনাৰ ক্ষেত্ৰত চৰকাৰে যি ধৰণে সাহায্য আগ বঢ়াব লাগিছিল সেই সাহায্য এতিয়ালৈকে আগবঢ়োৱা হোৱা নাই। এই মানুহ বিলাকৰ ঘৰ-দুৱাৰ পুনৰ নিৰ্ম্মানৰ কাৰণে যি সাহায্যৰ প্ৰয়োজন সেই সাহায্যও দিয়া হোৱা নাই। এই ক্ষেত্ৰত মই চৰকাৰৰ দৃষ্টি

আকর্ষণ কৰিব বিচাৰিছো যে যদিও চৰকাৰৰ তৰফৰ পৰা ক্ষতিগ্রস্ত পৰিয়ালক তিনি শ কৈ টকা সাহায্য দিয়াৰ নিয়ম আছে সেইটো একেবাৰে নগন্য আৰু তাৰ বাবে মই চৰকাৰক অনুৰোধ কৰিছো য'তে এই ক্ষতিগ্রস্ত লোকসকলক অতি কমেও এহাজাৰকৈ টকা পুনৰ সংস্থাপন সাহায্য হিচাবে আগ বঢ়াই।

শ্রীলক্ষ্মেশ্বৰ গোহাঁই :— এই সম্পর্কে অনুসন্ধান কৰি অতি সোনকালে যি সাহায্য দিব লাগে সেইটো দিয়াৰ ব্যৱস্থা কৰিম বুলি ভবা হৈছে।

শ্রীদীপক ভট্টাচার্য্য :— অধ্যক্ষ মহোদয়, আমি এক গুরূত্বপূর্ণ বিষয় এই সদনে উত্থাপন করছি। গত ২৪ মার্চ তারিখ ভোর বেলা হাইলাকান্দি শহরে বিধ্বংসী এক অগ্নি কাণ্ডের ফলে সেণ্ট্রাল রোড এলাকায় কয়েকটি দোকান পুড়ে ছাই হয়ে গিয়েছে। আমি ব্যক্তিগত ভাবে জানি যে বেকার যুবকরা অতি কষ্টে দোকান গুলি চালু করেছিল। এবং এই অগ্নিকাণ্ডের ফলে তাদের ব্যবসা সম্পূর্ণভাবে বন্ধ হয়ে গিয়েছে। সুতরাং আমি গভর্ণমেণ্টের কাছে আবেদন করছি যে অতি সত্বর যেন এই ক্ষতিগ্রস্ত যুবকদের সাহায্য দেবার ব্যবস্থা করণ।

মাননীয় অধ্যক্ষ :— শর্ট করুন।

শ্রীদীপক ভট্টাচার্য্য :— শর্ট করেই বলছি। যেসব ব্যবসায়ীদের দোকান পুড়ে যাওয়ার ফলে তাদের বিকল্প কোন কর্ম সংস্থান নাই এবং সরকারী সাহায্য ছাড়া তারা ব্যবসা করতে পারবে না। এর আগে হাইলাকান্দি কালীবাড়ীর কাছে অগ্নিকাণ্ডে ক্ষতিগ্রস্ত লোকেরা ঋণের জন্য আবেদন করা সত্বেও, এবং এস, ডি, ও বার বার রিমেইনডার দেওয়া সত্বেও দিশপুরের জগদল পাথর গলাতে পারেন নি। সেই জন্য

আমি তাদেরকে যাতে ঋণের টাকা দেওয়া হয় তার জন্য অনুরোধ করছি।

শ্ৰীইব্ৰাহীম আলি :— মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৮-৩-৭৯ তাৰিখে বৰপেটা মহকুমাৰ দক্ষিণ পশ্চিম অঞ্চলত গোৱালপাৰাৰ সংলগ্ন পাহাৰত কেজাইকটা গাওঁত (মৌজা-থানা-বাঘবৰ) জুই লাগি ১৪টা পৰিয়ালৰ সম্পূৰ্ণভাবে সা-সম্পত্তি নষ্ট হৈছে। এই পৰিয়াল কেইটাৰ পুনৰ সংস্থাপনৰ কাৰণে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই সাহায্য আৰু খেতি-বাতিৰ কাৰণে তেওঁলোকক সামগ্ৰীক সহায় আগবঢ়াব বুলি অনুৰোধ জনালো।

শ্রীবীরেশ মিশ্র :— অধ্যক্ষ মহোদয়, গত ২৮-৩-৭৯ তারিখ নগাওঁ শহরের তেলি পট্টিতে এক অগ্নি কাণ্ডের ফলে ১৩টি পরিবারের ঘর বাড়ী ধ্বংস হয়েছে এবং প্রায় ৮৮ হাজার টাকার সম্পতির ক্ষতি হয়েছে। এই ক্ষেত্রে প্রাথমিক রিলিফ হিসাবে ৯টি পরিবারকে মাত্র ১০০ টাকা করে সরকারী সাহায্য দেওয়া হয়েছে। কিন্তু আমার কাছে যে লিষ্ট রয়েছে তাতে দেখা যায় যে নং ১০, ১১, ১২, ১৩ এই চার জনকে কোন টাকাই দেওয়া হয় নি। তারা ডি সির কাছে গেলে ডি সি বলেছেন যে তাদের তহবিলে টাকা নাই। এর আগে অগ্নিকাণ্ডে ক্ষতিগ্রস্ত লোকদেরকে ৩০০ টাকা করে সাহায্য দেওয়া হয়েছিল। ঠিক সেইভাবে এই লোকদেরেও যাতে সাহায্য দেওয়া হয় তার জন্য আমি মন্ত্রী মহোদয়কে অনুরোধ করছি। এবং যে লোকদেরে বঞ্চিত করা হয়েছে তাদেরকেও যেন এই সাহায্য দেবার ব্যবস্থা করেণ। এই সঙ্গে আমি ১৩টি পরিবারের লিষ্ট যাদের ঘর বাড়ী জ্বলেছে (তাদের মধ্যে কেউ কেউ সাহায্য পেয়েছেন এবং কেউ কেউ সাহায্য পায় নাই) মাননীয় মন্ত্রী মহোদয়ের কাছে দাখিল করছি।

শ্ৰীলক্ষেশ্বৰ গোহাই :— অধক্ষ্য মহোদয়, এই সম্পৰ্কে মই অনুসন্ধান চলাই আবশ্যকীয় সাহায্য আগ বঢ়াম। আৰু তেওঁলোকৰ পৰা

ঋণৰ কাৰণে যদি আবেদন কৰে সোনকালে দিয়াৰ বাবে চেষ্টা চলাম।

শ্ৰীমুকুট শৰ্ম্মা :— অধ্যক্ষ মহোদয়, সদৌ অসম চৰকাৰী ড্ৰাইভাৰ সন্থাই তেওঁলোকৰ ১২ দফীয়া দাবীৰ ভিত্তিত আজি দ্বিতীয় পৰ্য্যায়ত আন্দোলন আৰম্ভ কৰিছে। তেওঁলোকে আজি বিধান সভাৰ সন্মুখত গণ অৱস্থান ধৰ্ম্মঘট আৰম্ভ কৰিছে। এই ক্ষেত্ৰত মই চৰকাৰক অনুৰোধ জনাও যে আলোচনা বিলোচনাৰ মাজেৰে তেওঁলোকৰ দাবী মানি লৈ, এই সন্থা যাতে আন্দোলন মুখী হব নোৱাৰে তাৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰি এটা বিবৃত্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

শ্ৰীকেশ্বৰ গগৈ :— অধ্যক্ষ মহোদয়, চৰকাৰৰ ফালৰ পৰা আমি নিশ্চয় মাননীয় সদস্য গৰাকীয়ে দিয়া পৰামৰ্শ বিবেচনা কৰি তেওঁলোকৰ লগত আলাপ আলোচনা কৰিম। তেওঁলোকৰ দাবী পূৰণ কৰিব পৰা যাতে হয় তাৰ চেষ্টা কৰিব লাগিব আৰু এই সদনত এটা বিবৃতি দিয়া হব।

শ্ৰীনুৰুল হুদা :— মাননীয় অধ্যক্ষ মহোদয়, সদৌ অসম প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকরা দাবী-দওয়া সম্পর্কে তাদের কয়েকজন সদস্য আমরণ ধৰ্ম্ম-ঘট করে চলেছেন। আমি জিজ্ঞাসা করছি, এই ট্রেনড শিক্ষকদের দাবী-দাওয়াগুলি সম্পর্কে শিক্ষামন্ত্রী এবং সরকার উপযুক্ত ব্যবস্থা নিবেন কি না? আমি জনতা সরকারের কাছে আবেদন করছি এবং শিক্ষামন্ত্রীর কাছ থেকে বিবৃতি আশা করছি।

শ্ৰীগিয়াছুদ্দিন আহমেদ :— মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে মাননীয় মন্ত্ৰী মহোদয়ে স্পষ্টিকৰণ দিব নেকি যে, এই প্ৰশিক্ষণ প্ৰাপ্ত নিবনুৱা যুবক সকলে ইয়াৰ আগতে বহুবাৰ চৰকাৰৰ লগত যোগাযোগ কৰিছিল। আৰু চৰকাৰে প্ৰতিশ্ৰুতি দিছিল তেওঁলোকক নিয়োগ কৰা হব? কিয় ইমান দিনে একো কৰা হোৱা নাই? এই পৰিপেক্ষিতত

তেওঁলোকে অনশন কৰিব লগা হল। চৰকাৰে এতিয়া কি ব্যৱস্থা লব জনাব নে?

শ্ৰীএ, এন, আক্ৰাম হুচেইন :— অধ্যক্ষ মহোদয়, মোৰ অলপ কব-লগীয়া আছে। তেওঁলোকে ১৪ দফীয়া অনুসাৰে দাবী কৰিছে। প্ৰধান দাবী হ'ল এইটো, যিবিলাক প্ৰশিক্ষণ প্ৰাপ্ত নিবনুৱা আছে, ২ হাজাৰ খন স্কুল চৰকাৰে গ্ৰহণ কৰি ১৮শ শিক্ষকক নিয়োগ কৰিব লাগে। এইটো দাবী পূৰণ কৰিব লাগে।

শ্ৰীৰমনী বৰ্ম্মন :— অধ্যক্ষ মহোদয়, এইটো এটা গভীৰ সমস্যা বুলি গম পায়েই আমি এই সম্পৰ্কে যোৱা গোটেই বছৰ প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ সমস্যাৰ ভিত্তিত বিভিন্ন সময়ত আলোচনা কৰিছিলো। উদাহৰণ স্বৰূপে ইয়াৰ আগতে ১১ ফেব্ৰুৱাৰীতে তেওঁলোকে অনশন কৰিছিল। আৰু তেওঁলোকে অনশন কৰি থকা অৱস্থাতে তেওঁলোকৰ লগত আলো-চনা কৰি আশ্বাস দিয়াৰ পাচত অনশন ভঙ্গ কৰে। আৰু আন্দোলনৰ পাচত যোৱা ২৬ মাৰ্চ তাৰিখে তেওঁলোকক আহ্বান কৰিছিলো আৰু আমাৰ আহ্বান মতে তেওঁলোকে আহি আলোচনা কৰে। আৰু আলোচনা চলি থকা অৱস্থাতে স্পষ্টভাৱে কোৱা হল যে নতুন ডেপুটেচন ভেকেনচিত নতুন পোষ্ট লোৱা হব আৰু প্ৰশিক্ষণ প্ৰাপ্ত লোক সকলক অগ্ৰাধিকাৰ দিয়া হব। মাননীয় সদস্য সকলে জানে, কাৰণ তেওঁলোক বিভিন্ন চাব-ডিভিজনেল এলিমেণ্টেৰী এডুকেচন বোৰ্ড সমূহৰ সদস্য। এই ক্ষেত্ৰত ডি, আই, সকলক নিৰ্দ্দেশ দিয়া হৈছে, নতুন পোষ্ট ওলালে এই লোক সকলক নিয়োগৰ ব্যৱস্থা কৰা হব। কিন্তু তাৰ পাচতো যদি তেওঁলোকে ব্যৱস্থা নকৰে তেতিয়া হলে তেওঁলোকৰ ওপৰতে ব্যৱস্থা লোৱা হব। কিন্তু ইয়াৰ পাচতো কেতিয়াবা কেতিয়াবা বিভিন্ন সমস্যা লৈ সদস্য সকলে দৰ্খাস্ত লৈ আহে। কিছুমান ক্ষেত্ৰত এনেকুৱা ব্যৱস্থা আছেঁ লব লগা

হয়। ১৮ শ প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকক নিয়োগৰ অগ্ৰাধিকাৰ দিয়া হব যোৱা ১৬ মাৰ্চ্চ তাৰিখে কোৱাৰ পাচতো আজি আকৌ আমৰণ অনশন কৰা কাৰণে সচাকৈ দুখিত হৈছো। ২৫ এপ্ৰিল তাৰিখে আকৌ পূণৰ আহ্বান কৰিছিলো আলোচনা কৰাৰ কাৰণে, লিখিত ভাবে তেওঁলোকে লৈ গৈছে। তেওঁলোকৰ অনশন কৰা বাতৰিটো পূণৰ আজিৰ খবৰ কাগজত পালো, অনশন কৰি বহি আছে। গতিকে মই সকলো সদস্য-কেই আহ্বান কৰো যে, তেওঁলোকৰ সকলোৰে লগত বুজা বুজি কৰিব লাগে।

শ্ৰীনূৰুল হুদা :— মাননীয় মন্ত্ৰী মহোদয়কে একটি কথা বলছি যে, এই শিক্ষিত শিক্ষকদের নিযুক্তির ব্যাপারে আমরা ডি আইকেও অনুরোধ করেছি এবং এই এডভাইসরি কমিটির সদস্য আমিও। আমাদের শিলচরের ক্ষেত্রে একই অবস্থা। শিক্ষামন্ত্রী আমাদের প্রতিশ্রুতি দিয়েছিলেন, কিন্তু তাহা না হওয়ার কারণ কি? সেইজন্যে আমি জিজ্ঞাসা করছি, মন্ত্রী মহোদয় সেই বিষয়ে আমাদের কোন আশ্বাস দিতে পারবেন কি না?

* শ্ৰীখগেন বৰবৰুৱা :— অধ্যক্ষ মহোদয়, মই চাব ডিভিজনেল এলিমেণ্টেৰী এডুকেচন বোৰ্ডৰ চিয়াৰমেন হিচাবে দুআষাৰ কব খুজিছো। আমাৰ এই স্কুল বিলাকত খালী পদ নাই আৰু তাৰ কাৰণে নিযুক্তি দিব পৰা নহয়। মাত্ৰ দুখন স্কুলৰ দুজন মানুহৰ মৃত্যু হোৱাৰ বাবে সেই দুটা পদ খালী হৈছে। ইয়াৰ বাহিৰে ২৬৮ খন স্কুল এজনীয়া শিক্ষকেৰে চলি আছে। যদি সেই কেইখন স্কুল ২ জনীয়া শিক্ষকৰ কৰা হয় তেনেহলে তাত আৰু ২৬৮ টা পদ খালী হব। তাৰ লগতে আৰু

* Speech not corrected

১১৩ খন ভেন্সাৰ স্কুল আছে কিন্তু সেইবোৰ যদিও লোৱা হয় তেনেহলে তাত কাম কৰি থকা ১১৩ জন ফাউন্দাৰ শিক্ষকক নিযুক্তি দিব লাগিব আৰু যদি সেই কেইখন স্কুল ২ জনীয়া শিক্ষকৰ কৰা হয় তেনেহলে তাতো ১১৩ টা পদ ওলাব। গতিকে এই আটাইখিনি মিলাই ৫শ মান পদ খালী হোৱাৰ আশা কৰিব পাৰি। এই ক্ষেত্ৰত প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক সকলে দাবী কৰিছে যে তেওঁলোকৰ নিযুক্তিৰ কাৰণে নতুন পোষ্ট ক্ৰিয়েট কৰিব লাগে কিয়নো চৰকাৰে যি ২ হাজাৰ শিক্ষকৰ পদ তৈয়াৰ কৰাৰ ঘোষণা কৰিছে তাৰ দ্বাৰা যে তেওঁলোকৰ সমস্যা সমাধান নহয় সেইটো অনুমান কৰিব পাৰি। গতিকে এই প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক সকলৰ কাৰণে নতুন পোষ্ট তৈয়াৰ কৰিব লাগে নহলে তেওঁলোকৰ এই সমস্যা সমাধান হোৱাতো সম্ভৱ নহয়।

শ্ৰীলক্ষ্যধৰ চৌধুৰী :— অধ্যক্ষ মহোদয়, এই অনশন কৰা শিক্ষক সকলৰ প্ৰতি আমাৰ সহানুভূতি আছে আৰু ইয়াৰ আগতেও আমাৰ ৰাজ্যিক মন্ত্ৰী শ্ৰীবৰ্ম্মণ ডাঙৰীয়াই কোৱা কথাখিনি মাননীয় সদস্য সকলক বিবেচনা কৰি চাবলৈ দিয়া হৈছে। এতিয়া কথা হল এই পৰ্য্যায়ৰ শিক্ষক সকলে ডেপুটেশ্যন ভেকেন্সিৰ পোষ্ট লব নোখোজে। কিন্তু কিছুমানে লৈছে। মোৰ বোধেৰে এতিয়া ১৮ শ শিক্ষক নিযুক্তি নোহোৱাকৈ থকা নাই। এতিয়া আমি যি ২ হাজাৰ নতুন শিক্ষকৰ পদ তৈয়াৰ কৰিব বিচাৰিছো তাৰ ভিতৰত এই শিক্ষক সকলক অগ্ৰাধিকাৰ দিয়া হব বুলি কোৱা হৈছে। মই ভাবো এই ২ হাজাৰ শিক্ষকৰ পদেৰে এই বছৰৰ ভিতৰত ডেপুটেশ্যন ভেকেন্সিৰ লগতে এই আটাইখিনি শিক্ষকক নিয়োগ কৰিব পৰা হব। এই ক্ষেত্ৰত যোৱা কালিও প্ৰশ্ন হৈছিল আৰু সেই ক্ষেত্ৰত আমি কৈছিলো যে আমাৰ আগৰ চৰকাৰে এটা ব্যৱস্থা কৰি থৈ গৈছিল যে জনসংখ্যা আৰু ছাত্ৰসংখ্যা অনুসৰি আমাৰ আৰু স্কুলৰ প্ৰয়োজন নাই বা শিক্ষকৰো প্ৰয়োজন নাই। কিন্তু মই ভাবো যে আগৰ চৰকাৰৰ সেই নীতি

ভঙ্গ কৰিব পৰা হব আৰু আমাৰ ভৌগলিক অৱস্থানৈ লক্ষ্য ৰাখি হয়তো আৰু ১ হাজাৰ শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগিব। সেই ফালৰ পৰা চাবলৈ গলে এই শিক্ষক সকলে যি আমৰণ অনশনত ব্ৰতী হৈছে সেইটো প্ৰি-মেচিঅৰ হোৱা যেন অনুমান হয়। এই ক্ষেত্ৰত মই তেওঁলোকক কৈছিলো যে ৩১ মাৰ্চৰ ভিতৰত তেওঁলোকক নিযুক্তি দিব পৰা নহব কিন্তু ৩১ মাৰ্চৰ পিচত নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হব। যোৱা সাহিত্য সভাৰ সময়ত তেওঁলোকে ধৰ্ম্মঘট কৰিছিল আৰু মই সাহিত্য সভাৰ পৰা আহি বাহিৰে বাহিৰে তেওঁলোকক সাক্ষাত কৰিছিলো আৰু এই বিষয়ে তেওঁলোকক জনোৱা হৈছিল আৰু এপ্ৰিল মাহলৈকে তেওঁলোকক বাট চাবলৈ কোৱা হৈছিল। এই ক্ষেত্ৰত মই মাননীয় সদস্য সকলক অনুৰোধ কৰিছো যাতে তেওঁলোকে আপোনালোকৰ দিহা আৰু পৰামৰ্শমতে এই অনশন ত্যাগ কৰিব। আমি ইতিমধ্যে ২ হাজাৰ শিক্ষক নিযুক্তি দিয়াৰ ওপৰিও আৰু ৬ হাজাৰ শিক্ষকৰ পদ তৈয়াৰ কৰাৰ ব্যৱস্থা কৰিছো তথাপিতো শিক্ষক সকলে এই কথাৰ প্ৰতি সহাৰি দিয়া নাই। ইতিমধ্যে আমাৰ যিবিলাক ভেঞ্চাৰ স্কুল আছে। কিন্তু তাত যিসকল শিক্ষকে ইতিমধ্যে কাম কৰি আছে তেওঁলোককো তাৰ পৰা আতৰ কৰিব পৰা হব। গতিকে তেওঁলোকক তাৰ পৰা আতৰ কৰি এই প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ নিযুক্তি দিব পৰা নহয়। ইয়াৰ বাহিৰেও বিভিন্ন কাৰিকৰি বিষয়ত শিক্ষা লৈ থকা আমাৰ বহুতো মানুহ নিবনুৱা হৈ আছে। তেওঁলোককো নিযুক্তি দিয়াৰ কাৰণে আমি চেষ্টা কৰিব লাগিব। এই মানুহখিনিকো সোনকালে নিযুক্তি দিয়াৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। গতিকে মই দুখেৰে সৈতে জনাব লগা হৈছে যে তেওঁলোকৰ এই অনশন ধৰ্ম্মঘট অন্যায় ভাবে কৰা হৈছে আৰু তেখেত সকলে এই আটাইবিলাক কথা ভালদৰে চিন্তা কৰি চালে ভাল হয়।

Shri Binoy Kumar Basumatari :— Sir, the number

of trained teachers, who are without job, is supposed to be 1800. But there are some sub-divisions and Districts where such teachers are not there, as for instance, in my Sub-division of Mongaldoi, the number of trained teachers are only 14. Now as a result of this assurance jobs will be available for them. So will the Government impose these Trained techers on other sub-divisions where such teachers are not available? Will the Govt. assure us that local qualified candidats will be given preference?

শ্ৰীলক্ষ্যধৰ চৌধুৰী :— এনেকুৱা নহব লাগে কাৰণ বৰপেটা আৰু নগাওঁৰ বাহিৰে বাকী ঠাইত প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক বেছি নাই।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— অধ্যক্ষ মহোদয়, দুই হেজাৰ শিক্ষকৰ কাহিনী আমি যোৱা এক বছৰ ধৰি শুনি আহিছো আৰু বহুতো আশ্বাস পাইছো। কিন্তু বৰ পৰিতাপৰ কথা এই জনতা মন্ত্ৰীসভা আজি এক বছৰ কাল হৈ গল এই এক বছৰৰ ভিতৰত একজনো শিক্ষক নিয়োগ কৰিব পৰা নাই আৰু এখন ভেনচাৰ স্কুল লোৱা নাই। আজি আকৌ কৈছে ছয় হেজাৰ শিক্ষকৰ কথা দুহেজাৰৰ ঠাইত ছয় হেজাৰ হব তিনি বছৰৰ ভিতৰত দুই হেজাৰ এই বছৰৰ ভিতৰতেই হব কিন্তু কিমান দিনৰ ভিতৰত হব, কিমান মাহৰ ভিতৰত হব এইটো স্পষ্ট ভাবে ডেটলাইন দিবনে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী :— ডেট লাইন নিজৰ জীৱনৰ বেলিকাই কব নোৱাৰি। সেই কাৰণে মই এই বছৰৰ ভিতৰতে হব বুলি কৈছো।

মাননীয় অধ্যক্ষ :— বৰপেটা মহকুমাৰ বিষয়েও এই সংক্ৰান্তত

বৰপেটাৰ মাননীয় সদস্যজনে কিছু কথা উত্থাপন কৰিব বিচাৰিছিল বোধ-কৰো সেইখিনিও কভাৰ হৈ গৈছে।

শ্ৰীচিৰাজুল হক :— নাই হোৱা ছাৰ, বৰপেটাত ৫০ জন বেচিক আৰু নৰ্ম্মাল প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক আছে সেই সকলক মজলীয়া আৰু প্ৰাথমিক স্কুলত নিয়োগ কৰাৰ কথা আছিল। ১৯৭৫ চনৰ পৰাই তেওঁ-লোকে নিবনুৱা হৈ আছে আৰু বহুতৰে বয়সৰ ম্যাদ পাৰ হৈ যাব লগীয়া হৈছে। যোৱা বছৰ কংগ্ৰেছ চৰকাৰ বিদায় লোৱাৰ সময়ত বিদায়ৰ ঠিক আগ-মূহুৰ্ত্তত তেওঁলোকে অনশন কৰিছিল আৰু তেতিয়া ৩১ মাৰ্চ্চৰ ভিতৰত তেওঁলোকক চাকৰিত মকৰল কৰা হব বুলি আশ্বাস দি তেওঁলোকক অনশন পৰিহাৰ কৰিবলৈ কোৱা হৈছিল সেই কথা মানি লৈ তেওঁলোকে অনশন পৰিত্যাগ কৰিছিল। কিন্তু সেই চৰকাৰে তেওঁ-লোকৰ প্ৰতিশ্ৰুতি ৰক্ষা নকৰিলে আৰু এইটো চৰকাৰেও আজি এবছৰ পৰ্য্যন্ত তেওঁলোকক কোনো ৰকমেই নিয়োগ কৰাৰ ব্যৱস্থা কৰা নাই। ইতিমধ্যে বিভিন্ন মহকুমাকে ধৰি সমগ্ৰ অসমত এতিয়ালৈকে দুই হেজাৰ প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক নিবনুৱা হৈ আছে। ঠিক তেনেকৈ মহকুমা ভিত্তিত যদি সমানে বিতৰণ কৰা হয় তেতিয়াহলে বৰপেটাত যি ৩৫০ জন আছে তেওঁলোকক সকলোখিনিকে নিয়োগ কৰাটো কোনোমতেই সম্ভৱপৰ নহয়। আনফালে বহুতৰে বয়সৰ ম্যাদ পাৰ হৈ গৈ আছে সেই কাৰণে মই কব বিচাৰিছো যে তেওঁলোকক নিয়োগ নকৰাৰ কাৰণে তেওঁলোকে আকৌ ধৰ্ম্মঘট কৰিছে আমৰণ ধৰ্ম্মঘট। যোৱা কালিৰ পৰাই এই ধৰ্ম্মঘট চলি আছে। সেই কাৰণে মই শিক্ষা বিভাগৰ পৰা স্পষ্টভাবে জানিব বিচাৰিছো যে এই ৩৫০ জন প্ৰশিক্ষণ প্ৰাপ্ত লোকক নিযুক্তি দিয়া হব নে নহয়?

শ্ৰীলক্ষ্যধৰ চৌধুৰী :— আমি বিভিন্ন মহকুমা বা বৰপেটা, নগাওঁ, তেজপুৰ, যোৰহাট হিচাবে বিবেচনা কৰা নাই। শিক্ষক সকলৰ ইতিমধ্যে বহুতকে ডেপুটেচন ভেকেনচীত নিয়োগ কৰিছো কিন্তু পাৰমেনেণ্ট পোষ্ট

লৈ অলপ অসুবিধা হৈছে। বৰপেটা এটা ডাঙৰ মহকুমা। পাহাৰ অঞ্চলৈ যাব বিচাৰিলে দিব পৰা যাব কিন্তু ঘৰতে থাকিবলৈ বিচাৰিলে অসুবিধা হব পাহাৰে পৰ্ব্বতে যাবলৈ বিচাৰিলে সকলোকে সোমোৱাব পৰা যাব। এইটো কথা প্ৰতিশ্ৰুতি দিয়াৰ বাহিৰে অন্য প্ৰতিশ্ৰুতি দিয়াৰ কোনো থল নাই।

শ্ৰীজগত পাটগিৰি ঃ— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা কুটামান স্পষ্টিকৰণ বিচাৰিছো যে প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক সকলক যিটো গ্ৰেডত নিযুক্তি দিব লাগিছিল সেইমতে হোৱা নাই। এই ক্ষেত্ৰত যিটো নিযুক্তি পলিচি আছে সেইটো মহকুমাৰ চেয়াৰমেনে মনা নাই। যাৰ ফলত কেইটামান কেনডিডেট সমগ্ৰ অসমতে থাকি গল। চিলেকচন কমিটিয়ে মহকুমা ভিত্তিত পুনৰ নিযুক্তি দিয়াৰ ক্ষেত্ৰত বহুতো খেলিমেলি লগাইছে তাৰ কাৰণে নিযুক্তি দিব পৰা নাই।

দুই নং কথা হল বহুতো লোকে গুৱাহাটীলৈ আহি মন্ত্ৰী মহোদয়ক লগ ধৰি নিযুক্তি লৈ যায় বা ডি, পি, আই অফিচৰ পৰা নিযুক্তি লৈ যায়। তাৰ ফলত আমাৰ মহকুমা বিলাকত যিবিলাক ভেকেনচী থাকে সেই বিলাক বিভিন্ন ঠাইৰ মানুহৰ দ্বাৰা পূৰণ কৰাত স্থানীয় লোক বাদ পৰি যায়। এইটো কেনেকৈ প্ৰটেকচন দিব? ডিৰেক্টৰে যদি বাহিৰৰ পৰা তাত মানুহ দিয়ে তেতিয়াহলে আমাৰ কি লাভ হব?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ঃ— অধ্যক্ষ মহোদয়, আমাৰ ওচৰলৈ কিছুমান আবেদন আহে। সেই বিলাক আমি সাধাৰণতে এলিমেণ্টৰী এডুকেচন অফিচলৈ পঠাই দিওঁ বিশেষকৈ চেয়াৰমেনৰ লগত আলোচনা কৰিবৰ কাৰণে। আমাৰ ফালৰ পৰা পোন পটীয়াকৈ নিযুক্তি দিয়া নহয় কেৱল বিবেচনা কৰিবৰ কাৰণেহে পঠাই দিয়া হয়।

শ্ৰীৰবীন্দ্ৰ মালাকাৰ ঃ— মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে এক্ৰনীয়া শিক্ষকৰ ঠাইত তুজন শিক্ষক লব। কিন্তু এনেকুৱা কিছুমান স্কুল আছে য'ত ৫শ লৰা-ছোৱালী আছে তাত মাত্ৰ ৩-৪ জনহে শিক্ষক আছে। গতিকে সেইটো হিচাব কৰি যদি শিক্ষক নিযুক্তি দিয়া নহয় তেতিয়াহলে ডাঙৰ স্কুল বিলাকত সমস্যা বেঁছিহে হব এই বিষয়ে চৰকাৰে কি সিদ্ধান্ত লৈছে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ঃ— এইটো বিবেচনা কৰা হৈছে। মই নিজে দেখিছো যে পশ্চিম গোৱালপাৰাত ৯ জন লৰা-ছোৱালীৰ মাজত তিনিজন শিক্ষক আছে আৰু ডিব্ৰুগড়ত দেখিছো ১ হেজাৰ লৰা-ছোৱালীৰ ভিতৰত এজনহে শিক্ষক আছে। এইটো এতিয়াও বিবেচনাধীন হৈ আছে।

## ANNOUNCEMENT BY SPEAKER

Mr. Speaker :— Order, order. I have an announcement to make. In exercise of the powers conferred by Rule 246 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I hereby nominate the following members to constitute the Committee of Privileges :

1. Shri Sheikh Chand Mahammad, Deputy Speaker
2. Shri Dulal Chandra Barua, Minister, Parliamentary Affairs,
3. Shri Mahammad Idris

4. Shri Kiron Chandra Bezbarua
5. Shri A. N. Akram Hussain
6. Shri Narendra Nath Datta
7. Shri Rabindra Nath Malakar

And in pursuance of sub-rule (i) of the Rule 198 of the Rules of Procedure and Conduct of Business in Assam Legislative Assemebly, I hereby appoint Shri Sheikh Chand Mahammad, Deputy Speaker as the Chairman of the Committee of Privileges.

The newly constituted Committee will function for a term of one year with effect from 4.4.79.

Now item No. 2. Shri Mukut Sarma.

## CALLING ATTENTION

শ্ৰীমুকুট শৰ্মা :— অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়ম অনুসৰি ১৯৭৯ চনৰ ১৮ ফেব্ৰুৱাৰী তাৰিখৰ দৈনিক অসম কাকতত প্ৰকাশিত "মেঘালয়ৰ পুলিচ গ্ৰেপ্তাৰ" শীৰ্ষক বাতৰিটোলৈ মূখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো।

* শ্ৰীকেশৱ চন্দ্ৰ গগৈ :— অধ্যক্ষ মহোদয়, যোৱা ১৮-২-৭৯ তাৰিখৰ দৈনিক অসম বাতৰি কাকতত প্ৰকাশিত হোৱা "মেঘালয়ৰ পুলিচ গ্ৰেপ্তাৰ" শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৃষ্ট হৈছে।

* Speech not corrected

ঘটনাটো এনে ধৰণৰ। যোৱা ১৫-২-৭৯ তাৰিখে আগবেলা কামৰূপ জিলাৰ বকো থানাৰ অন্তৰ্গত উপবলুম্পি গাওঁৰ গাওঁবুঢ়া শ্ৰীনৰেশ ৰায়ে এটা ঘোৰাত উঠি হাহিমৰ ফালে আহিছিল। তেওঁ অহা বাটটো নামনি লুম্পি গাওঁত মেঘালয় চৰকাৰে বে-আইনীভাবে পতা এটা আৰক্ষী চকীৰ কাষেদি গৈছে। নামনি লুম্পি গাওঁ অসমৰ ভিতৰত আৰু অসম-মেঘালয় সাংবিধানিক সীমাৰেখাৰ পৰা প্ৰায় ৬ মাইল অসমৰ ভিতৰত। মেঘালয় চৰকাৰে বে-আইনীভাবে পতা আৰক্ষী চকী আমাৰ আৰক্ষী চকীৰ পৰা ২০০ গজ মান দূৰত্ত অৱস্থিত। শ্ৰীৰায় মেঘালয় চৰকাৰৰ আৰক্ষী চকীৰ ওচৰ পোৱা সময়ত সেই চকীৰ ভাৰপ্ৰাপ্ত বিষয়াই ৬ জন সশস্ত্ৰ আৰক্ষীৰে সৈতে ৰাইফেলত বেয়নেট লগাই শ্ৰীৰায়ক খেদি যায়। প্ৰাণৰ ভয়ত শ্ৰীৰায়ে ক্ষোবেৰে ঘোৰা দৌৰাই আমাৰ আৰক্ষী চকীত আশ্ৰয় লয়গৈ। মেঘালয় চৰকাৰৰ আৰক্ষী সকলে আমাৰ আৰক্ষী চকী পৰ্য্যন্ত আগবাঢ়ি আহে আৰু শ্ৰীৰায় আমাৰ আৰক্ষী চকীত সোমোৱাৰ পাচত তেওঁলোক তাৰ পৰা ঘূৰি আহে যদিও শ্ৰীৰায়ক পালেই গুলিয়াব বুলি ভাবুকি দি আহে।

শ্ৰীৰায়ে লুম্পি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াক দিয়া অভিযোগক্ৰমে বকো থানাত ভাৰতীয় দণ্ডবিধি আইনৰ ১৪৩-৪৪৭-৩৪১-৩৮৫-৫০৬ ধাৰামতে এটা মোৰ্কদমা ৰুজু কৰা হয় আৰু তদন্তক্ৰমে মেঘালয় পুলিচৰ এ, বি, এচ, আইকে ধৰি মুঠ ১৪ জন আৰক্ষীক এই সংক্ৰান্তত গ্ৰেপ্তাৰ কৰা হয় আৰু তেওঁলোকৰ লগত থকা বন্দুক বাৰুদো জব্দ কৰা হয়। পাচত তেওঁলোকক জামিনত মুকলি কৰি দিয়া হয়।

এই সংক্ৰান্তত উল্লেখ কৰিব পাৰি যে মেঘালয় চৰকাৰে এই চকীটো ১৯৭৩ চনত অসমৰ এলেকাত বে-আইনীভাবে স্থাপন কৰিছিল। এই চকীৰ আটাইবোৰ আৰক্ষীকে গ্ৰেপ্তাৰ কৰাৰ পাচত বৰ্ত্তমান এই

চকী নাই।

শ্ৰীমুকুট শৰ্ম্মা :— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, মেঘালয়ৰ এই চকিটো অসমত আছে এইটো মেঘালয় চৰকাৰৰ দৃষ্টি আকৰ্ষণ হৈছেনে নাই আৰু এই চকিটো তুলি নিবৰ কাৰণে মেঘালয় চৰকাৰে কি ব্যৱস্থা কৰিছে ?

শ্ৰীকেশৱ গগৈ :— ১৯৭৩ চনতে এই এলেকাত চকী আছিল। ঘটনাৰ পিচত এই চকী নাই। উঠাই নিয়া হৈছে।

## MATTER UNDER RULE 301

Shri Khagen Barbaruah :— Sir, I raise a matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly relating to "গত পুহ মাহৰ পৰা আজি পৰ্য্যন্ত বৰষুণ নোহোৱাত আৰু চৰকাৰৰ দ্বাৰাও এই ক্ষেত্ৰত যথোচিত মনোযোগ আৰু অৰ্থ নিদিয়াত সমগ্ৰ অসমৰ গাওঁ-ভূঁইত আনকি নগৰতো (যেনে যোৰহাট) পানীৰ নাটনি হৈছে"।

অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি "গত পুহ মাহৰ পৰা আৰম্ভ কৰি আজি পৰ্য্যন্ত বৰষুণ নোহোৱাত আৰু চৰকাৰৰ দ্বাৰাও এই ক্ষেত্ৰত যথোচিত মনোযোগ আৰু অৰ্থ নিদিয়াত সমগ্ৰ অসমৰ গাওঁ-ভুঁইত অইন কি নগৰতো (যেনে যোৰহাটত) পানীৰ নাটনি হৈছে।

অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই জানিব বিচাৰিছো বিশেষকৈ আমাৰ স্বাস্থ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰো যে, অসমত

খোৱা পানী যোগান ধৰা নাই আনকি আজি গাওঁ অঞ্চল বিলাকতো পানীৰ অসুবিধা হৈছে। আগৰে পৰা আমাৰ ৰাইজে বৈ থকা নৈৰ পানী আৰু ৰজাদিনীয়া পুখুৰীৰ পানী ব্যৱহাৰ কৰি আহিছে। আৰু বৰষুণ হলে কেতিয়াবা অনুপযোগী পানী ব্যৱহাৰ কৰিব লগা হয়। এইখিনিতে এটা কথা মনত পৰিছে "Water, water every where but not a drop to drink" "অৰ্থাৎ ৰৰষুণৰ পিচত পানী চাৰিওফালে পোৱা যায় কিন্তু খোৱাৰ উপযোগী পানী কতো খাবলৈ নাই। তথাপিও বহুলোকে পানী পগাই বা ফিটকিৰি আদি দি খোৱাৰ উপযোগী কৰি তোলে। অসমত আজি প্ৰায় ২১ হাজাৰখন গাওঁৰ ভিতৰত ২০ হাজাৰ খনতে খোৱা পানীৰ ব্যৱস্থা নাই। হাইলাকান্দি, মানকাচাৰ, যোৰহাট আদি সকলোতে হাহাকাৰ হৈছে। যোৰহাটত পানীৰ কাৰণে এটা মাষ্টাৰ প্লেন কৰা হৈছিল। ব্ৰহ্মপুত্ৰৰ পানী আনি যোৰহাটত যোগান ধৰিবলৈ কিন্তু কাৰ্য্যত পৰিণত কৰা নাই। ইয়াৰোপৰি যোৰহাট ইঞ্জিনিয়াৰিং কলেজৰ যি দিপ টিউবওৱেলৰ দ্বাৰা পানি যোগান ধৰা হৈছে সেই বিলাক পানী খোৱাৰ অনুপযোগী হৈছে। ইয়াৰোপৰি পানীৰ যি টেংকি কৰা হৈছে সিও ভোগদৈ নৈ শুকাই যোৱাৰ কাৰণে পানী যোগান ভাল ৰকমে হোৱা নাই। আমাৰ ইয়াতো কাহিলিপাৰাত পানী যোগানৰ ভাল ব্যৱস্থা নাই। আজি সমগ্ৰ অসমতে খোৱা পানীৰ কাৰণে হাঁহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। গতিকে এই বিলাক অঞ্চলত দিপ টিউবওৱেলৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰিলো। কালি লোক সভাত আমাৰ কেন্দ্ৰীয় কৃষি মন্ত্ৰী মহোদয় ডাঙৰীয়াই কৈছে যে, শিৱসাগৰৰ বিভিন্ন অঞ্চলত হেন্দ টিউবওৱেলৰ ব্যৱস্থা কৰা হৈছে। কিন্তু ব্ৰহ্মপুত্ৰ নৈৰ কিনাৰে কিনাৰে যিবিলাক টিউবওৱেল কৰা হৈছে সেই বিলাকৰ বাহিৰে অন্য ঠাইত কৃতকাৰ্য্য হোৱা নাই।

মাননীয় অধ্যক্ষ :— চমুকৈ কওক

শ্ৰীখগেন বৰবৰুৱা :— গতিকে মই এই বিষয়ে চৰকাৰৰ ওচৰত

দাঙি ধৰিছো খোৱা পানীৰ ক্ষেত্ৰত অধিক মনোযোগ দিয়াৰ বাবে অনুৰোধ কৰিলো।

* শ্ৰীলক্ষেশ্বৰ গোহাঁই :— অধ্যক্ষ মহোদয়, খৰাং বতৰৰ কাৰণে অসমত পানীৰ নাটনি যিহেতুকে আমাৰ স্বাস্থ্য বিভাগৰ লগত ৰাজহ বিভাগ জৰিত হৈ থকাৰ কাৰণেই এই সম্পৰ্কে মই বিবৃতি দিব বিচাৰিছো।

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি বিধান সভাৰ মাননীয় সদস্য শ্ৰীখগেন বৰবৰুৱাই বৰষুণৰ অভাৱত অসমৰ গাওঁ-ভূঁই আৰু নগৰত পানীৰ নাটনি হোৱা সম্পৰ্কে দিয়া জাননীৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছে।

এই সন্দৰ্ভত চৰকাৰৰ তৰফৰ পৰা কবলগীয়া এই যে প্ৰাপ্ত বাতৰি মতে ৰাজ্যখনৰ কোনো কোনো অংশত খৰাং বতৰৰ হেতু পানী অভাৱ হোৱাতো সত্য। এনে খৰাং বতৰৰ হেতু পানী অভাৱ হোৱাতো সত্য। এনে খৰাং বতৰৰ ফলত যোৰহাট, গোলাঘাট, তেজপুৰ, গোৱালপাৰা, শিলচৰ, বৰপেটা, নলবাৰী আৰু গুৱাহাটী মহকুমাৰ ঠায়ে ঠায়ে পানীৰ অভাৱ হোৱা বুলি জনা যায়। মহকুমা পৰ্য্যায়ত বতৰৰ অৱস্থা আৰু চৰকাৰে লোৱা ব্যৱস্থাৱলী এনে ধৰণৰ :— যোৰহাট মহকুমাৰ বহুত ঠাইত খৰাং বতৰৰ হেতু খোৱা পানীৰ অভাৱ হোৱা বাতৰি চৰকাৰে মাৰ্চ মাহৰ আগভাগতে পাইছে। যোৱা মাৰ্চৰ ৯ তাৰিখে স্বাস্থ্য বিভাগৰ পৰা জনস্বাস্থ্য কাৰিকৰী বিভাগক যোৰহাট মহকুমাৰ ক্ষতিগ্ৰস্ত অঞ্চলত ৫০ টা নলীনাদ বহুৱাবৰ বাবে নিৰ্দ্দেশ দিয়া হয়। এই সম্পৰ্কে যোৱা মাৰ্চৰ ২৫ তাৰিখে যোৰহাটৰ উপায়ুক্তৰ তৰফৰ পৰা আলোচনাক্ৰমে সমগ্ৰ মহকুমা খৰাং বতৰত ক্ষতিগ্ৰস্ত হোৱা ঠাই বিলাকত আৰু নলী-

* Speech not corrected

নাদ বহুৱাবলৈ সিদ্ধান্ত কৰা হৈছে। এতিয়ালৈকে প্ৰাপ্ত বাতৰিমতে তলত উল্লেখ কৰা ২৪টা নলীনাদ বহুৱা হৈছে আৰু বাকী ৪৮টা নলী-নাদ বহুওৱাৰ কাম চলি আছে। সৰু চৰাই গাঃ পঃ= ১, নামনি চৰাই-বাহী— ১, গৰীয়া চাপৰি— ১, গেন্ধেলা চাপৰি— ৩, পানচকুৱা গাওঁ— ৭, ৰামধনী গাওঁ— ৩, পুৰণি মাটি গাওঁ— ১, ভাতখোলা গাওঁ— ১, গুৱালগাওঁ— ২, কলিভা গাওঁ— ১, ভপলাকটা গাওঁ— ১, বৰচাপৰি কাকজান— ১, নাম গৰু মৰা গাওঁ— ১, মুঠ ২৪টা। পৌৰ প্ৰশাসন বিভাগৰ পৰা যোৰহাট নগৰত ট্ৰাকেৰে পানী নি পৌৰ এলেকাৰ ভিতৰত পানী যোগানৰ ব্যৱস্থা কৰিবলৈ ২০,০০০ টকাৰ এটা মঞ্জুৰী দিয়া হৈছে। বাঙলা পুখুৰীত থকা গভীৰ নলীনাদ অস্থায়ীভাৱে কাৰ্য্যকৰী কৰা হৈছে। নআলি আৰু চেকানীধৰা অঞ্চললৈ ১'৫ কিলোমিটাৰ দীঘলৰ এটা পাইপ লাইন বহুৱাই এই নলীনাদেদি পানী যোগান ধৰা হৈছে।

গোলাঘাট :— গোলাঘাট মহকুমাত দিফু, নামবৰ, ৰেংমা দৈয়াং সংৰক্ষিত বনাঞ্চল, বোকাখাত নগৰ আৰু ইয়াৰ দাতি কাষৰীয়া অঞ্চল, মিছামৰা গাওঁ পঞ্চায়ত, জখলাবন্ধা আদি অঞ্চলত খৰাং বতৰৰ ফলত পানী নদী, পুখুৰী আদিত শুকাই যোৱাৰ ফলত স্থানীয় বাসিন্দা সকল খোৱা পানীৰ অভাৱত পৰিছে বুলি বাতৰি পোৱা গৈছে। মহকুমা পৰ্য্যা-য়ত সাহাৰ্য্যৰ বাবে মহকুমাধিপতিয়ে মিটিং পাতি এই অৱস্থাৰ বিষয়ে আলোচনা কৰিছে আৰু ৫০টা নলী-নাদ তৎকালে বহুৱাবৰ বাবে নিৰ্দ্দেশ দিছে। জনস্বাস্থ্য কাৰিকৰী বিভাগে এই নলীনাদ বহুৱাবৰ কাৰণে যথো-চিত ব্যৱস্থা হাতত লৈছে। ইতিমধ্যে এই মহকুমাৰ মহকুমাধিপতিয়ে অতিৰিক্ত ৬০টা নলীনাদ মহকুমাৰ বিভিন্ন ঠাইত বহুৱাবৰ বাবে প্ৰস্তাব কৰিছে।

তেজপুৰ :— প্ৰাপ্ত সংবাদমতে তেজপুৰ মহকুমাৰ গহপুৰ আৰু

চিলাবন্ধা গাওঁপঞ্চায়ত অন্তৰ্গত কিছুমান ঠাইত খোৱা পানীৰ অভাৱ হৈছে বুলি জনা গৈছে। এই ঠাইবোৰত নলীনাদ বহুৱাবৰ আৱশ্যকতা সম্পৰ্কে জনস্বাস্থ্য কাৰিকৰী অভিযন্তাই অনুসন্ধান কৰি আছে। অভিযন্তাৰ পৰা প্ৰতিবেদন পালে বিহিত ব্যৱস্থা লোৱা হ'ব।

গোৱালপাৰা ঃ— গোৱালপাৰা মহকুমাৰ বৈত্তামাৰী চক্ৰৰ অন্তৰ্গত মাজেৰ আলগাৰ কিছু কিছু ঠাইত খোৱাপানীৰ অভাৱ হোৱা বুলি বাতৰি পোৱা গৈছে। সেই অঞ্চলত ইতিমধ্যে ১০টা নলীনাদ বহুওৱা হৈছে আৰু অতিৰিক্ত ৩০ টা নলীনাদ বহুৱাৰ প্ৰস্তাৱ কৰা হৈছে।

শিলচৰ :— শিলচৰ মহকুমাৰ দীৰ্ঘকালীন খৰাং বতৰৰ ফলত পুখুৰী নদীৰ পানী শুকাই গৈ কোনো কোনো ঠাইত খোৱা পানীৰ অভাৱ হোৱা বুলি জনা গৈছে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বৰখোলা ওচৰৰ কালীপুৰত থকা পানী যোগান আঁচনি প্ৰসাৰিত কৰি ওচৰ-চুবুৰীয়া অঞ্চললৈ পানী যোগান ধৰা হৈছে। তাৰ উপৰি সেই অঞ্চলত থকা পকী কুঁৱাবিলাক পুনৰ সংস্কাৰ কৰি তাৰ পানী খোৱাৰ উপযোগী কৰাৰ ব্যৱস্থা কৰিছে। শিলচৰ মহকুমাত নলীনাদ বহুওৱাৰ কাম ফলপ্ৰসূ নহয়। এই মহকুমাত পানী নোহোৱাৰ কাৰণে খেতিৰ কাম এতিয়ালৈকে আৰম্ভ কৰিব পৰা নাই আৰু সেই হেতু কৃষি বনুৱা সকলক কামৰ যোগান ধৰাৰ অৰ্থে উপায়ুক্তই পৰীক্ষামূলক সাহাষ্যৰ আঁচনি হাতত লৈছে।

বৰপেটা ঃ— বৰপেটা মহকুমাত খৰাং বতৰৰ ফলত ক্ষতিগ্ৰস্ত হোৱা বৰদীয়া, আটীয়া, তাৰাবাৰী চৰ, বান্দলী, যাত্ৰাদিয়া, হেপচা, নীৰলা আদি অঞ্চলত খোৱা পানীৰ অভাৱ দূৰ কৰিবৰ অৰ্থে নলীনাদ বহুওৱা হৈছে। বৰপেটা মহকুমাৰ অন্যান্য খৰাং অঞ্চলত খোৱা পানীৰ বাবে নলীনাদ বহুৱাৰ আৱশ্যকতা নিৰ্ণয় কৰিবৰ অৰ্থে জনস্বাস্থ্য কাৰিকৰী

বিভাগৰ পৰা যথাবিহীত ব্যৱস্থা লোৱা হৈছে।

নলবাৰী :— এই মহকুমাৰ প্ৰায় সকলো ঠাইতে বৰষুণৰ অভাৱত খোৱা পানীৰ অভাৱ হৈছে বুলি জনা যায়। খৰাং বতৰৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত স্থানীয় কতৃপক্ষই ১৪০টা নলীনাদ এই মহকুমাৰ ক্ষতিগ্ৰস্ত অঞ্চলত বহুৱাবৰ বাবে প্ৰস্তাৱ কৰিছে। অন্যান্য সাহায্যৰ আৱশ্যকতা সম্পৰ্কত স্থানীয় কতৃপক্ষ বিবেচনাধীন হৈ আছে। আন আন মহকুমাবিলাকৰ পৰা প্ৰাপ্ত বাতৰিমতে যদিও দেখা যায় যে সেই বিলাক ঠাইত দীৰ্ঘদিন ধৰি বৰষুণ হোৱা নাই তথাপিও সেইবোৰ অঞ্চলত খোৱা পানীৰ নাটনি এতিয়াও সংকটপূৰ্ণ হোৱা নাই বুলি উপা-যুক্ত আৰু মহকুমাধিপতি সকলৰ পৰা জনা যায়। তেওঁলোকে অৱস্থাৰ পৰ্য্যবেক্ষণ কৰি আছে। ইতিমধ্যে ৰাজ্যখনত খোৱা পানীৰ অভাৱ দূৰ কৰা অৰ্থে যথাবিহীত ব্যৱস্থা লবলৈ ৰাজহ বিভাগৰ পৰা স্বাস্থ্য বিভাগলৈ ২ লাখ টকাৰ এটা অগ্ৰিম মঞ্জুৰী দিয়া হৈছে। ইয়াৰ উপৰিও সাহায্য মূলক আঁচনি লবৰ বাবে জিলাৰ উপায়ুক্ত আৰু মহকুমাধিপতি সকলক প্ৰত্যেককে ১০,০০০ টকাকৈ অগ্ৰিম মঞ্জুৰী দিয়া হৈছে। অন্যান্য সাহা-য্যৰ অৰ্থে স্বাস্থ্য বিভাগ বা জিলাৰ উপায়ুক্ত আৰু মহকুমাধিপতি সকলৰ পৰা মঞ্জুৰীৰ বাবে বা আন কোনো অনুৰোধ পালে সেই দাবী বিবেচনা কৰি যথা বিহীত খৰতকীয়া ব্যৱস্থা লোৱা হব।

শ্ৰীদাপক ভট্টাচাৰ্য্য :— স্যার, আমি গত মাসে এই সদনে এই জল সম্পর্কে কথা উৎথাপন করেছিলাম এবং বিশেষ করে হাইলাকান্দির কথা উল্লেখ করেছিলাম। কিন্তু দেখা যায় যে বদরপুরে সাময়িক ভাবে জলের ব্যবস্থা করা হয়েছে এবং মন্ত্রী মহোদয়ের বিবৃতি থেকে শিলচরের কথাও দেখতে পেলাম। কিন্তু দুঃখের বিষয় যে হাইলাকান্দির এই জল সংকটকে নিরসন করার জন্য কোথাও কিছু দেখতে পাওয়া যাচ্ছে

না। এসম্পৰ্কে কি ব্যবস্থা নেওয়া হবে মাননীয় মন্ত্ৰী মহোদয় আমাদেরে জানাবেন কি?

শ্ৰীলক্ষেশ্বৰ গোহাই :— অধ্যক্ষ মহোদয়, ইতিমধ্যে মই কৈ গৈছো যে তেখেত সকলৰ পৰা তেনেধৰণৰ অতি নাটনিৰ খবৰ অহা নাই আৰু অহাৰ লগে লগে ব্যৱস্থা কৰিম বুলি ভাবিছো।

শ্ৰীদীপক ভট্টাচাৰ্য্য :— সেই যায়গায় প্ৰতিনিধি বিচাবে আমি নিজে বলেছিলাম এবং সেদিন তিনি প্ৰতিশ্ৰুতিও দিয়েছিলেন যে তিনি বিবেচনা করবেন, কিন্তু আজ অব্দি বিবেচনা করা হয়নি কেন?

ডাঃ কোষেশ্বৰ বৰা :— বিভাগীয় বিষয়াক এই বিষয়ে নিৰ্দ্দেশ দিয়া হৈছে কিন্তু সকলো ঠাইতে ব্যৱস্থা লব পৰা হোৱা নাই।

## CONSIDERATION OF GOVERNMENT BILL

* শ্ৰীৰমেশ মোহন কুলি :— অধ্যক্ষ মহোদয়, চাওঁতে চাওঁতে ইপিনে তিনিটা দশক পাৰ হৈয়ে গল অথচ অনুসূচীত জাতি জনজাতি আৰু পিচপৰা সম্প্ৰদায়ৰ অঞ্চলবোৰত পৰিবৰ্তনৰ কোনো সূচনাই নহল। ত্ৰিশ বছৰ আগতে তেওঁলোক যত আছিল তাতেই ৰই গল। সংবিধানিক বিধি ব্যৱস্থা নাইবা ইখনৰ পিচত সিখনকৈ কৰা পৰিকল্পনাবোৰও তেওঁলোকক যুগৰ স্থবিৰতাৰ পৰা মুক্ত কৰাত ব্যৰ্থ হল। এনে অৱস্থাৰ বাবে দূৰ-দৃষ্টিহীন পৰিকল্পনা, ভুল অগ্ৰাধিকাৰ আৰু কল্যাণ আঁচনি সমূহৰ কু-পৰিচালনাকে প্ৰায়ে দায়ী কৰা হয়। পৰীক্ষা গৱেষণা চলিয়েই থাকে কতৃৰ্ত্বহীন মহলে আগৰ বোৰকে দোষাৰোপ কৰে। জপনাত বহি বং চাই থকাবোৰে আকৌ দোষাৰোপ কৰে শাসনাধিষ্ঠিত দলক। চক্ৰ

* Speech not corrected

ঘূৰি থাকে। ইপিনে অন্ধকুপত পৰি থকা বিপুল জনতাই সীমাহীন আন্ধাৰৰ আৰু বেচি গভীৰত্ত জীয়াতু ভোগে।

ইয়াৰ ঘাই কেৰোণ নিহিত হৈ আছে দৰাচলতে ৰাষ্ট্ৰৰ সামাজিক পৰিশোধতহে, আৰু সেয়ে মাজে সময়ে ধৰা দিয়ে আদিবাসী আৰু হৰিজন সকলৰ ওপৰত কৰা অত্যাচাৰত, অনুসূচীত জাতিৰ লোকক নুন্যতম মানবীয় অধিকাৰৰ পৰাও বঞ্চিত কৰা ঘটনাত আৰু অনুন্নত জনসাধাৰণৰ আশা আকাংক্ষাৰ প্ৰতি দেশৰ বুদ্ধিজীবি আৰু তেওঁলোকৰ সতীৰ্থ সকলে দেখুৱা চৰম উদাসীনতাত। এই দৰেই বিপত্তিৰ উৎস লুকাই থাকে সমাজৰ ঘোষিত উদ্দেশ্য আৰু কৃতকৰ্ম্মৰ মাজত ঘটা ব্যৱধানত, সাংবিধানিক ব্যৱস্থাৰ বিৰুদ্ধে নীতিবিৰৰ্জিত প্ৰয়োগৰ সংঘৰ্ষৰ অন্তৰালত।

বস্তুতে কব খোজে, সমাজবাদী ৰাষ্ট্ৰত যত শ্ৰেণীবিহীন সমাজ গঠনৰ কথা চিন্তা কৰা হৈছে তাত জাতিৰ ভিত্তিত এনে বিশেষ সংৰক্ষণৰ ব্যৱস্থা কেতিয়াও খাপ নাখায়। কিন্তু ভাৰতীয় সমাজবাদৰ জনক ৰাম মনোহৰ লোহিয়া দেৱে তেখেতৰ 'Towards the destruction of class and classes' বোলা প্ৰৱন্ধটোত এনে ধৰণৰ সমাজবাদী সকলক ভেচ্‌টেড ইণ্টাৰেষ্ট চছিয়েলিজমৰ বাহক বুলি আখ্যা দিছে। ভাৰতীয় পৰিপ্ৰেক্ষিতত জাতি বা সম্প্ৰদায়ৰ সহজাত দুৰ্ব্বলতাক আওকান কৰি শ্ৰেণীবিহীন সমাজৰ বচন মতা সকলৰ পচন্ন মতলব হল সেই দুৰ্ব্বল জাতি বা সম্প্ৰদায়ৰ লোক সকলৰ 'In a state of perpetual, physical and mental lowliness' অৰ্থাৎ 'চিৰকলীয়া শাৰীৰিক আৰু মানসিক দাসত্ব'ত ৰখা। তেখেতে এইটোও কৈছে যে এনে দাসত্বত ৰখাৰ উপায় হব, সবল সম্প্ৰদায়ৰ লোক সকলে দক্ষতাৰ দোহাই দিয়া। এনে এটা মতলবৰ বাবেই দেশৰ বুদ্ধিজীৱি সকলে যি সকলৰ প্ৰায় ভাগেই উচ্চ বৰ্ণৰ প্ৰকৃত সমাজবাদত আন্তৰিকতাৰে বিশ্বাস নকৰে সেইসকলেই মুখতে

জাতিৰ বিভেদ থাকিব নালাগে বুলি কয়। তেওঁলোকে মেধা আৰু সুবিধাৰ সমবিতৰণৰ ধ্বনি যিমান জোৰেৰে তোলে, জাতি সম্প্ৰদায়ৰ ভেদাভেদ উঠাই দিয়াৰ কথাত কিন্তু তেওঁলোকৰ উচ্ছাস উপকৰা ধৰণৰ। তেওঁলোকে জন্মগত সম্প্ৰদায়ক গৰিহণা দিয়ে আৰু মেধাৰ ধ্বনি তোলে। কিয়নো এনে ধ্বনিয়ে তেওঁলোকৰ সুবিধাভোগ নিষ্কণ্টক কৰি তোলে। এইবোৰ দিশ বিবেচনা কৰি এই মহান মনিষী গৰাকীয়ে সুবিধাৰ সমবিতৰণ সম্বন্ধে সিদ্ধান্ত দিছে এই বুলি 'A true doctrine of equal opportunity would have to undo the work of five thousand years by giving preferential treatment to the lower castes.'

ভাৰতীয় সমাজবাদৰ পুৰোধী ডাঃ লোহিয়াদেৱে তেখেতৰ 'Caste and Shrinkage of opportunity' বোলা প্ৰৱন্ধটোত কৈছে যে জাতিৰ অৱস্থিতিয়ে জনসাধাৰণক কৰ্ম্মদক্ষতাৰ পৰা বঞ্চিত কৰে। এই বঞ্চনাৰ পৰা উদ্ধাৰ কৰি জনসাধাৰণক দক্ষতাক পুনৰ জীৱন দান দিবৰ বাবে একমাত্ৰ মহৌষধ হল 'Special and preferential opportunities' যাতে দেশৰ শতকৰা ৯০ ভাগ মানুহে, অথাৎ অনুন্নত সম্প্ৰদায়ৰ মানুহে গেজেটেড চাৰ্ভিচেজ আৰু লিডাৰছিপ পোষ্টৰ বেচি ভাগ পাব পাৰে। যেতিয়ালৈকে দক্ষতা আৰু অৰ্হতাক সুবিধা প্ৰাপ্তিৰ আহিলা হিচাবে গণ্য কৰা হব তেতিয়ালৈকে ভাৰতীয় মানুহক দক্ষতাৰ পৰা বঞ্চিত হৈ বৰ আৰু সংৰক্ষণ ব্যৱস্থা মাত্ৰ কাকততহে শোভা কৰি থাকিব।

দক্ষতা, অৰ্হতা এনেবোৰ গুণ ভুকুতে বল পকোৱা বিধৰ নহয়। সেইবোৰ সুদীৰ্ঘ অনুশীলনৰ সুফল মাত্ৰ। কিন্তু দেশৰ পিচপৰা জনসাধাৰণক যদি কোনোদিন অনুশীলনৰ সুযোগেই দিয়া নহয়, তেন্তে দেশ জানো দক্ষতা অথবা অৰ্হতাৰ বিপুল সম্ভাৱনাৰ পৰা বঞ্চিত হৈ থকা নাই?

১৯৬৩ চনৰ গোৰক্ষপুৰৰ চছিয়েলিষ্ট পাৰ্টিৰ বিশেষ অধিবেশনত দিয়া এটা লিখিত ভাষণত তেখেতে কৈছিল "60% of all opportunities in the land should be given to backward sections of the people irrespective of their ability in the hope that this reverse process of expending opportunities will destory, the caste systam and revive the abilities of the people':

ওপৰৰ আলোচনাৰ পৰা এই সিদ্ধান্তলৈ সহজে আহিব পৰা যায় যে ভাৰতীয়ৰ পৰিপ্ৰেক্ষিতত বিশেষ সংৰক্ষণৰ ব্যৱস্থা গৰিহনা দি যি সকলে সমাজবাদ, শ্ৰেণীহীন সমাজ আৰু সুবিধাৰ সমবিতৰণৰ কথা কয়, যিসকলে কথাই কথাই দক্ষতা আৰু অৰ্হতাৰ দোহাই দিয়ে সেই সকল দৰাচলতে প্ৰকৃত সমাজবাদত বিশ্বাসী নহয়, সেই সকল হল ডাঃ লোহিয়া-দেৱে কবৰ দৰে প্ৰকৃত সমাজবাদৰ পৰা আতৰি ধ্বনি তোলা স্বাৰ্থজড়িত মহল জাতি, সম্প্ৰদায়ৰ বিভেদ আৰু বৈষম্যৰ শতিকাৰ পাচত শতিকা জুৰি জমা হোৱা কুফলবোৰ আতৰ নকৰাকৈ শ্ৰেণীহীন সমাজৰ সপোন দেখাতো নিতান্ত মূল্যহীন কথা। অৱশ্যে এই বিধেয়কখনত স্বৰ্গীয় লোহিয়া দেৱে ইচ্ছা কৰা মতে শতকৰা ৬০ ভাগ সা-সুবিধা বিচৰা হোৱা নাই। ইয়াত তাতকৈ বহুত কম বিচৰা হৈছে। এইখিনি পূৰাকৈ পালে নিশ্চয় এই বঞ্চিত লোকসকলৰ প্ৰতিভা বিকাশত আশানুৰূপ সুযোগ পোৱা হব আৰু ৰাজ্যখনে ইমান বছৰে বঞ্চিত হৈ থকা দক্ষতা আকৌ লাভ কৰিব পাৰিব। ডঃ লোহিয়া দেৱে ইমান যিসকলে সুবিধা ভোগ কৰি আহিছে সেই সকলক আতৰাই দিও এই দুৰ্ব্বল লোকসকলক বিশেষ সুবিধা দি দেশৰ অবদমিত দক্ষতাৰ সম্ভাৱনাক অতি শীঘ্ৰে জীয়াই থকাৰ কথা কৈছে।

সংবিধানৰ নিৰ্দেশক নীতি অনুসৰি ৰাজ্যৰ প্ৰশাসনে জনসাধা-

ৰ্ণৰ দুৰ্বল অংশক বিশেষকৈ, জনজাতিসকলক শিক্ষা আৰু অৰ্থনৈতিক দিশত বিশেষ যত্ন সহকাৰে আগবঢ়াই নিয়াটো আৰু সামাজিক অবিচাৰ আৰু শোষণৰ পৰা ৰক্ষা কৰাটো আশা কৰা যায়। এই নীতি অনুসৰি ৰাজ্যত অনেক ব্যৱস্থাৰ সূচনা কৰা বুলি দাবী কৰি আহিছে। কিন্তু আন্তৰিকতাহীন আইন প্ৰয়োগৰ ফলত আজি ইমানদিনে অগ্ৰগতিৰ যি তথ্য বা পৰিসংখ্যা পোৱা গল সেইটোৱেই প্ৰমাণ কৰে যে এনে দাবী অন্তঃসাৰশূণ্য।

অনুসূচীত জাতি আৰু জনজাতিৰ আয়ুক্তই তেওঁৰ চতুৰ্বিংশতি প্ৰতিবেদনত কবৰ দৰে এনে অৱস্থাৰ হেতু হল, ৰাজ্যই এই পৰিবৰ্ত্তনৰ বাবে ইমানদিনে যিখিনি কৰিছে সেইয়া সামাজিক বা ৰাজনৈতিক যি কোনো ত্যাগৰ বিনিময়ত সামাজিক বাতাবৰণৰ আমূল পৰিবৰ্ত্তনৰ প্ৰতি দৃঢ় প্ৰত্যয়েৰে কৰা নাই, সেইখিনি কৰিছে কেৱল দায়সৰা মনোভাবেৰেহে। তেওঁ দুখেৰে কৈছে যে সকলো নাগৰিকৰ কাৰণে অৰ্থনৈতিক সামাজিক ন্যায় প্ৰতিষ্ঠাৰ বাবে ৰাষ্ট্ৰৰ পৱিত্ৰ সংকল্প মাত্ৰ প্ৰতিশ্ৰুতি হৈয়ে বল। অনুসূচীত জাতি, জনজাতিক ক্ষেত্ৰত যি প্ৰতিশ্ৰুতি ৰক্ষা কৰাতকৈ ভাগ কৰাতহে গুৰুত্ব দিয়া হল। তেওঁ আৰু মন্তব্য কৰে যে ৰাজনৈতিক ন্যায় লাভ কৰাটো বহু পৰিমাণে তাৎপৰ্য্যহীন হৈ পৰে যদিহে তাত সামাজিক আৰু অৰ্থনৈতিক ন্যায় নাথাকে। এই বঞ্চিত সকলৰ বাবে চাকৰি বাকৰিৰ ক্ষেত্ৰত ৰখা সংৰক্ষণৰ ব্যৱস্থাকে এই সকলৰ স্বাৰ্থৰ বাবে আনবোৰে দেখুৱা ত্যাগ আৰু মহত্বৰ প্ৰমাণ স্বৰূপে দাঙি ধৰে। কিন্তু অতীতৰ পৰা জমি অহা এই বিষয়টো পূৰণ হৈ উঠা মাটিয়ে (চটকল) তেনে সংৰক্ষণ ব্যৱস্থা যে কেৱল অৰ্থহীন ধ্বনিত বাদে আন একো নহয় তাকেহে সূচায়। সাধাৰণ কেইটামান দৃষ্টান্তই এই দাবীৰ অসাৰশূণ্যতাক উদঙাই দেখুৱায়। কামৰূপ উপায়ুক্তৰ আমোলাৰে ভৰি থকা কাৰ্য্যালয়ত জনজাতিৰ আমোলা এজন কি দুজন মাত্ৰ। কাৰ্বি আংলং

জিলাৰ উপায়ুক্তৰ কাৰ্য্যালয়ত কাৰ্বি জনজাতিৰ লোক মাত্ৰ এজনেইহে আছে বোধ কৰো। উত্তৰ কাছাৰ পাহাৰ জিলাৰ পৰা ভাৰতীয় প্ৰশাসনীয় আৰু আন কেন্দ্ৰীয় সেৱাত চাকৰিয়াল আছে ৭ জন, অথচ অসম চিভিল চাৰ্ভিচত আছে মাত্ৰ ৫ জন। গুৱাহাটী আৰু ৰাজ্যৰ আন আন অঞ্চলত থকা কেন্দ্ৰীয় চৰকাৰৰ কাৰ্য্যালয়বোৰত অনুসূচীত জাতিৰ আৰু জনজাতিৰ প্ৰতিনিধিত্ব আৰো উৎসাজনক। অসম ৰাজ্য চৰকাৰৰ সমূহ চাকৰিয়ালৰ শতকৰা ৪.৬ ভাগ ভৈয়ামৰ জনজাতিৰ, ৩.৯ ভাগ অনুসূচীত জাতিৰ আৰু প্ৰায় ১ ভাগ হল পাহাৰৰ জনজাতিৰ। আনকি ৰাজ্যৰ সমূহ চতুৰ্থ শ্ৰেণীৰ চাকৰিয়ালৰ শতকৰা তিনিভাগো ভৈয়ামৰ জনজাতিৰ ভাগত পৰা নাই। অথচ চাকৰি বিচাৰি হাবাথুৰি খোৱা এম, এ, পাছ জনজাতীয় লৰাই শেষত নিৰুপায় হৈ পাহাৰত কাঠ টনা কাম কৰি পেট প্ৰবৰ্ত্তাব লগীয়াত পৰিছে। এম, বি, বি, এচ পাছ কৰা জনজাতীয় লৰাই চহৰৰ উপকণ্ঠত পেটৰ ভাত মোকোলাবলৈ ইটো সিটো কৰি ফুৰিছে। উত্তৰ কাছাৰ পাহাৰতে অসংখ্য এশৰো অধিক গ্ৰেজুৱেট জনজাতীয় লৰা আছে যিয়ে চাকৰি বিচাৰি হাবাথুৰি খাব লাগিছে। ঘাটিপূৰণ নোহোৱাৰ দৃশ্যতঃ অজুহাত হল এই পিচপৰা লোকসকলৰ মাজত দক্ষলোকৰ অভাৱ সেইয়া স্বাৰ্থজড়িত মহলৰ দূৰভিসন্ধিত বাদে আন একো নহয়। তেওঁলোকে সকলো ক্ষেত্ৰতে দক্ষতা নিশ্চিত কৰাৰ বাবে উদ্বেগ প্ৰকাশ কৰা দেখা যায়। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা গৈছে যে চৰম দক্ষতাহীনতাৰ বাবে য'তে কিবা ঘটিছে সেয়া এই পিচপৰা লোকসকলৰ চাকৰিয়ালৰ দক্ষতাহীনতাৰ বাবে ঘটা নাই। বৰঞ্চ বহুত ক্ষেত্ৰত আন সকলতকৈ এই অনুন্নত জনপুঞ্জৰ পৰা অহা লোক সকলহে উচ্চতৰ পৰিচয় দিয়া দেখা গৈছে। অসমৰ সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰতো, ক্ৰীড়া জগততো এই সকলেই আনতকৈ বেচি পটুতাৰ প্ৰমাণ দিবলৈ সক্ষম হৈছে। আজি যিটো পৰিস্থিতি দেখা গৈছে তাতকৈ দক্ষতাৰ আৰু যে

অভাৱ হব পাৰে সেইটো এটা কল্পনা কৰিব নোৱাৰা কথা। আমি মুকলি মনেৰে স্বীকাৰ কৰোঁহকচোন যে আমি অন্ততঃ নগালেণ্ডতকৈ অধিকতৰ দক্ষতা দেখুৱাব পৰা নাই। নগালেণ্ডত দেখোন চাকৰিয়ালৰ শতকৰা নব্বৈ ভাগেই জনজাতীয় লোক। দুখ পালেও আমি পাহৰি যোৱাটো উচিত নহব যে আমাৰ ৰাজ্যৰ বিশ্ববিদ্যালয়ত পঢ়া ছাত্ৰ এজনেও এতিয়ালৈকে ভাৰতীয় প্ৰশাসনীয় সেৱা পৰীক্ষাত কৃতকাৰ্য্য হব পৰা নাই। ইয়াৰ কাৰণ হয়তো বহুতো আছে। কিন্তু এইটো অন্ততঃ নহয় যে বিশ্ব বিদ্যালয়বোৰত জনজাতি অথবা অনুসূচীত জাতিৰ শিক্ষক নিয়োগেই ইয়াৰ কাৰণ। মুঠতে দক্ষতাৰ প্ৰশ্নটো অৰ্থহীন কথা। ঘাটি পূৰণ নোহোৱাৰ ঘাই কাৰণ হল স্বাৰ্থজড়িত মহলৰ উদাসীনতা। যি উদাসীনতা প্ৰায় পৰ্য্যবসতি হয় স্বাৰ্থ পৰতাৰ। যিটো কথাৰ প্ৰমাণ উত্তৰ ভাৰতৰ ৰাজ্যসমূহৰ সংৰক্ষণৰ প্ৰশ্ন লৈ ঘটা ঘটনাৱলীত ওলাই পৰিছে। ব্যক্তিগত খণ্ডত অনুসূচীত শ্ৰেণীৰ লোক সকলক চাকৰি-বাকৰিৰ সুবিধা দিবলৈ দেখুওৱা অনিচ্ছাৰ কাৰণো এয়ে। অনুসূচীত জাতি আৰু জনজাতি আয়ুক্তই আনলোক সকলৰ মাজতে দুটা দুৰ্ভাগ্যজনক ধাৰণা লক্ষ্য কৰিছে। তেওঁলোকে ভাবে অনুসূচীত শ্ৰেণীৰ লোক সকলক অহেতুক প্ৰশ্ৰয় দিয়া হৈছে। অতীতৰ কু-সংস্কাৰ আৰু অসংগত উচ্চাম্মিকা মনোভাবৰ পৰাই এনে ধাৰণাৰ জন্ম হৈছে আৰু এনে দূৰ্ভাগ্যজনক ধাৰাৰ বাবেই অনুসূচীত লোক সকলে সংৰক্ষণৰ দাবী তুলিছে। আন লোকসকলৰ মাজত যদি সাধাৰণ ভাবে এই হতভাগ্য সকলক আনৰ সমপৰ্য্যায়লৈ অহাৰ বাবে সক্ষম কৰি তোলাৰ কাৰণে সহানুভূতিৰ মনোভাব আৰু সদিচ্ছা থাকিলহেতেন তেন্তে কোনো বাধ্য বাধকতাৰ প্ৰয়োজনেই নহলহেতেন। কিন্তু স্বাৰ্থজড়িত মহলৰ দেখা অনীহাৰ দৃষ্টান্তই এই লোকসকলৰ নিৰাপত্তাৰ বাবে বিধিগত আৰু সাংবিধানিক ৰক্ষণাবেক্ষণ প্ৰয়োজন কৰি তুলিলে। আয়ুক্তই তেওঁৰ প্ৰতিবেদনত এনে অসংখ্য

দৃষ্টান্ত দাঙি ধৰিছে য'ত সাম্প্ৰদায়িক সংস্কাৰৰ বাবেই মেধাবী আৰু দক্ষজনে উপযুক্ত স্বীকৃতি লাভৰ পৰা বঞ্চিত হৈছে। য'ত উপৰোৱা বিধৰ অনিষ্টকাৰী পক্ষপাত দুষ্ট গোপন প্ৰতিবেদনে অনুন্নত সম্প্ৰদায়ৰ চাকৰিয়ালৰ চাকৰি দৃঢ়ীকৰণ আৰু পদোন্নতি ব্যাহত কৰিছে। য'ত সংৰক্ষিত পদৰ সংৰক্ষণ যিকোনো অজুহাতত উঠাই দিয়া হৈছে আৰু য'ত বেছি টকাৰ আমানত ব্যৱস্থৰি দৰে সাধাৰণ নিয়ম কানুনৰ দোহাই দি এই লোকসকলৰ নিৰ্ব্বাচিত হোৱা প্ৰাৰ্থীকে প্ৰাপ্য পদ লাভৰ পৰা বঞ্চিত কৰা হৈছে। দক্ষতাৰ প্ৰয়োজন আমি নুই কৰিব নোৱাৰো। কিন্তু ওপৰৰ দৃষ্টান্ত সমূহৰ পৰা যি দেখা গল যাই কেবোণ দক্ষতাৰ অভাৱত নাই। আছে আন কৰবাতহে।

Mr. Deputy Speaker :— Order, order, the hon. Minister will resume his reply after lunch. Now, the House stands adjourned till 2-30 P.M.

( After lunch )

* শ্ৰীৰমেশ মোহন কুলি :— বহুতে এনে আশংকা প্ৰকাশ কৰাও দেখা যায় যে এই সংৰক্ষণ ব্যৱস্থাই ৰাজ্যৰ ঐক্য সংহতি খুন্ন কৰিব। মই ভাবো এই সংৰক্ষণ ব্যৱস্থাই কাকো অৰ্থাত কোনো জনগোষ্ঠীক ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত কৰিবলৈ যোৱা নাই। সংবিধানৰ নিৰ্দেশক নীতিৰ বলত ৰাজ্যৰ সংখ্যা গৰিষ্ঠ লোকৰ শুভেচ্ছা আৰু সক্ৰিয় সহযোগৰ কল্যাণতহে এই ব্যৱস্থা প্ৰবৰ্ত্তন কৰাৰ বাবে লোৱা হৈছে।

উপাধ্যক্ষ মহোদয়, মানুহৰ দেহৰ এটা অঙ্গ যদি ঘূণীয়া বা ৰুগ্ন হৈ থাকে দেহটোৱে পূৰ্ণ সৌষ্ঠৱতা লাভ কৰিব নোৱাৰে। এই পচিশ

* Speech not corrected

লাখ নিশকটীয়া হল অসমৰ চল্লিশ লাখ জনসাধাৰণৰ এটা অংশ। এই দুৰ্ভগীয়া সকলক নিশকটীয়াকৈ ৰাখি অসমে নিশ্চয় পূৰ্ণ সৌষ্ঠৱতা, সৰ্ব্বাঙ্গীন উন্নতি লাভ সম্ভৱ কৰি তুলিব নোৱাৰে। কাজেই অসম তথা দেশৰ কল্যাণৰ স্বাৰ্থতেই সংৰক্ষণৰ ব্যৱস্থা লৈ মাননীয় সদস্য সকলোৱেই আন্তৰিক সমৰ্থন জনাব বুলি আশা ৰাখিব পৰা যায়।

দৰাচলতে, এই বিধেয়কখনত একো নাই যিহেতু এনে সংৰক্ষণৰ মৰ্মে চৰকাৰৰ নিৰ্দেশ আৰু প্ৰশাসনীয় হুকুম আছেই। আৰু এটা কথা এইখিনিতে স্পষ্ট কৰি থোৱা ভাল হব যে মাননীয় সদস্য সকলে জানে যে আৰম্ভণীতে এখন আইন নিখুট আৰু ত্ৰুটিহীন হব নোৱাৰে। আইনখন কাৰ্য্যকৰী কৰাৰ পিচত বাস্তৱ ক্ষেত্ৰত লাভ কৰা অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰিহে তাৰ যদি কিবা দোষ-ত্ৰুটী থাকে সেইবোৰ আঁতৰ কৰাৰ চেষ্টা কৰা হয়। এই খচৰা বিধেয়কৰ ক্ষেত্ৰতো আৰম্ভণীতে বহুতো সংশোধন আনিবলৈ গলে বিধেয়কখনৰ বিধি ব্যৱস্থাবোৰৰ পৰা সামগ্ৰীক ভাৱে আশা কৰা পৰিণতি ব্যাহত হোৱাৰ আশংকা আছে। আমি অৱশ্যে সন্মানিত সদস্য সকলে অনা বিভিন্ন সংশোধনী প্ৰস্তাৱৰ অন্তৰালত আইনখন নিখুট আৰু দোষ শূন্য কৰি তোলাৰ বাবে প্ৰকাশ কৰা গভীৰ উদ্বেগ শ্ৰদ্ধাৰে লক্ষ্য কৰিছো। মই তেখেত সকলক আশ্বাস দিব খোজো যে আইনখন কাৰ্যতঃ প্ৰয়োগ কৰাৰ পিচত লাভ কৰা অভিজ্ঞতাৰ পৰা কিবা সংশোধনৰ প্ৰয়োজন বোধ কৰিলে নিৰ্বিধায় এই পবিত্ৰ সদনতে ভৱিষ্যতে দাঙি ধৰা হব। এতিয়া বিধিগত ব্যৱস্থাৰে এই বিধেয়কখন মাননীয় সদস্য সকলৰ সমৰ্থনৰ বাবে প্ৰস্তাৱ ডাঙি ধৰিলো।

Mr. Deputy Speaker :— There are two amendments moved by the Hon'ble Member Shri Premodhar Bora. Now I put the motion. The motion is that the

Assam Scheduled Castes and Scheduled Tribes ( Reservation of Vacancies in Services and Posts ) Bill, 1971, be referred to the Select Committee consisting of the following Members : –

1. Shri R.M. Kouli, Minister, Chairman,
2. Shri Kiron Ch. Bezbarua, M.L.A., Member,
3. Shri Altaf Hossain Mazumdar, M.L.A., Member,
4. Shri Binoy Basumatari, M.L.A , Member,
5. Shri Ramesh Das, M.L.A., Member,
6. Shri Bhadreswer Gogoi, M.L.A., Member,
7. Shri Bilton Momin, M.L.A., Member,
8. Shri Mukut Sarma, M.L.A., Member,
9. Smti. Syeda Anwara Taimur, M.L.A., Member,
10. Shri Khagen Barbaruah, M.L.A., Member,
11. Shri Promod Ch. Gogoi, M.L.A., Member,
12. Shri Hemen Das, M.L.A., Member,
13. Shri Premodhar Bora, M.L.A., Member,

5 (Five) member will constitute the quorum.

The Committee will submit its report within 6 (six) months from the date of constituting the Committee

( The amendment is lost. )

Now, I would like to know whether the Hon'ble

Member Shri Khagen Barbarua will withdraw his amendment ?

Shri Khagen Barbarua :— Sir, I withdraw my amendment.

Mr. Deputy Speaker :— Is that the pleasure of the House to grant leave to him to withdraw his amendment ?

( Voices, yes. yes ).

The amendement is withdrawm.

Now, I put the main motion. The motion is that the Assam Scheduled Castes and Scheduled Tribes (Reservation of Vacancies in Services and Posts ) Bill, 1978 be taken into consideration.

( The motion is passed. )

Now, Item No. 4 (b).

শ্ৰীখগেন বৰবৰুৱা :— উপাধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয়ে যিটো ষ্টেটমেন্ট দিছে তাৰ কপি এটা আমাক দিব লাগে। মোৰ দ্বিতীয় কথা হৈছে নিয়মমতে প্ৰতিজন সদস্যই যি মন্তব্য কৰিছিল তাৰ ওপৰত তেখেতে উত্তৰ দিব লাগে। I am just pointing out this fact so that this will be taken into consideration.

I am just pointing out this fact so that this will be taken into consideration.

Mr. Deputy Speaker :— This is not the stage to

point out this. Now, there three amendments in Clasuse (II) of the Bill. These amendments are moved by Shri Robindra Nath Choudhury, Shri Harendra Goswami and Shri Baneswar Saikia. Now, Shri Choudhury.

Shri Robindra Nath Choudhury :— Sir, I beg to move that in items 2 (b) and 2 (c) (ii) the words 'fifty-one' occuring in line fourth shall be substituted by the word 'twentyfive'.

Mr. Deputy Speaker :— Now, Shri Goswami.

Shri Harendra Goswami :— Sir, I am not moving.

Mr. Deputy Speaker :— Now, Shri Baneswar Saikia.

Shri Baneswar Saikia :— Sir, I beg to move that in sub-clause (b) of Clause 2, in line ninth in between the words 'institutions' and 'which' the words 'excluding the teaching staff' shall be inserted.

Shri Rabindra Nath Choudhury :— Sir, in support of this amendment I would like to point out that whether the law which will be applicable to the public sector can also be applicable to the private sectors especially to those where the Govt. is having 50% shares. Therefore, sir, my submission is that the provision of

this bill may also be made applicable in case of public of sectors and Corporations.

Shri Baneswar Saikia :— Sir, in supporting my amendment in Sub-clause (b) of Clause 2, I would like to make certain observations. Sir, the bill seeks to include the teaching staff of the educational institutions. Sir, I do not have any prejudice against reservations of vacancies in services and posts for Scheduled Castes and Scheduled Tribes ; but, Sir, the teaching staff which is supposed to render valuable service irrespective of all castes and community there only merit and competence should be the criterion for appointment of the teaching staff. If any reservation is made in respect of the teaching or for imparting knowledge, then the entire society will be affected adversaly. And if competent and capable persons are engaged for imparting knowledge then everybody will be benefitted. Here, Sir, the question of giving representations for earning their bread or livelihood should not be the actual consideration. So, Sir, from that point of view, I suggest that in respect of the teaching staff of any educational institutions such reservations would not be congenial and conducive to the healthy academic growth of the community as well. Sir, from that point of view I would like to request the Government to exclude this

portion and where only merits and competence are the only criteria such reservations should not be made, and, in the term 'establishment' the teaching staff may be excluded from the purview of this Bill. This is my humble submission that let us at least in this sphere keep it open so that we can impart knowledge to our growing generations without even the slightest hindrance. A qualified and competent teacher is always welcome. By this reservation I do not know what cultural and educational standard of our people will be served and that is from the broad respective I would suggest that this term should be confined only to the establishment in the educational institutions and the teaching staff may be excluded. This is my humble submission.

* শ্ৰীনগেন বৰুৱা :— উপাধ্যক্ষ মহোদয়, মই এই বিল খনৰ ক্লজ (২) (বি) ৰ সন্দৰ্ভত মাননীয় সদস্য শ্ৰীবানেশ্বৰ শইকীয়া ডাঙৰীয়া আৰু ক্লজ (চি) (১) ৰ সন্দৰ্ভত যি দুটা সংশোধনী আগবঢ়াইছে এই সংশোধনী দুটাৰ মই বিৰোধীতা কৰিছো আৰু মূল বিলখনত যিখিনি কথা সন্নিবিষ্ট আছে এই সন্নিবিষ্ট কথাখিনিক সমৰ্থন কৰি মই দুআষাৰমান কথা কব খুজিছো ।

প্ৰথমতে আমাৰ এই বিলখনৰ (বি) ত আছে— "establishment" means any Office of the State Government, a

* Speech not corrected

local or statutory authority constituted under any State Act for the time being in force or a Corporation in which not less than fifty-one percent of the paid up share capital is held by the State Government and includes Universities and Colleges affiliated to the Universitite, Primary, Secondary and Multipurpose Schools and also other educational institutions which are owned or aided by the State Government and also includes an establishment in Public Sector ;

উপাধ্যক্ষ মহোদয়, চৰকাৰৰ যিবিলাক নিগম বা ক'ৰপোৰেচন আদি বা কোম্পানীত শতকৰা ৫১ ভাগ অংশ থাকে বা অৰ্থনৈতিক সহযোগীতা থাকে এই অনুষ্ঠান বিলাক সম্পূৰ্ণৰূপে চৰকাৰী নহলেও চৰকাৰৰ অধিকাংশই কৰ্তৃত্ব আছে। গতিকে এই মূল বিলখন যেতিয়া আইনত পৰিণত হব, চৰকাৰৰ বিত্ত বিভাগ বা দপ্তৰত যিবিলাক সংৰক্ষণ দিব সেই সংৰক্ষণত কোম্পানী বা কোৰপোৰেচনৰ শতকৰা ৫১ ভাগ বিত্তীয় সহযোগীতা থাকিব। সেইবিলাক কাৰ্য্যকৰী কৰাৰ কাৰণে যিবিলাক দিহা কৰা হৈছে সেইটো সমীচিন হৈছে। য'ত শতকৰা ২৫ ভাগ যিবিলাক কোম্পানী বা নিগমৰ থাকে এইবিলাক চোৱাচিটা কৰাৰ ক্ষেত্ৰত প্ৰথম অৱস্থাৰে পৰা বেছি অসুবিধা নহয়, এইখিনি কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত আজি যিখন বিল আনিছে আৰু ইয়াত যিধৰণে মতামত উঠিছে সেই ফালৰ পৰা অলপ সংখ্যক মানুহৰ মনত সন্দেহ আৰু কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত কিছু অসুবিধা আহিব পাৰে। সেই কাৰণেই প্ৰথম অৱস্থাৰে পৰা বৰ্ত্তমানৰ চৰকাৰৰ যিটো শতকৰা ৫১ ভাগ বিত্তীয় সহযোগীতাৰ কথা আছে তেনেকুৱা বিলাক কোম্পানী বা কোৰপোৰেচনৰ ভিতৰত আবদ্ধ হৈ থকাটো উচিত হৈছে। সেই কাৰণেই মই মাননীয় সদস্য

শ্ৰীচৌধুৰী ডাঙৰীয়াই এই বিলখনত যিটো সন্নিবিষ্ট ব্যৱস্থা আছে সেইটো সমৰ্থন কৰি তেখেতৰ সংশোধনীটো প্ৰত্যাহাৰ কৰিবলৈ অনুৰোধ জনালো। আনহাতে স্কুল-কলেজ বা বিশ্ববিদ্যালয়ত শিক্ষক নিয়োগৰ ক্ষেত্ৰত মাননীয় সদস্য শ্ৰীবানেশ্বৰ শইকীয়া ডাঙৰীয়া আৰু তেখেতৰ লগতে অনা আন্ কেবাজনো মাননীয় সদস্যই যিটো সংশোধনী দাঙি ধৰিছে সেই সংশোধনীত তেখেতে প্ৰধানকৈ কব বিচাৰিছে যে দক্ষতা আৰু অৰ্হতাৰ কথাত বেছি গুৰুত্ব আৰোপ কৰিছে।

উপাধ্যক্ষ মহোদয়, এই সংশোধনীটোত তেখেতে দক্ষতা আৰু অৰ্হতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। এই গোটেই বিলাক কথা মন্ত্ৰী ডাঙৰীয়াই ৰাম মনোহৰ লোহিয়াৰ কথাৰে বিবৃতি হিচাবে জনাইছে। দক্ষতা আৰু অৰ্হতাৰ দোহাই দি ভাৰতীয় সমাজত অনুসূচীত জাতি আৰু জনজাতি সকলক যুগযুগ ধৰি অৱহেলা কৰি অহা হৈছে। অসমত থকা প্ৰায় পচিশ লাখ অনুসূচীত জাতি আৰু জনজাতিৰ লোকক চাকৰি ক্ষেত্ৰত সংৰক্ষণ দিয়াৰ কাৰণে এই বিল অনা হৈছে।

উপাধ্যক্ষ মহোদয়, স্কুল-কলেজ বা ইউনিভাৰ্চিটিৰ চাকৰিৰ ক্ষেত্ৰত এই ৰিজাৰ্ভেশ্যন ৰাখিলেই দক্ষতা হেৰাই যাব সেই কথা হব নোৱাৰে, অৰ্হতা নোহোৱা হব তেনে কথা হব নোৱাৰে। জ্ঞান বিজ্ঞান বিস্তাৰত বাধাৰ সৃষ্টি হব সেই আশংকাও ভিত্তিহীন আশংকা। সংবিধানত অনুসূচীত জাতি আৰু জনজাতিৰ কাৰণে সংৰক্ষণৰ ব্যৱস্থা আছে। প্ৰাইমাৰী স্কুলৰ ক্ষেত্ৰতে চোৱা যাওক কম পক্ষেও প্ৰৱেশিকা পাচ নকৰা পৰ্য্যন্ত স্কুলৰ শিক্ষক নিয়োগ কৰিব নোৱাৰে। গতিকে নিম্নতম শিক্ষাগত অৰ্হতা বান্ধি দিয়া আছে যেতিয়া তেনে ক্ষেত্ৰত শিক্ষানুষ্ঠানত তেনে নিয়ম অনুসৰি শিক্ষক নিয়োগ কৰিলে শিক্ষাৰ মানদণ্ড কেতিয়াও তললৈ যাব নোৱাৰে। দক্ষতা আৰু অৰ্হতা বঢ়াবলৈ যি স্পৃহা তাৰ দ্বাৰাইহে আচলতে শিক্ষাৰ মানদণ্ড উন্নত হব পাৰে। সেই বাস্তৱ সত্যৰ উপলব্ধি

কৰি সেই মতেই ব্যৱস্থা ৰখা হৈছে। সেয়ে মই ভাবো এই ব্যৱস্থা এটা দৃঢ় পদক্ষেপ হব আৰু সমাজৰ সকলোৱে সমান পৰ্য্যায়ত সুবিধা পোৱাৰ ব্যৱস্থা হব। স্কুল কলেজৰ ক্ষেত্ৰত যদি এই সুবিধা দিয়া নহয় তেতিয়া-হলে এই বিলৰ আচল উদ্দেশ্য সাধিত নহব।

উপাধ্যক্ষ মহোদয়, অসম চৰকাৰৰ এক লাখ নব্বৈ হাজাৰ কৰ্ম-চাৰী আছে। তাৰ ভিতৰত স্কুল কলেজ আৰু ইউনিভাৰ্চিটিৰ কৰ্ম্মচাৰীকো ধৰা হৈছে। যদি সেই স্কুল-কলেজ আৰু ইউনিভাৰ্চিটিৰ পৰা সুবিধা বাতিল কৰি দিয়া হয় তেতিয়াহলে বিলৰ আচল উদ্দেশ্যৰ পৰা আতৰি থকা হব। আৰু এই বিলৰ দ্বাৰা যি সকলক সুবিধা দিব খোজা হৈছে সেই সকল বঞ্চিত হব। সেই কাৰণে অসমৰ ভিতৰত থকা শিক্ষানুষ্ঠান বিলাকক ধৰি সকলো চাকৰিতে সংৰক্ষণৰ ব্যৱস্থা ৰখাৰ কাৰণে ইয়াত ক্লজ সন্নিবিষ্ট কৰা হৈছে। সেই আৰোপিত ক্লজ অনুযায়ী সেইখিনি সুবিধা পাব লাগে। মই এই ক্লজ সমৰ্থিতে সমৰ্থন কৰিছো আৰু মান-নীয় সদস্য সকলক সমৰ্থন কৰিবলৈ অনুৰোধ জনাইছো।

শ্ৰীহেমেন দাস :— মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় সদস্য শ্ৰীবানেশ্বৰ শইকীয়া ডাঙৰীয়াই উত্থাপন কৰা সংশোধনীটোৰ বিৰোধীতা কৰি দুষাৰ কব খুজিছো। মাননীয় সদস্য শইকীয়া ডাঙৰীয়াই যিটো আশংকা কৰিছে যে স্কুল-কলেজ আদিত এই বিলৰ দ্বাৰা সংৰক্ষণ ৰাখিলে জ্ঞান আদি দিয়াত কিছু ক্ষতি হব। এই ক্ষেত্ৰত মই কওঁ যে স্কুল কলেজ বা ইউনিভাৰ্চিটিত চাকৰি দিয়াৰ ক্ষেত্ৰত যোগ্যতা যিটো থাকিব লাগে সেই যোগ্যতা থাকিলে বাস্তৱ ক্ষেত্ৰত জ্ঞান বিতৰণ কৰাত নিশ্চয় অসুবিধা নহব। কিয়নো যিখিনি শিক্ষাগত অৰ্হতাৰ দৰকাৰ সেইখিনি থাকিব। কিন্তু তাকে নকৰি কিছুমান বিভাগ বাদ দি যদি কেইটামান বিভাগত মাত্ৰ সংৰক্ষণৰ ব্যৱস্থা ৰখা হয় তেতিয়াহলে এই বিলৰ উদ্দেশ্য সম্পূৰ্ণ নহব। কলেজ বা ইউনিভাৰ্চিটিৰ ক্ষেত্ৰত অধ্যাপকৰ কাৰণে যিখিনি

অৰ্হতাৰ দৰকাৰ তাতকৈ কম অৰ্হতাৰ লোকক নিযুক্তি নিদিব। গতিকে শিক্ষাগত অৰ্হতা যেতিয়া যি পৰিমাণৰ লাগে সেইখিনি থাকিব, তেতিয়া-হলে অনুসূচীত জাতি বা জনজাতিৰ লোকে শিক্ষাদান কৰাত সমৰ্থ নহব বা ভাল শিক্ষা দিব নোৱাৰিব তেনেকুৱা ধাৰণাৰ সৃষ্টি হোৱা ভুল। তাৰ বাবে মই মাননীয় সদস্য শ্ৰীশইকীয়া ডাঙৰীয়াক অনুৰোধ কৰো যাতে তেখেতে তেখেতৰ এই সংশোধনীটো উঠাই লয়।

শ্ৰীখগেন্দ্ৰ নাথ বৰবৰুৱা :— উপাধ্যক্ষ মহোদয়, শিক্ষাই হ'ল এখন দেশৰ একমাত্ৰ বিষয় যাৰ দ্বাৰা দেশখনৰ অগ্ৰগতিৰ মানদণ্ড ঠাৱৰ কৰিব পাৰি।

যিখন দেশৰ শিক্ষাৰ মানদণ্ড কম সেইখন দেশ অতি পিছপৰা। শিক্ষাৰ ক্ষেত্ৰত বিশেষ অৰ্হতা সম্পন্নলোক থকা দৰকাৰ। কোনোবা এটা ল'ৰাই ১০ বছৰ প্ৰমোচন নোপোৱাকৈ থকাৰ পিছতো শেষত উত্তীৰ্ণ হোৱাৰ সম্ভাৱনা থাকিব পাৰে। চাৰ, মোৰ দিনতে, এজন ল'ৰাই ১০ বছৰৰ পিছত পাছ কৰি এতিয়া গোলাঘাটৰ এখন হাইস্কুলত শিক্ষকতা কৰি আছে। এই ল'ৰাবিলাকৰ প্ৰকৃততে মগজুৰ শক্তি উচ্চ।

Mr. Deputy Saeeker :— Oeder, order, I hope the Hon'ble Member will try to address the chair and limit his speech

শ্ৰীখগেন বৰবৰুৱা :— উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই অন্যান্য সদস্য সকলক শইকীয়া ডাঙৰীয়াই উত্থাপন কৰা এমেণ্ডমেণ্টখন মানি লবলৈ অনুৰোধ কৰোঁ আৰু এইটো কৰা দৰকাৰ আৰু উচিত। সমাজৰ কল্যাণৰ কাৰণেই উচ্চ খাপৰ ৰিজাৰ্ভেচন থকা উচিত নহয় আৰু মাৰ্ক্সৰ পাৰ্চেণ্টেজ ধৰি দিয়াটো ঠিক নহ'ব। ইয়াকে কৈ মই মোৰ

বক্তব্য সামৰিলোঁ।

* শ্ৰীগিয়াচুদ্দিন আহেমদ :— মাননীয় উপাধ্যক্ষ মহোদয়, মই এই সংশোধনীটোৰ গুৰুতৰ বিৰোধিতা কৰিছোঁ। কাৰণ টিচিং প্ৰফেচনেলেই হওক বা প্ৰফেচাৰেই হওক ভুল ধাৰণা সমাজৰ মাজত সোমোৱাই দিয়া হৈছে, এইটো হেজাৰ বছৰীয়া কথা বিশেষ কোনো শ্ৰেণী বা সমাজৰ মানুহৰ মস্তিস্ক বহু উৰ্বৰা আৰু বিশেষ বিশেষ শ্ৰেণীৰ মানুহৰ মস্তিস্ক অনুৰ্বৰা। এই উদ্দেশ্যেই শ্ৰেণী বিভাজন হৈছে আৰু এনে কিছুমান অসুবিধাৰ লগতে অৰ্থনীতিৰো সম্পৰ্ক আছে, মস্তিস্কৰ বিকাশৰ লগত অৰ্থনীতিৰো সম্পৰ্ক আছে আৰু এটা শ্ৰেণীয়ে সদায়েই বিশেষ এটা শ্ৰেণীক তলত ৰাখি থোৱাত মানসিক বিকাশত সুবিধা নোপোৱাৰ ফলত হয়তো তেনেকৈ হৈগৈ হব পৰা নাই। এইটো অৰ্থনৈতিক কাৰণতে হৈছে। এই বিলখনৰ কিছু ত্ৰুটি থকাৰ বাহিৰে মূল কথাটো বিৰোধিতা কৰা নাই, ইয়াৰ বিশেষ কোনো এটা আইনৰ অবিচাৰ কৰা হৈছে, সেই অবিচাৰ কিমান দিন ৰহাই দিয়া হ'ব আৰু কালক্ৰমত এনেকুৱা এটা দিন আহিব. এনে এটা যুগ আহিব, য'ত বংশৰ ভিত্তিত, সম্প্ৰদায়ৰ ভিত্তিত বিচাৰ নহৈ আচল জ্ঞানৰ ভিত্তিত বিচাৰ কৰা হ'ব, সেইটো হৈছে ব্যক্তিগত যোগ্যতাৰ ওপৰত। গতিকে টিচিং প্ৰফেচনেলত বিশেষকৈ কোনো সম্প্ৰদায়ৰ শিক্ষাগত অৰ্হতা থকা সকলৰ বিশেষ সুবিধা হ'ব। সামাজিক নিম্ন শ্ৰেণী বা উচ্চ শ্ৰেণী বুলি কোনো আইন নেথাকিব। গতিকেই এই সংশোধনীৰ বিৰোধিতা কৰিছোঁ।

* শ্ৰীফনী মেধি :— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় শইকীয়া ডাঙৰীয়াই যিটো সংশোধনী আনিছে, তাৰ মই বিৰোধীতা কৰিছোঁ। শিক্ষাৰ ক্ষেত্ৰত, স্কুল, কলেজৰ শিক্ষাৰ ক্ষেত্ৰত যিটো সংশোধনী অনা

* Speech not corrected

হৈছে মই বিৰোধীতা কৰিছোঁ আৰু মাননীয় সদস্য গিয়াচুদ্দিন আহমেদ ডাডৰীয়াৰ লগত মই এই ক্ষেত্ৰত একমত।

উপাধ্যক্ষ মহোদয়, এসময়ত বৃটিছে যেতিয়া আমাৰ দেশ শাসন কৰিছিল, তেওঁলোকে বিশেষ সম্প্ৰদায়ৰ ল'ৰা-ছোৱালীক যোগ্যতা থাকি-লেও শিক্ষাৰ সুবিধা নিদিছিল আৰু চাকৰিৰ ক্ষেত্ৰত সদায়েই পিছ পেলাই ৰাখিছিল। এই কথাটো বহুতো মাননীয় সদস্যই কৈ আহিছে। মই কবলৈ বিচাৰিছোঁ যে ইয়াৰ কাৰণ আছিল মূল উদ্দেশ্য আছিল, বৃটিছে তেওঁলোকৰ সাম্ৰাজ্যবাদী সমাজ, কলনিয়েল সমাজ বিস্তাৰ কৰিব খুজিছিল আৰু সামন্ত ভূস্বামী সকলক কৃত্ৰিম ভাবে এই সুবিধা দিছিল। এই ব্যৱস্থাটো এতিয়া আমাৰ সমাজত ইন্পজদ্ কৰা হৈছে। বিশেষ এটা শ্ৰেণীৰ মগজু দুৰ্ব্বল কৰি যি ধাৰণা সোমাৰাই দিছিল, সেয়া চলি থাকিলে নহ'ব। এই ক্ষেত্ৰত ডঃ আম্বেদকাৰৰ কথা স্মৰণীয়। যুগ যুগ ধৰি এটা বিশেষ শ্ৰেণীক বৃটিছে শোষণ, ৰাজনৈতিক শোষণ, অৰ্থনৈতিক শোষণ, সামাজিক শোষণ কৰি আহিলে, সেই শোষণক ভেটিব নোৱা-ৰিলে, এটা জাতি হিচাবে যিটো বিভাজন থাকি গ'ল সেই বিভাজন চিৰদিনেই থাকি যাব। আমি আজি এনে এখন দেশ বিছাবোঁ, য'ত কোনো জাতি, কোনো ধৰ্ম্মৰ প্ৰতিবন্ধকতা নেথাকিব আৰু যেতিয়ালৈকে এই জাতি ভেদ, শ্ৰেণী বিভেদ থাকিব, তেতিয়ালৈকে আমি দুৰ্ব্বল হৈ থাকিম। ৰিজাৰ্ভেচনৰ ক্ষেত্ৰত উচ্চ-নীচ বিচাৰ নকৰি সকলোকে সমান অধিকাৰ দিব লাগিব। শিক্ষাৰ ক্ষেত্ৰতো অন্যান্য ক্ষেত্ৰৰ দৰে কোনো প্ৰতিবন্ধকতা ৰাখিব নেলাগে। কাৰণ এই ক্ষেত্ৰত কোনো অসুবিধা আহিব বুলি আমি নেভাবোঁ।

অধ্যক্ষ মহোদয়, গুৱাহাটী ইউনিভাৰচিটিৰ এজন প্ৰফেচাৰ ডঃ অমৰেশ দত্তক সোধাত কৈছিল, যেতিয়া তেওঁ শিক্ষা লাভ কৰিবলৈ

গৈছিল, তেতিয়া তেওঁ বি, এ, পাছ বা এম, এ, পাছ কৰি অধ্যাপক হব নে, কেৰাণী হ'ব একো জনা নাছিল। কিন্তু এতিয়া এম, এ, পাছ কৰি ইউনিভাৰচিটিৰ অধ্যাপক হ'লগৈ। এই ক্ষেত্ৰত ল'ৰা-ছোৱালী বিলাকৰ উপযুক্ততাৰ ওপৰত নিৰ্ভৰ কৰি কৰা হৈছে। সেয়েহে মই শইকীয়া ডাঙৰীয়াৰ সংশোধনীটোৰ বিৰোধীতা কৰিছোঁ আৰু তেখেত সকলে ৰিজাৰ্ভেচনৰ ক্ষেত্ৰত সমৰ্থন কৰি বিলখন অনুমোদন কৰিবলৈ সমৰ্থন যাতে কৰা হয়, তাকে আশা কৰিলোঁ।

* শ্ৰীবৈকুণ্ঠ দাস :— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য বানেশ্বৰ শইকীয়া ডাঙৰীয়াই যি এমেণ্ডমেণ্ট আনিছে, তাৰ বিৰোধিতা কৰিছোঁ। কাৰণ টিচিং ষ্টাফত দক্ষতা সম্পন্ন লোক লাগে, বহুতো চিডুল কাষ্ট আৰু চিডুল ট্ৰাইব ল'ৰাৰ মাজতো তেনে দক্ষতা দেখা যায়। কিন্তু এই শিক্ষাৰ ক্ষেত্ৰত কিয় এই ল'ৰা বিলাকক সুবিধা দিয়া নহয় আমি বুজি নেপাওঁ। উপাধ্যক্ষ মহোদয়, এনে ধৰণৰ ঘটনা প্ৰায়েই ঘটি থাকে, যোৱা কালি মোৰ ওচৰলৈ এজন আই, এ পাছ অনুসূচীত জাতিৰ লৰা আহিছিল, তেওঁ কৈছে যে বিজ্ঞাপন মতে আই, এ পাছৰ অৰ্হতা সম্পন্নহে শিক্ষকৰ চাকৰিটোৰ কাৰণে লাগে। কিন্তু সেই লৰাজনক চাকৰিটো নিদি বি, এ পাচ উন্নত সম্প্ৰদায়ৰ লৰা জনকহে শিক্ষকতাত নিয়োগ কৰা হ'ল। এই ক্ষেত্ৰত লৰাজনে কিয় সুবিচাৰ নাপালে? গতিকে আমি ভাবো শিক্ষাৰ ক্ষেত্ৰত এনে হোৱাটো অনুচিত। আজি এনে বহুতো অনুসূচীত জনজাতিৰ লৰা আছে তেওঁলোক ইমান মেধা সম্পন্ন যে বহুতো উচ্চ-খাপৰ মেধা সম্পন্ন লৰাৰ দৰেই। প্ৰবন্ধ পাতি লিখিছে আৰু প্ৰকাশ কৰিছে, এই বিলাকৰ ভিতৰত মিচিং বড়ো কছাৰী লোকৰ লৰাও আছে। গতিকে তেওঁলোকক যদি আমি প্ৰতিভা বিকাশ কৰিবলৈ সুবিধাই নিদিও

* Speech not corrected

যেনেকৈ পুখুৰী বা নদী নাপালে পথাৰত সাতোঁৰাৰ কোনো অৰ্থ নাই তেনেকৈ তেওঁলোকক উপযুক্ত ঠাইত নিয়োগ নকৰিলে তেওঁলোকৰ প্ৰতিভা জুখিবলৈয়ো অবকাশ নাথাকে। শিক্ষা বোৰ্ডৰ চেয়াৰমেনে কৈছে যে আজি শিক্ষাৰ মানদণ্ড কমি গৈছে। কাৰণ আগতে মেট্ৰিক পাচ কৰাওঁতে যিবিলাক লৰা-ছোৱালীক গ্ৰেচ মাৰ্ক দিয়া হৈছিল আচলতে গ্ৰেচ মাৰ্কচ হিচাবে দিয়া হোৱা নাছিল, সেইবিলাক দিচগ্ৰেচ মাৰ্ক দিহে পাচ কৰোৱা হৈছিল।

আমাৰ এই আইনখন কাৰ্য্যকৰী হোৱা নাই। সেই ধৰণেই চাকৰিও অৰ্হতা নাই বুলি দিয়া হোৱা নাই। এইটো যদি হয়েই থাকে বহু বছৰলৈ এইটো লক্ষ্য কৰিছো এই লোক সকলৰ বেকাৰ সংখ্যা বাঢ়ি গৈ থাকিব। প্ৰফেচাৰী কামো কৰবাত কৰবাত কৰি আছে। তেতিয়াহলে পাৰ্চেনটেজৰ কি কাম হল। সেইকাৰণে মই ভাবো এই দক্ষতাৰ অজুহাত দেখুৱাই এই লোক সকলক বঞ্চিত কৰিবলৈ বিচাৰিছে। আৰু এই ধৰণে চিৰকালেই চলি থাকিব বুলি অনুমান হয়। সেইকাৰণে তেখেতে যিটো সংশোধনী আনিছে সেইটো মই বিৰোধিতা কৰি বিলখন সমৰ্থন জনাই সামৰণি মাৰিলো।

Shri Ramesh Mohan Kouli :— Mr. Deputy Speaker, Sir. The amendment moved by hon'ble member Shri R. N Choudhury to clause (b), I request him to withdraw because corporation means in which Govt. have share of more than 51% ; that is considered as Govt. companies having controlling interest of Govt. in management and control. So, this amendment, I request the hon'ble member to withdraw. Regarding amend-

ment brought by hon'ble member Shri Saikia to sub-clause (b) of clause 2, I may point out that merit criteria will not be sacrficed and appointment to such institutions will be made subject to fulfilment of the minimum qualifications. So I request the hon'ble member, to withdraw the amendment.

Shri Rabindra Nath Choudhury :— Mr. Deputy Speaker, Sir, I withdraw my amendments to clause 2 (b) and clause 2 (c) (ii).

Mr. Deputy Speaker :— Is it the pleasure of the House to grant leave to Shri Choudhury to withdraw the amendments?

(Voice— yes, yes)

The amendments stand withdraw.

Shri Baneswar Saikia :— Mr. Deputy Speaker, Sir. As to my amendment to sub-clause (b) of clause 2 demanding "excluding the teaching staff" be included, the hon'ble Minister has given certain clarifications. But this has created a lot of confusion and misgivings among the hon'ble members of the House. My positions was that I did not intend to cast any reflection on any of the sections of our society and my last phrase in my speech was 'in the broad perspective';

that was my argument and here many of my learned and hon'ble friends have got into confusions and sought to misunderstand me but I like to make it clear that the people who belong to the down trodden strata of our society. we cannot afford to overlook their interest and here it was not in my mind that our brethren are inferior to others. It was not in my mind: My contention was that everybody would have been benefitted and many of our friends sought to constitute this phraseology as a nationality.........

Mr. Deputy Speaker :— Whether the hon'ble member wants to withdraw or press the amendment ?

Shri Baneswar Saikia :— I am going to withdraw but I must make some clarifications. Sir, here only a strata of the people, not nationality, this strata which is the down trodden strata of our society, they should be naturally lifted up. That is what we view but here if the whole society is to be benefitted I don't think that this will create much confusion or misgivings among our hon'ble members. However, since the hon'ble Minister has given the clarification in view of that I withdraw my amendment to sub-clause (b) of clause 2 of the Bill,

Mr. Deputy Speaker :— Is it the pleasure of

the House to grant leave to Shri Saikia to withdraw the amendment ?

( Voice— yes, yes )

The amendment stands withdrawn.

Now, I put clause 2. Clause 2 does form part of the Bill.

Clause 2 forms part of the Bill

Now, clause 3 ; there are 4 amendments to clause 3.

Shri Noorul Huda :— Sir, I beg to move that item (d) of clause 3 be deleted.

Shri Rabindra Nath Choudhury :— Sir, I wish to move that in clause 3, items (b), (c) and (d) be deleted and subsequent item shall be renumbered accordingly.

Shri Giasuddin Ahmed :— Sir, here in clause 3 sub-clause (a)— this Act shall not apply to any employment under the Central Govt. but by this amendment................

Shri Rabindra Nath Choudhury :— Amendment to (b), (c) and (d), not (a).

Shri Phani Medhi :— Is there any point of order, Sir.

Mr. Deputy Speaker :— There is no point of order.

Shri Md. Fakhrul Islam :— Mr. Deputy Speaker Sir, there is an amendment and it is be moved. But before moving the amendment Sir, I would like to get clarification from the Hon'ble House.

Mr. Deputy Speaker :— The Hon'ble Member is to move the amendment first.

Shri Md. Fakhrul Islam :— Mr. Deputy Speaker Sir, item (b) of Clause 3, the punctuation "(;)" at the end should be deleted and the words Grade-II should be inserted. In this connection, I would like to say.....................

( Laughter, Laughter ).

শ্রীনুরুল হুদা :— মাননীয় উপাধ্যক্ষ মহোদয়, এটা সকলেরই জানা আছে যে আমাদের দেশে এখন পর্যন্ত যে ব্যবস্থা চলছে, এতে সরকারী বা রাষ্ট্রায়ত্ব ক্ষেত্রের চেয়ে বে-সরকারী বা প্রাইভেট সেক্টরে চাকুরী বা অন্যান্য কাজের ব্যবস্থা অনেক বেশী। মোটামুটি ভাবে আমরা বলতে পারি যে বে-সরকারী সংস্থায় এখন পর্যন্ত আমাদের দেশে হাজার হাজার কোটি টাকার মূলধন খাটছে এবং শতকরা ৮০ ভাগ শিল্প, ব্যাবসা, বানিজ্য এমন কি কৃষিও প্রাইভেট সেকটারের অধীনে

রয়েছে। সুতরাং আজকে যেভাবে বিলটা এসেছে সেইভাবে যদি এই সমস্ত বে-সরকারী ক্ষেত্রের চাকুরি বা অন্যান্য কাজকে বাদ দেওয়া হয়, তাহলে শতকরা ১৫/২০ ভাগের বেশী চাকুরী থাকেনা। তারজন্যই আমরা আমাদের পার্টির তরফ থেকে ৪ জন এই সংশোধনী দিয়েছি। আর একটা কথা হলো, উপাধ্যক্ষ মহোদয়, যে বে-সরকারী শিল্পে দেখা যায় যে একচেটিয়া পুঁজিপতিরা যেমন টাটা বিড়লা বা ঐ ধরণের অন্যান্য শিল্প গোষ্ঠী থেকে আরম্ভ করে ছোট ছোট শিল্প গোষ্ঠী ( যেমন আমাদের আসাম রাজ্যের বেশীরভাগ শিল্পসংস্থার মালিক আসাম রাজ্যের বাইরে থেকে এসেছে ) যেভাবে বিশেষতঃ এই পশ্চাদপদ সম্প্রদায় এর লোককে এবং সামগ্রিকভাবে এই রাজ্যের সমস্ত চাকুরিপ্রার্থী লোকদের বঞ্চিত করে বাইরের রাজ্য থেকে বহু লোককে, যাদের কোনও অভিজ্ঞতা নাই, যোগ্যতা নাই তাদেরে নিয়ে আসছে। এমন কি আমরা যখন এমপ্লয়মেণ্ট রিভিউ কমিটীর তরফ থেকে ডিব্রুগড়, যোরহাট গোয়ালপাড়া ইত্যাদি স্থানে গিয়েছিলাম, এমনকি এই গৌহাটির আশেপাশেও দেখেছি যে সেমি-স্কিল্ড ও আন-স্কিল্‌ড্ এমনকি যেখানে শিক্ষাগত যোগ্যতারও কোন প্রশ্ন নাই এইসব শিল্পের মালিকরা এই রাজ্যের বাইরে থেকে বহু যুবককে এনে এইসব পদে চাকুরি দিয়েছে। যার ফলে আমাদের রাজ্যে একটা অসন্তোষ পুঞ্জিভূত হয়ে আছে এবং বিশেষভাবে এই তপশীলভুক্ত সম্প্রদায় এবং অবিসি এবং সিডিউলড্ কাষ্ট এবং ট্রাইবের এবং সঙ্গে সঙ্গে অন্যান্য পশ্চাদপদ সম্প্রদায়ের যুবক যুবতীদের এই চাকুরির সুযোগ থেকে বঞ্চিত করা হচ্ছে। সুতরাং, মূলতঃ এই কারণেই এই সংশোধনী এখানে দিচ্ছি এবং আমাদের আশা সরকার পক্ষ তে গ্রহণ করবেন এবং এই বিল থেকে ক্লজ-বি বাদ দেবেন।

* শ্রীরবীন্দ্র নাথ চৌধুরী :— মাননীয় উপাধ্যক্ষ মহোদয়, ক্লজ

* Speech not corrected

৩ (ব) ত কোৱা হৈছে যে any employment in the Assam Judicial Service Grade I: এইটো সংশোধনী সাপেক্ষে সংশোধনী বিচাৰিছো কিয়নো প্ৰথমতে কোৱা হৈছে যে যিকোনো নিয়োগৰ ক্ষেত্ৰত চিডিউল কাষ্ট বা চিডিউল ট্ৰাইবৰ প্ৰাৰ্থী সকলৰ বেচিক কোৱালিফিকেশ্যন লাগিবই। এতেকে কোনোবা চিডিউল কাষ্ট বা চিডিউল ট্ৰাইবৰ প্ৰাৰ্থীৰ কাৰণে ৭ বছৰৰ ওকালতিৰ অভিজ্ঞতা আৰু আইন বিষয়ত ডিগ্ৰি থাকিব লাগিব। তেনে ক্ষেত্ৰত এই আইনৰ দ্বাৰা চিডিউল কাষ্টক আৰু চিডিউল্ড ট্ৰাইবেলৰ প্ৰাৰ্থীক প্ৰথম বিভাগীয় নিযুক্তিৰ ক্ষেত্ৰত ৰিজাৰ্ভেশ্যনৰ পৰা বঞ্চিত কৰা হব আৰু তাৰ ফলত এই আইনৰ মুল উদ্দেশ্যৰ পৰা আতৰি যোৱা হব। গতিকে ওপৰোক্ত ৩ ধাৰা (বি) ক্লজ ২ যোগে সংশোধনী আগবঢ়াইছো আৰু তাৰ লগতে গ্ৰেড ওৱানৰ কাৰণে যি প্ৰভিজন আছে সেইটোও সংশোধন হব লাগে। ঠিক সেইদৰে (চি) ৰ বেলিকাও একেই কথা। যিহেতু এই চিডিউল কাষ্ট আৰু চিডিউল ট্ৰাইবৰ প্ৰাৰ্থী সকলৰ বেচিক কোৱালিফিকেশ্যন থাকিলেহে এই ৰিজাৰ্ভেচনৰ কথা আহিব সেই ক্ষেত্ৰত এই প্ৰভিজনৰ দ্বাৰা আমি এই সকল প্ৰাৰ্থীক বঞ্চিত কৰিব নোৱাৰো। অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ যিকোনো প্ৰাৰ্থীৰ কাৰণে তেওঁলোকৰ প্ৰয়োজনীয় অৰ্হতা সাপেক্ষে তেওঁলোকৰ চাকৰি সংৰক্ষণ বা উন্নয়নৰ ক্ষেত্ৰত সংৰক্ষণৰ ব্যৱস্থা ৰাখিব আৰু তাৰ লগতে আমাৰ মাননীয় সদস্য শ্ৰীহুদা ডাঙৰীয়াই কৈ যোৱাৰ দৰে ক্লজ (ডি) ত আমাৰ নিয়োগৰ শতকৰা ৮০ ভাগ কৰ্ম্মসংস্থানৰ ব্যৱস্থা থকা প্ৰাইভেট চেক্টৰত থকা সেই কৰ্ম্মসংস্থান বিলাকৰ পৰা এই চিডিউল কাষ্ট আৰু চিডিউল ট্ৰাইবৰ প্ৰাৰ্থী সকল বঞ্চিত হব। সেয়ে ক্লজ (বি) (চি) আৰু (ডি) ৰ সংশোধন বিচাৰিছো আৰু আশাকৰো এই ক্ষেত্ৰত চৰকাৰ আৰু আমাৰ মাননীয় সদস্য সকলে এই সংশোধনী গ্ৰহণ কৰি আমাৰ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ লোক সকলৰ নিয়োগৰ ক্ষেত্ৰত সুবিধা আগবঢ়াব।

Shri Fakhrul Islam :— Mr. Deputy Speaker Sir, some of the hon'ble members have become impatient for moving amendment to this Bill because this............

Shri Noorul Huda :— Sir, the hon'ble member has said that some members have become impatient. Sir, in saying so, I belive, the hon'ble member himself is impatint.

Shri Fakhrul Islam :— Sir, my submission is that this is an august House constituted under the Constitution of India. We should have been given due chance to speak on passing of a bill because passing of a bill is not to be done in a hurried way. I hope the hon'ble members have the patience to hear me. Sir, it can be ascertained from the very nature of the debete going on for days together, rather sessions together on this bill that it is a very important bill and the hon'ble members are very eager to pass it. I do not intend to break anything but I must be given a chance to speak and to express my mind on the amendment. Under the rule of the constitution I have the right to move amendment and I hope the Hon'ble Chair will protect my right. Sir, in the last session I along with others submitted petitions for amendment but as for me the Hon'ble Speaker allowed

this amendment to move in this session when the bill is introduced. I again moved for amendment but after submission of my list of amendment I got a letter from the Speaker that the said amendment could not be allowed.

Mr. Deputy Speaker :— My hon'ble member should remember that this is an official matter. We are now in the Assembly and therefore I request the member to confine to his amendment so far as Clause 3 is concerned.

Shri Fakhrul Islam :— This matter is regarding amendment. I have tried again and submitted a list to the Speaker ; but unfortunately he is not present today and you have occupied the Chair.... .........

Mr. Deputy Speaker :— My learned member has misunderstood because that is an official matter. As the hon'ble member is moving amendment he can say in support of the amendment and confine his deliberation to the amendment only. If he has got other things to say he may meet the hon'ble Speaker.

Shri Fakhrul Islam :— Sir, the matter is regarding admisibility of the amendment. My amendment has been rejected, because it goes beyond the scope of

the Bill. I have the paper in my hand to show that on 21-3-79 the Rajya Sabha passed the Special Corts Bill with two major amendments enlarging the Scope of the measure Then why this House can not enlarge the scope ?

Mr. Deputy Speaker :— My hon'ble member, if you are so eager, you can meet the hon'ble Speaker as I said earlier. While the sitting of this House is concerned, I am sorry, I cannot allow you to speak in this manner.

Shri Fakhrul Islam :— I wanted to raise it and I wanted to contact the Speaker also but this could not be settled. So, it should be discussed.

Mr. Deputy Speaker : – My learned member has misunderstood because there are some things which are to be discussed in the Assembly flour. If you want to move amendment that can be discussed but not other things. So, please confine to amendment only. On other things you can meet the Speaker, I have nothing to say. Now you please speak in support of the amendment only.

Shri Fakhrul Islam :— Sir, regarding amendment here I want to move that in item (b) of Clause

3, the punctuation "(;)" at the end shall be deleted and the words "and Grade II shall be inserted. In the judicial act only Grade I is exempted from the reservation. But I want to include Grade II as well because of the fact that Grade II post is also highly responsible job in the judiciary. The Sub-Judges are treated as Grade II and if these Grade II posts are kept reserved, where promotional scope is also there, then there is a possibility even the Munsiffs having 3 years of service can expect to get promotion to Sub-Judge. In judiciary system or judicial matters question of quality should come first and quantity should come next. But how the quality can be maintained on such abrupt promotion in the case of judiciary. For the sake of high standard of judiciary quality must be maintaind. I have seen even in Lok Sabha debate where a remark was made that a person by virtue of reservation quota has been holding a post many times on promotion but ultimately he volunteered to surrender that post as he was gettting that post because of reservation quota. If these things happen, and if a man is promoted 4 times on such reservation quota, that reduces the quality very much. If such things happen in judiciary then the standard will suffer. To maintain the standard of judiciary the quality must be

counted first. That is why I move this amendment.

শ্ৰীহেমেন দাস :— মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য শ্ৰীফখৰুল ইচলাম ডাঙৰীয়াই দাঙি ধৰা সংশোধনীটোৰ বিৰোধীতা কৰিছো আৰু মাননীয় সদস্য শ্ৰীৰবীন্দ্ৰ চৌধুৰী ডাঙীয়াই দাঙি ধৰা সংশোধনী- টোৰ সমৰ্থন কৰিছো। মই এই কথা কেতিয়াও মানি লব নোৱাৰো যে এজন উপযুক্ত অৰ্হতা সম্পন্ন মানুহ ট্ৰাইবেলেই হওক বা চিডিউল্ড কাষ্টেই হওক বা বামুনেই হওক বিচাৰক পদত নিযুক্ত কৰাৰ পিচত তেওঁৰ পৰা আমি উচিত বিচাৰ নাপাম।

( ভইচ : ডেট ইজ্ নট কন্টেনশ্যন। )

ইয়েচ্, ডেট্ ইজ্ দি কন্টেন্শ্যন। মাননীয় উপাধ্যক্ষ মহোদয়, জুডিচিয়েল চাৰ্ভিচত যাবলৈ হলে যিখিনি শিক্ষাগত যোগ্যতাৰ প্ৰয়োজন সেইখিনি শিক্ষাগত যোগ্যতা নাথাকিলে নিশ্চয় কোনো মানুহকে নিযুক্তি দিয়া নহব। চাকৰিৰ ৰিজাৰ্ভেশ্যন থাকিলেই কম অৰ্হতা সম্পন্ন মানুহক নিশ্চয় নিযুক্তি দিয়া নহয়। এই ক্ষেত্ৰত আমি এই সকলৰ পৰা ভাল বিচাৰ নাপাম বুলি ভবাটো উচিত নহব। লগতে ইয়াৰ লগত এটা কথা ওলাই পৰিছে যে বিচাৰ বিভাগত ট্ৰাইবেল মানুহ বা চিডিউল্ড কাষ্টৰ মানুহ থাকিলেই ভাল বিচাৰ নাপাম এইটো আমি মানি লব নোৱাৰো। এইখন ধনতান্ত্ৰিক সমাজ। এই ধনতান্ত্ৰিক সমাজ ব্যৱস্থাত আইন আদালত সকলো বিশেষ শ্ৰেণীৰ স্বাৰ্থ ৰক্ষা কৰে। শ্ৰেণী স্বাৰ্থ ৰক্ষা কৰোতে আনলোকে কিছু উপকাৰ পায়। মই শ্ৰীৰবীন্দ্ৰ চৌধুৰী ডাঙৰীয়াৰ সংশোধনীটো সমৰ্থন জনাই সামৰণি মাৰিলো।

শ্ৰীখগেন বৰবৰুৱা :— এই যে তিনি দিত সংশোধনী আনিছে এইটো সমৰ্থন জনাইছো। এই বিল সদনলৈ অহাৰ আগতে নিশ্চয়

কেবিনেটত আলোচনা হৈছে। তাৰ পিচত নিশ্চয় জে, এল, পি আলোচনা হৈছে। জে, এল, পিত আলোচনা নোহোৱাকৈ কেনেকৈ এইটো হব পাৰে। কিন্তু ইয়াৰ পৰা এইটোৱেই বুজা যায় যে ধনী শ্ৰেণীক কেনেকৈ সুবিধা দিয়া হয় সেইটোৱে চিন্তা কৰা হৈছে। কিয়নো অসমত ব্যক্তিগত খণ্ডত অসমৰ বাহিৰেও ভাৰতৰ বহু লোকে উদ্যোগ প্ৰতিষ্ঠা কৰিছে। সেইবিলাকতো শতকৰা ৫ ভাগো এই লোক সকলৰ চাকৰিয়াল নাই। গতিকে সেইবিলাকক কিয় ইমান মৰম দেখুওৱা হয়। ইয়াৰ পৰা বুজা যায় যে ব্যক্তিগত খণ্ডত আজি যিবিলাক উদ্যোগ গঢ়ি উঠিছে তাত বাহিৰৰ পৰা মানুহ আনি অইন সম্প্ৰদায়ৰ অইন জাতিৰ মানুহ আনি তাত ভৰ্ত্তি কৰা হৈছে। অথচ তাতো অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি মানুহৰ সংখ্যা খুব কম, বোধকৰো শতকৰা ৫ ভাগো নহয়। গতিকে তেওঁলোকৰ প্ৰতি কিয় ইমান মৰম ৰখা হল। এইটো কথা সদনত বুজাই দিব লাগে। হুদা ডাঙৰীয়াই যি সংশোধনী আনিছে সেইটো সমৰ্থন জনাই ছো।

* শ্ৰীগিয়াচুদ্দিন আহমেদ :— বি, চি, দি এই তিনিটা চাব ক্লজত যি সংশোধনী আনিছে সেইটো মই সমৰ্থন জনাইছো। কিন্তু দি'ত "Any employment in private sector" এইটো মই সমৰ্থন কৰিছো। কিন্তু এইটো কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত, কিছুমান বাস্তৱ অসুবিধা হয়তো সৃষ্টি হব পাৰে। সেই অসুবিধাবোৰ আতৰাবৰ ব্যৱস্থা এই আইনখনত থকাটো বাঞ্চনীয় বুলি ভাবো। যিহেতু প্ৰাইভেট চেক্টৰৰ ব্যক্তিগত মালিকনাত অফুৰন্ত অধিকাৰ দিয়া হৈছে। আৰু প্ৰাইভেট চেক্টৰক বেছি ক্ষমতা দিয়া হৈছে। প্ৰাইভেট চেক্টৰত মালিকনা স্বত্ব আদি নিয়োগৰ ব্যৱস্থা সকলো ৰকমৰ ব্যৱস্থা প্ৰাইভেট চেকটৰৰ হাতত সাংবিধানিক কিছুমান

* Speech not corrected

সুবিধা দিছে। এনে অৱস্থাত এইবোৰ মৌলিক অসুবিধা থকা কাৰণে আমি এতিয়া যি প্ৰভিজন কৰো প্ৰাইভেট চেকটৰৰ নিয়োগৰ ক্ষেত্ৰত এই ৰিজাৰ্ভেচন সংৰক্ষণৰ ব্যৱস্থা থাকিব লাগে। আৰু সমৰ্থন কৰিছো সেইটো যাতে আমাক ভুল নুবুজে। মই বাস্তৱ অসুবিধা খিনিহে উনুকিয়াব খুজিছো আৰু এই অসুবিধাবিলাক আঁতৰাব পাৰি নেকি এই সম্পৰ্কে চিন্তা কৰিবলৈ চৰকাৰক অনুৰোধ কৰিলো। এইটো হল নিয়োগৰ ক্ষেত্ৰত এমপ্লমেণ্ট ৰিভিউ কমিটি আছে, চৰকাৰৰ নীতি আছে, বিভিন্ন ব্যক্তিগত খণ্ডত নিয়োগ হৈছে এতিয়ালৈকে চৰকাৰী নীতি মতে প্ৰাইভেট চেকটৰত একো কৰিব পৰা নাই। এমপ্লমেণ্টৰ কিছুমান নিয়ম আছে, সেইবিলাক ব্যক্তিগত খণ্ডত বাৰে বাৰে উলংঘা কৰি আহিছে। গতিকে আইনগত ভাবে ব্যক্তিগত খণ্ডত যদি নিয়োগৰ সংশোধন নকৰে তাতো যাতে চেলেইনজ দিব পাৰি তাৰ ব্যৱস্থা কৰিব লাগে। যাতে সংশোধনী মেৰপাকত পৰি আমাৰ উদ্দেশ্য ব্যৰ্থ হৈ নাযায়। সেইকাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে যাতে ইয়াৰ আইনগত প্ৰশ্নটো চিন্তা কৰি চায় দিব লাগে।

* শ্ৰীনগেন বৰুৱা :— মই এই বিলৰ ক্লজ ৩-বি-চি-দি সন্দৰ্ভত মাননীয় সদস্য ৰবীন চৌধুৰী ডাঙৰীয়াই যি তিনিটা সংশোধনী আগ বঢ়াইছে সেইকেইটা মই সমৰ্থন কৰিছো। আমাৰ এই বিলখনত এই কেইটা চাকৰিত বিশেষকৈ জোদিচিয়েল চাৰভিচ গ্ৰেদ ওৱান, গ্ৰেদ টুত সংবিধানৰ যিটো সংৰক্ষন অনুসূচিত জাতি অনুসূচিত জনজাতিৰ সুবিধা আছে সেইখিনি সংৰক্ষন ৰখাৰ ক্ষেত্ৰত বিশেষ অসুবিধা নহব। এইটো বাস্তৱ সংশোধনী। ক্লজত দিছে এইখিনি মানি লৈ জোদিচিয়েল চাৰভিচ এই আইন খনত অন্তৰ্গত কৰিলে যিটো উদ্দেশ্য সেই উদ্দেশ্যত আগ বঢ়াত সহা-

* Speech not corrected

যুক হব বুলি মই অনুভব কৰো। আৰু সেই হিচাবে সংশোধনীটো সমৰ্থন কৰিছো। ইয়াত যিটো মূল ক্লজত চাবডিচ বিলাক বাদ দিয়া যিটো ব্যৱস্থা আছিল সেইটো ৰহিত কৰি ইয়াত অন্তভূক্ত কৰিব লাগে। তাৰ পিচত চি, আৰু দিত আছে (চি)-any employment which in the opinion of the State Govt. is of a Scientific or Technical nature (in)— any employment in Private Secter. গতিকে অৰ্হতা সম্পন্ন অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি প্ৰাৰ্থীক এই বিলাক পৰ্য্যায়তো সাংবিধানিক সংৰক্ষনৰ ব্যৱস্থা আছে। সেই অনুসৰি এইটো অন্তভূক্ত বিল খনত নকৰিলেও যাতে এই সংৰক্ষন থাকে তাৰ কাৰণে মুকলি ৰাখিব লাগে। প্ৰাইভেট চেকটৰক যিটো বাদ দিয়া হৈছে সেইটো চৌধুৰী ডাঙৰীয়াৰ সংশোধনী মতে প্ৰাইভেট চেকটৰৰ অন্তভূক্ত কৰিবলৈ বিচৰা হৈছে। প্ৰাইভেট চেকটৰৰ সংশোধনৰ যিটো কথা আছে সেইটো চাব লাগে অৱশ্যে প্ৰয়োগৰ ক্ষেত্ৰত গিয়াচুদ্দিন চাহাবে সন্দেহ কৰিছে যে প্ৰাইভেট চেকটৰৰ সংৰক্ষনৰ ব্যৱস্থাত কিছু অসুবিধা আহিব পাৰে। আইনৰ জৰিয়তে সেইখিনি নিশ্চয় আনিব পৰা যাব। বিভাগীয় সদনৰ যিবিলাক এমপ্লমেন্ট ৰিভিউ কমিটি এচ, টি, এচ, চি আৰু অ', বি, চি, যি কমিটি আছে সেইবিলাকৰ পৰামৰ্শ অনুযায়ী ব্যক্তিগত খন্দ বিলখনৰ অন্তভুক্ত কৰা যদি হয় প্ৰথম অৱস্থাত প্ৰয়োগ কৰাৰ ক্ষেত্ৰত কিছু অসুবিধা থাকিলেও কালক্ৰমত এইখিনি প্ৰয়োগ কৰাৰ সুবিধা হব। গতিকে আজি প্ৰাইভেট চেকটৰত সুষ্ঠ নিয়োগৰ কৰ্ম্ম সংস্থানৰ সুযোগ আহিলে তাত সুষ্ঠ নিয়োগৰ সুবিধা হব। প্ৰাইভেট চেকটৰ বাদ দিলেও সেইখিনি চৰকাৰী পক্ষৰ পৰা সংৰক্ষন থাকিলেও নহব। গতিকে প্ৰাইভেট চেকটৰৰ সংৰক্ষন থকাটো প্ৰয়োজন। সেই হিচাবে তিনিটা ক্ষেত্ৰত চৌধুৰী ডাঙৰীয়াই যি সংশোধনী আনিছে সেইটো সমৰ্থন কৰিছো আৰু এই সংশোধনীটো মানি লব

বুলি আশা কৰো।

* শ্ৰীৰমেশ মোহন কুলি :— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীহুদা ডাঙৰীয়া, শ্ৰীৰবীন চৌধুৰী ডাঙৰীয়া, শ্ৰীবৰুৱা ডাঙৰীয়া, শ্ৰীগিয়াচুদ্দিন আহমেদ ডাঙৰীয়া আৰু লগতে মাননীয় সদস্য শ্ৰীবৰবৰুৱা দেৱে এই বিলখনৰ এমেণ্ডমেণ্টৰ সম্পৰ্কত ( বি, চি, ডি ) যি মতামত দাঙি ধৰিছে সেইখিনি যথেষ্ট কন্‌ফেচিংৰ বিষয়। আমাৰ যিবিলাক এমপ্লয়মেণ্টৰ স্কপ থকা বিভাগ আছে বিশেষকৈ প্ৰাইভেট চেকটৰ আৰু টেক্‌নিকেল নেচাৰৰ যিবিলাক বিভাগ আছে সেই গোটেই বিলাককে সামৰি এই পইণ্ট কেইটা ডিভিজনৰ কাৰণে কৈছে আৰু তেখেত সকলে সেইটো এমেণ্ড কৰি এই সংশোধনী আনিছে। আইনত যদি বিশেষ ধৰণৰ হস্তক্ষেপ কৰাৰ কাৰণে বাধা নাথাকে আৰু বিশেষকৈ আজি আমাৰ যি সমস্যা তাৰৈ চায় তেখেত সকলৰ এই সংশোধনী মানি লৈছো আৰু এই সম্পৰ্কে আইনত যদি কিবা খুটি-নাটি আছে বিশেষকৈ প্ৰাইভেট চেকটৰ আদিৰ সম্পৰ্কত সেই বিষয়ে মই আমাৰ আইন মন্ত্ৰী শ্ৰীগগৈ ডাঙৰীয়াৰ লগত আলোচনা কৰিছো আৰু এই এমেণ্ডমেণ্ট মানি লৈছো। Regarding the amendment moved by Shri Fakhrul Islam, I have got to say something here. The points already I have stated in my previous reply and there is again an attack on the effeciency in the matter of employment of the Scheduled Castes and Scheduled Tribes in respect of Judicial service and regarding their capability and capacity. I would like to say that all these appointsments are being made as per the

* Speech not corrected

minimum qualifications and prescribed limit of the judicial service which requires minimum experience. I think Shri Fakhrul Islam has very much doubt as to how all these appointsment opportunities and promotional avenues are being filled up. It is beyond doubt that in respect of appointment in the Judicial service, Scheduled Castes and Scheduled tribes candidates are also have to meet the minimum qualification as prescribed at the initial stage and in the promotional stage. Subject to fullfilment of all the canditions, the Scheduled Castes and Scheduled Tribes Candidates can get appointment in Judicial Service. I request the Hon'ble Member Shri Fakhrul Islam to withdraw the amendment.

Shri Keshab Chandra Gogoi :— Sir, when it is referred to me, I can only point out one thing regarding Clause 3 .'B' Now I find that any employment in respect of Judicial Service Class I, shall be made subject to the provision of the constitution under Article 233. In the matter of appointment of District judges, appointment of persons to be made and the posting and promotion of district judges in any state shall be made by the Governor of the State in consultation with the High Court exercising jurisdiction in relation to such State. And the district judges who belongs

to the category of Class I judiciary service are appointed on the recommendation of Hon'ble High Court and the other Judicial Officers are governed by Article 234. Appointment of persons other than district judges to the Judicial services of a State shall be made by the Governor of the State in accordance with rules made by him in that behalf after consultation with the State Public Servics Commission and with the High Court exercising jurisdiction in relation to such State. So, it is for the august House to consider the matter in that light.

Shri Giasuddin Ahmed :— Sir, so far as I am concerned, I am supporting the amendment, It has been pointed out by the Hon'ble Law Minister that there is a provision in the constitution. Hon'ble Law Minister has also said that this is upto the august House to decide whether in view of the provision in the constitution, we should pass the amendment. If the subject is within the jurisdiction of the House the House is empowered to come to any decision on it there is no doubt about it. Here there is a very pertinent point when there is a constitutional provision whether we are entitled to make any decision on it that aspect should be examined by the House. So far as the amendment is concerned, I am fully in support of this.

**Shri Rabindra Nath Malakar** :— Sir, I shall have to mention here that in most of the case hardly one or two posts of Class I district judges are created in Assam after one or two year or three years something like that. If we reserve the Class I posts of district judges in this way then it will be very difficult and the House should consider the same.

**Shri Baneswar Saikia** :— Sir, With regard to reservation of Class I Judicial posts the Law Minister has drawn the attention to Art. 233 of the Constitution. That is about posts of District Judge which is not actually with the bounds of this Act. Here the provision is for Grade I. inclusive of District Judge. If it is not in contravention to the Constitution we can accept it. Because we cannot actually encroach upon the provisions of the Constitution. Art. 233 says, that the District Judges will be appointed by Governor in consultation with the High Court, and not by the State Govt. It is therefore, abundantly clear and it is in contravention to the provisions of Contitution and in that can we accept it ?

**Shri Noorul Huda** :— In view of the fact that the Govt. has accepted the amendment.......................

( Voices : Not yet accepted )

Shri Keshab Chandra Gogoi :— We have no objection out then whether it will be within the perview of the Constitution.

Shri Noorul Huda :— So far as the Constitutional aspect is concerned it should be examined thoroughly. This portion only........

Shri Keshab Chandra Gogoi :— That may not be possible.

* Shri Rabindranath Choudhury :— Sir, this matter is now before the House for a decision. The Honourable Law Minister has stated about the appointment of District Judge quoting Art. 233 of the Constitution. The Article runs, "Appointment of District Judges : Appointment of persons to be, and the posting and promotion of, District Judges in any State shall be made by the Governor of the State in consultation with High Court exercising jurisdiction in relation to such State". But in case of appointmets, every eppointment is being made by the Governor. The State Govt. proposes to the Governor and the Governor agrees to the appointment in his name. In the same way Art. 233 empowers the Govt. to make such provisions. I

* Speech not corrected

can, in this connection read out a Government of India Circular No. 31/142/76-Jus, from Deputy Secretary to the Govt. of india to all the Chief Secretaries, regarding reservation of posts for scheduled castes and scheduled tribes in the services under the High Courts. I am directed to state that the position of reservation for SC and ST in the services under the High Courts was reviewed in the 7th meeting of the High Power Committee held under the Chairmanship of Prime Minister on 12th November, 1976. From the replies received from the various states, it was stated in the meeting that provision for reservation in the services under the High Courts exists in more than half of the States and action was being initiated by some more States to provide reservations in these categories. The Committee was informed that it has been clarified to the State Govts, that in the matter of appointment to the subordinate Judicial Services of the State, Art 234 can be invoked for making reservations for S.C. and S.T. and that in the case of the Higher Judicial service............

Shri Keshab Chandra Gogoi :— I agree to 234 about subordinate judges, but not about District judges.

* Shri Robindranath Choudhury :— "Art 309 can

* Speech not corrected

be invoked. In this connection attention is invited to this Deptt's letter No. 1?/18/75-Jus dt. 4-11-76 addressed to the Chief Secretaries to the other State Govts. The Committee felt that the question of making reservation for SC and ST in the Ministerial and Class IV levels could be separated from the quession of reservation in Judicial and Higher Judicial Services under the High Courts to expedite decision and that the question of reservation for latter services should also be pursued further with the State Govts. and Chief Justices of the High Courts".

"In the light of the deliverations of the Committee it is necessary to ascertain the extent to which reservations have to be made in the rules for various catigories of posts both in the Judicial Services and under the High Courts and the actual position of the representation of SC ST in the various catigories and backlog, if any. It is, therefore, requested that the information in respect of Higher Judicial Service, Judicial Service in High Courts and Services in the courts subordinate to the High Court as in the enclosed proforma may be furnished to this Deptt. as early as possible, separately in respect of each service."

So Sir, in regard to the Legislative powers there

is no prvision in the Constitution which can limit its powers. The honourable Law Minister has also stated that it is the Honourable House to accept the amendment including the Grade I posts.

Shri Keshab Chandra Gogoi :— I would like to read out Art 309. "Subject to the provisions of this Constitutions, Acts of the appropriate Legislature may regulate the recruitment".

শ্রীচিৰাজুল হক :— মাননীয় উপাধ্যক্ষ মহোদয়, আইন মন্ত্ৰী মহোদয়ে যি সংবিধানৰ ২৩৩ অনুচ্ছেদৰ কথা কৈছে সেইমতে কৰিব লাগে। এতিয়া আমাৰ ইয়াত হাইকোৰ্টৰ বিৰুদ্ধে আইন আলোচনা হব নোৱাৰে। আমি এখন আইনৰ দ্বাৰা ৰেগুলেট কৰিব লাগে। চেণ্ট্ৰেল গৰ্মেণ্টে চাৰ্কোলাৰ কৰিব পাৰে, আমাৰ তাত সন্মান আছে। আমাৰ আইন মন্ত্ৰীয়ে ৩০৯ অনুচ্ছেদ আৰু ২৩৩ অনুচ্ছেদৰ কথা উল্লেখ কৰিছে। মোৰ মতে হাইকোৰ্টৰ ওপৰত মাত মতাৰ অধিকাৰ যদি আছে এই এমেনমেণ্ট আমি মানি লওঁ কোনো আপত্তি নাই। আৰু যদি মাত মতাৰ অধিকাৰ নাই তেনেহলে এইটো ডেফাৰ কৰিলে ভাল। আমাৰ গিয়াছুদ্দিন ডাঙৰীয়াই কোৱাৰ দৰে। মাননীয় সদস্য গিয়াছুদ্দিন আহমেদ ডাঙৰীয়াই উল্লেখ কৰিছে যদি কিবা আশুআহ আছে এই কথা চাবলৈ এতিয়া আলোচনা বিলোচনা নকৰি পাচত ষ্টাদি কৰি ইনক্লুদ কৰা যাব নে এস্কলুদ কৰা যাব সেইটো চিন্তা কৰা উচিত।

Shri Giasuddin Ahmed :— Mr. Deputy Speaker, Sir, I would like to give a practical suggestion on this amendment. I think this portion of the amendment can

be withdrawn and let the Govt. examine thoroughly the legal aspect of the amendment. After the constitutional and legal aspects are examined, Govt. may come up with this amendment in the next session. So far as the merit of the amendment is concerned, we have not opposed it. I think we should not make our position ludicrous in a court of lew.

Shri Rabindra Nath Choudhury :— Sir, in view of the suggestion given by the Hon'ble Minister and the Hon'ble Member Shri Ahmed, I would like to withdraw my amendment for examining the legal and constitutional aspecs.

শ্ৰীচিৰাজুল হক :— ছাৰ, মেয়ো এডভাইচ দিছিলো কিন্তু মাননীয় সদস্য শ্ৰীৰবীন চৌধুৰীয়ে মোৰ নামটো ডিলিট কৰিছে।

Shri Noorul Huda :— Mr. Deputy Speaker, sir, it is true that this subject is not thoroughly gone into. But as far as this amendment is concerned, I can say that even if this amendment is accepted it will not run counter to the spirit of the constitution because the Governor in consultation with the Hon'ble High Court makes the posting and promotions of the District Judges in the State. Sir, the Governor is also guided by the advice of the council of Ministers. So, sir, this amendment can be accepted as it will not run

counter to the spirit of the constitution. Of course, sir, I have got nothing to say if the Hon'ble mover of the amendment will withdraw it. This is my submission.

Mr. Deputy Speaker : — Is that the pleasure of the House to grant leave to the Hon'ble Member to withdraw his amendment ?

( Voices, yes, yes. )

The amendment stands withdrawn.

Now, I put the amendment. The amendment is that in Clause 3, Items (B) (C) and (d) shall be deleted and subsequent item shall be renumbered accordingly.

( The amendment is passed. )

Now, Shri Fakhrul Islam — whether you want to withdraw it ?

Shri Fakhrul Islam :— Sir, I withdraw the amendment.

Mr. Deputy Speaker :— The amendment stands withdrawn.

Now, I put the motion. The motion is that Clause

III as amended do form part of the bill.

( The motion was adopted )

Now, Clause IV. There are six amendments in clause 4. Shri Harendra Goswami.

Shri Harendra Goswami :— Sir I am not moving.

Shri Sirajul Haque :— Sir, I beg to move that all four provisos to Sub-clause (a) of Clause 4 shall be deleted.

Shri Giasuddin Ahmed :— Mr. Deputy Speaker, sir, we have also submitted one amendment. But it is not there in the list.

Shri Robindra Nath Choudhury :— Sir, I do not like to press.

Shri Giasuddin Ahmed :— Sir, we have also submitted one amendment but this has not been included in the list of amendments.

Mr. Deputy Speaker :— Yes, it is not there. Now, Shri Fakhrul Islam.

Shri Md. Fakhrul Islam :— Sir, I hereby move that (i) the 2nd proviso to sub-clause (a) of Clause 4 shall be deleted (ii) the 3rd proviso to sub-clause (a) of Clause

4 shall be substituted by the following :—

"Provided also that in respect of Assam Judicial Service the percentage of reservation for different classes for the purpose of this Act shall apply in case of Grade III only":

(iii) sub. clause (b) and (c) of Clause 4 shall be substituted by the following :—

"(b) That the members of all the different classes for the purpose of this Act shall be entitled to a concession for selection to any service or post."

Mr. Deputy Speaker :— Next Mr. Binoy Kumar Basumatari ?

Shri Binoy Kumar Basumatari :— Sir, I do not wish to move.

Mr. Deputy Speaker :— Next— Shri Baneswar Saikia ?

Shri Baneswar Saikia :— Sir, I want to move only this portion that section 4 clause (a) Ist proviso of the bill shall be substituted by the following :—

"Provided that the preference shall be given to the economically backward candidates belonging to Scheduled Castes and Scheduled Tribes (Plains) and S.C.

and S.T. (Hills) and the 2nd provisio is that provided further that the candidates belonging to Scheduled Castes and Scheduled Tribes who qualify themselves for selection in the merit shall be included in the general list and not against the reserve quota till the backlog is completely liquidated. The words "till the backlog is completely liquidated" occuing at the end of 2nd proviso to sub-clause (a) of clause 4 shall be deleted.

Shri Robindra Nath Choudhury :— And the 3rd amendment to section 4 shall be deleted. And the words "completely liquidated" at the end of section 4 of provisio of sub-clause (a) shall be delated.

* শ্ৰীচিৰাজুল হক :— উপাধ্যক্ষ মহোদয়, আমি এই বিলখনত বহুতো আগবাঢ়ি আছিলো। যোৱা কালি মোৰ ভাষণত এই বিলখন সমৰ্থন কৰিছো বুলি মই কৈছো। তথাপিও কিছুমান ক্ষেত্ৰত এই বিলৰ আসোৱাহৰ প্ৰতি লক্ষ্য ৰাখি এই এমেন্দমেন আনিব লগা হৈছে।

উপাধ্যক্ষ মহোদয়, এইখিনি সমস্যা উল্লেখ কৰা সমিচিন নহব। যিহেতুকে ক্লজ ৩ (চি) আৰু (দি) এমেন্দ কৰাৰ প্ৰভিজন কৰিছে। সেই সন্দৰ্ভতে মই কব বিচাৰিছো যে. যিটো চাব ক্লজ তাত Provided also that there shall be no general reservation in any employment which in the opinion of the State Govt. is of a scientific and technical nature, each case shall be

* Speech not corrected

considered on merit ; while in the public sector the perecentage of reservation in employment in the posts and services of scientific and technical nature shall apply. এই ক্লজৰ এমেন্দমেণ্টত মই কৈছো এই অতি অলপ সময়ৰ যিবিলাক টেকনিকেল নেচাৰৰ কঁচ আছে সেইবিলাকত চিদিউল কাষ্ট আৰু চিদিউল ট্ৰাইবৰ মানুহৰ ৰিজাৰ্ভেচনত সুবিধা নহব। কিন্তু while in the public sector the percentage reserved in employment in the post in service of scientific and technical nature shall apply. এই কেইটা কথাৰ লগত কোনো সামঞ্জস্য নাই। আৰু তাত সামঞ্জস্য নথকাৰ কাৰণেই চিদিউল কাষ্ট আৰু চিদিউল ট্ৰাইবৰ মানুহবিলাকে এটা অন্যায় অবিচাৰ পাব। এই ভাবত মই কব বিচাৰো যে, যিটো পৰচন টেকনিকেল বুলি বিবেচনা কৰা হয় সেইটো যদি চৰকাৰে ৰিজাৰ্ভেচন কৰি ৰাখিব নোৱাৰে তেনেহলে সেই পৰচনটো ইয়াৰ লগত সাঙুৰি ৰখাৰ কোনো ৰকমৰ যুক্তিযুক্ততা নাই। ক্লজ (৩) এমেন্দমেনত দেখা গৈছে যে, ৰিজাৰ্ভেচনৰ যিটো চিদিউল কাষ্ট বা চিদিউল ট্ৰাইবৰ যদি এমেন্দমেণ্ট পাচ হৈ যায়, তেনেহলে এইটো কোনো ৰকমে প্ৰযোজ্য নহয়। তাৰ ৩ আৰু ২ নংত Provided also that in respect of Assam Judicial Service the percentage shall be 7 for S.C and 10 for S.T (plains) and 5 for S.T (Hills) in Garde II and III of the Service. এই কথাখিনি যিহেতুকে ক্লজ (৩) ৰ যিটো এমেন্দমেণ্ট তাৰ লগত বাকী বিলাক সাঙোৰাৰ প্ৰয়োজন নাই। এইখিনিতে এটা কথা আপত্তি সহকাৰে জানিব বিচাৰিছো যে, ইয়াত প্ৰভাইদেদৰ কোনো প্ৰয়োজন নাই। উপাধ্যক্ষ মহোদয়, মই এই সামঞ্জস্যৰ কোনো কাৰণ বিচাৰি পোৱা নাই। মই আমাৰ মাননীয় হেমেন দাস ডাঙৰীয়াৰ লগত একমত। এইটো কেতিয়াও

হব নোৱাৰে আৰু এইটো ৰাইজক বিচাৰ কৰিবলৈ দিব নোৱাৰি। জাষ্টিচ দিব নোৱাৰিব মই সেইটো বিশ্বাস নকৰো। যিবিলাক প্ৰাৰ্থী কমপিটিচনত চিলেকচন পাব তেওঁলোকৰ তাত ৰিজাৰ্ভেচনৰ কথা আহিব। Provided further that the candidate belonging to S.C and S.T who qualify for selection on merit shall be included in the general list and not against the reserve quota, this backlog is to be completely liquidated. ইয়াত মেৰিটৰ প্ৰশ্ন আছে। ইয়েচ আৰু 'ন'ৰ ওপৰত বহুতৰ জীৱনত উত্থান পতন আহিব পাৰে। কমপিটিচন কৰি পিচত ৰিজাৰ্ভ কোটাৰ পৰা পাব। যদি কোনো প্ৰাৰ্থীয়ে যোগ্যতাৰ পৰিচয় দিব পাৰে সেই ব্যক্তি যথোপযুক্ত স্থান পাব। তাত কোনো ৰকমৰ আপত্তি থাকিব নোৱাৰে। চিদিউল কাষ্ট, চিদিউল ট্ৰাইবৰ জুদিচিয়েল গ্ৰেদ টু আৰু থ্ৰি গলে সোমাব নোৱাৰিব। গতিকে মই বিভাগীয় মন্ত্ৰীক অনুৰোধ কৰো দুই প্ৰকাৰে সুবিধা লোৱাটো ঠিক নহব। কাৰণ এই ক্ষেত্ৰত মানসিক অসুবিধা পোৱাত নিম্নগামী হোৱাৰো সম্ভাৱনা আছে। মই কব বিচাৰিছো যে, চিদিউল কাষ্ট আৰু চিদিউল ট্ৰাইবৰ মানুহে সমাজত অন্যায় অবিচাৰ কৰা হৈছে। গতিকে অৰ্থনৈতিক দিশত আৰু ৰাজনৈতিক দিশত যাতে সকলো ফালৰ পৰা উন্নতি হয় তাৰ কাৰণে চাব লাগে।

সেইটোও স্বীকাৰ কৰাৰ লগে লগে ভাৰতীয় সংবিধানৰ ১৫ আৰু ১৬ দফামতে সকলো মানুহকে সমানলৈ আনিব লাগে প্ৰভিজন আছে আৰু সেই হিচাবে ৰিজাৰ্ভেচনৰ ব্যৱস্থাও কৰা হৈছে। তাৰ কাৰণে মই ওলগ জনাইছো। কিন্তু এই বিলৰ প্ৰভিজনত এটা মাৰাত্মক কথা সন্নিবিষ্ট কৰা হৈছে "Provided that the State Govt. may, from time to time, by notification in the official gazette, increase the percentage. So, however, the

reservation shall not exceed 14 percent in the case of Scheduled Castes and 20 percent in the case of Scheduled Tribes and 10 percent in the case of Scheuled Tribes (Hills)." যোগ কৰিলে পোৱা যায় শতকৰা ৪৪ ভাগ। আচলতে অনুসূচীত জাতি আৰু জনজাতিৰ লোকৰ সংখ্যা শতকৰা ১৬ ভাগ। গতিকে শতকৰা ৪৪ ভাগ পূৰাবলৈ গলে নিশ্চয় আন কিছুমান শ্ৰেণীয়ে চাকাৰ কৰিব। এইটোও ঠিক তেওঁলোকে ন্যায় বিছাৰ আজি পোৱা নাই। আনহাত আজি কি ভাৰতবৰ্ষ কি অসম সকলোতে প্ৰত্যেকেই সমান অধিকাৰ পোৱা উচিত। এই অবহেলিত শ্ৰেণীটোৱে যে তেওঁলোকৰ নায্য প্ৰাপ্যৰ পৰা বঞ্চিত হৈছিল সেইটো স্বীকাৰ কৰো। তেওঁলোকৰ লোক সংখ্যা অনুপাতে শতকৰা হিচাবে যিখিনি মানুহ আছে তেওঁলোকক চাকৰী বা অন্যান্য লাইচেন্স আদি পাব লাগিছিল স্বীকাৰ কৰো কিন্তু তেওঁলোকৰ নিচিনাকৈ অন্য জাতি বিলাকেও যে বহুত সুবিধা পাইছে সেইটোও নকওঁ। সংবিধানৰ ১৫ আৰু ১৬ বিধিমতে প্ৰত্যেক নাগৰিকৰে সমান অধিকাৰ আছে। গতিকে অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি তেওঁলোকক অন্যায় কৰা বুলিয়ে তেওঁলোকৰ উন্নয়নৰ বাবে শতকৰা ৪৪ জনক সুবিধা দিলে একে পৰ্য্যায়ৰ আনলোকক নিশ্চয় অবিচাৰ কৰা হব। গতিকে কোনো এটা জাতি পিচপৰি আছে বুলি অলপ বেছি সুবিধা দি অন্য জাতিক অন্যায় কৰাৰ অধিকাৰ আমাৰ সদনৰ নাই। অসমত কওক বা ভাৰতবৰ্ষত কওক কোনোৱে জন্ম গ্ৰহণ কৰাৰ লগে লগে তেওঁ সংবিধানৰ বিধিৰ অন্তৰ্ভুক্ত হৈ যায় আৰু সংবিধানৰ বিধিৰ অন্তৰ্ভুক্ত হৈ যোৱাৰ লগে লগে প্ৰত্যেকজন নাগৰিকে ভাবে যে চৰকাৰে আমাক সমান দৃষ্টিত দেখিব আৰু সেই দৃষ্টিৰে সমান সা-সুবিধা ভোগ কৰিব বিছাৰে। সেইটো তেওঁলোকৰ ফাউন্দামেন্টেল ৰাইট। সেইটোৰ পৰা বঞ্চিত কৰাৰ অধিকাৰ

চৰকাৰৰ নাইবা গনতান্ত্ৰিক দেশ এখনত ৰাইজৰো থাকিব নোৱাৰে। উপাধ্যক্ষ মহোদয়, অনুসূচীত জাতি আৰু জনজাতিৰ লোক সকলে চাকৰী বাকৰী আদি বহুত ক্ষেত্ৰতে বঞ্চিত হৈ আছে স্বীকাৰ কৰিছো। কিন্তু মই ইয়াৰ লগে লগে উল্লেখ কৰিব খুজিছো আজি যি সকল চাহ বাগানৰ শ্ৰমিক আছে তেওঁলোকৰো আজি সংবিধান সন্মতভাবে অসমৰ বুকুত সমান অধিকাৰ লৈ জীয়াই থকাৰ অধিকাৰ নিশ্চয় আছে। কাৰণ আৰটিকুল ১৫ আৰু ১৬ তেওঁলোকৰ ক্ষেত্ৰতো প্ৰজোয্য। আজি হিন্দু মুছলমান বা ভাৰতৰ মাটিত থকা অন্যান্য লোক সকলৰ একে ক্ষেত্ৰতে সকলো সুবিধা লৈ জীয়াই থকাৰ অধিকাৰ আছে। তেওঁলোকক সাংবিধানিক অধিকাৰৰ পৰা বঞ্চিত কৰাৰ কৰ্ত্তৃত্ব আমাৰ বিধান সভাৰ নাই।

উপাধ্যক্ষ মহোদয়, আজি মুছলমানেই হওঁক বা অনুসূচীত জাতিৰে হওঁক কিমান সংখ্যক লোক বিভাগ বিলাকত কাম কৰি আছে সেই সম্পৰ্কে মই বিধান সভাত কেবাটাও প্ৰশ্ন দাখিল কৰিছো। দপ্তৰ বিলাকত পিয়ন, ইউ দি এ, এল, দি এ অফিছাৰ কিমান আছে বুলি ? কিন্তু দুৰ্ভাগ্যবশতঃ সেই বিলাকৰ দাতা আজিও পোৱা নাই। এবছৰ হৈ গ'ল সেই হিচাব আজিও দিব পৰা নাই। আমাৰ অভিজ্ঞতা নাথাকিলেও আগৰ বছৰত আমাৰ ডাঃ ৰবীন গোস্বামীৰ এটা বক্তৃতাত অসমত মুছলমান চাকৰিয়াল শতকৰা এজন বুলি কৈছে। আজি অসমত শতকৰা ২৫ ভাগ মুছলমান মানুহ আছে সেই হিচাবে শতকৰা ২৫ জনেই সুবিধা পাব লাগিছিল কিন্তু তাৰ প্ৰমাণ ডঃ গোস্বামীয়ে তেখেতৰ বক্তৃতাত দি গৈছে। উপাধ্যক্ষ মহোদয়ে এই সম্পৰ্কে মই প্ৰায় ১০০ টা প্ৰশ্ন দিছো কিন্তু তাৰ জবাব আজিলৈ পোৱা নাই। আমি জনাত সেই বিলাক বিভাগলৈ আহিছেও কিন্তু আমাক নিচুকনি দেখুৱাইছে। মই সোধা এটা প্ৰশ্নৰ উত্তৰত তেখেত সকলে জনাইছে এনেকুৱা এটা বিভাগৰ যিটো বিভাগত মুছলমান কৰ্ম্মীৰ সংখ্যা বেছি।

সেই কাৰ্য্যালয়ত ৪৪৯ জনৰ ভিতৰত ইউ দি এ ৬৮ এল দি এ ১৪৯ ইন্সপেক্টৰ ১৪৭ পিয়ন ১৫৯। এই ১৫৯ জন পিয়নৰ ভিতৰত মুছলমান ১৭ জন, ৬৮ জন ইউ দি এৰ ভিতৰত মুছলমান ৪ জন ১৪৯ জন এল দি এৰ ভিতৰত মুছলমান ৮ জন ১৪৭ ইন্সপেক্টৰৰ ভিতৰত ১৩ জন মুছলমান। খৃষ্টিয়ানৰ সংখ্যা পিয়ন ১০ জন, ইউ দি এ ১জন এল দি এ ১জন আৰু ইন্সপেক্টৰ নিল। অনুসূচীত জাতিৰ দিছে পিয়ন ৩৯ জন ইউ দি এ ১১ জন এল দি এ ১৫ জন ইন্সপেক্টৰ ১১ জন আৰু অনুসূচীত জনজাতিৰ পিয়ন ২৭ জন ইউ দি এ এল দি এ ১৬ জন ইন্সপেক্টৰ ৫ জন। গতিকে দেখা যায় দপ্তৰ বিলাকত মুছলমানৰ সংখ্যা নিশ্চয় কম। আৰু সেই কম থকাৰ বাবেই প্ৰশ্ন বিলাকৰ জবাব নিদিয়া যেন অনুমান হয়। গতিকে এই দপ্তৰ বিলাকত সেই সংখ্যা যাতে নিৰ্দ্ধাৰণ কৰিব পৰা যায় তাৰ বাবে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

নথি পত্ৰৰ পৰা কব পাৰি যে মুছলমান সকলৰ জনসংখ্যা ভিত্তিত যথেষ্ট হোৱা নাই। অসমৰ চিডুল কাষ্ট আৰু চিডুল ট্ৰাইবচৰ লগে লগে কব পাৰি যে অসমৰ যিবিলাক সংখ্যালঘু সম্প্ৰদায়ৰ মুছলমান আৰু চাহ বাগানৰ কৰ্ম্মী আছে তেওঁলোকৰ দাবী সমূহৰ পৰিপ্ৰেক্ষিতত চাকৰি-বাকৰিত সমান অধিকাৰ দিয়া হোৱা নাই। ফলত আজি শতকৰা ৪ ভাগো সংৰক্ষণ কৰা হোৱা নাই। মই দুখেৰে সৈতে জনাব বিচাৰিছো যে এই সংখ্যালঘু মুছলমান আৰু চাহ বাগানৰ কৰ্ম্মী সকলৰ চাকৰিৰ ক্ষেত্ৰত ভাৰত চৰকাৰ তথা অসমৰ জনতা চৰকাৰ আৰু কংগ্ৰেছ আমোলত যি চাৰ্কোলাৰ দিয়া হৈছিল, সেই চাৰ্কোলাৰ সমূহৰ সন্মান ৰক্ষাৰ্থে কোনে আগবাঢ়ি আহিব যাতে তেওঁলোকৰ পপুলেশ্যন পেটাৰ্ন অবজাৰভ কৰা হব। মুছলমান সকলৰ আৰু চাহবাগানৰ কৰ্ম্মী সকলৰ কোনো চেফ্ গাৰ্ড নাই। শতকৰা ৪৪ ভাগ যদি দিয়া হয় তেন্তে মুছলমান আৰু

চাহবাগানৰ কৰ্ম্মীসকলৰ প্ৰতি যি সহানুভূতিশীল মনোভাব লোৱাৰ বাতাবৰণ সৃষ্টি কৰিব বিচৰা হৈছে, সেইটো বন্ধ হৈ যাব। জনতা চৰকাৰে মুছলমান আৰু চাহ বাগানৰ কৰ্ম্মী সকলৰ স্বাৰ্থ ৰক্ষা কৰিবনে ? আজি এবছৰ কালে এই মুছলমান লোক সকলৰ প্ৰতি যি অন্যায় অবিচাৰ কৰা হৈছে তাৰ উদাহৰণ দিব বিচাৰিছো। আজি এবছৰৰ ভিতৰত কিমানজন মানুহক নিয়োগ কৰা হল ? সেই সকলৰ জনসংখ্যাৰ প্ৰতিফলন কৰা হৈছেনে ? এই কথাৰ জবাব জনতা চৰকাৰে দিবনে ? আজি শতকৰা কিমান ভাগ মুছলমান আৰু চাহ বাগানৰ কৰ্ম্মী ষ্টেটফেড, ইকনমিকক্স এণ্ড ষ্টেটিক্সত, যোগান বিভাগ আদিত লোৱা হল ? প্ৰকৃত পক্ষে পপুলেশ্যন পেটাৰ্ণৰ মৰ্য্যদা দিয়া হৈছেনে ? বৰপেটাত শতকৰা ৪৮ জন মুছলমান মানুহ আছে। অলপতে ৪০ জন পিয়ন আৰু ৪০ জন জোগালি নিয়োগ কৰা হৈছে। তাৰ ভিতৰত মাত্ৰ দুজন মুছলমানে পাইছে। সেই কাৰণে কৈছো পপুলেশ্যন পেটাৰ্ণ অবজাৰ্ভ কৰা হোৱা নাই। আজি বিলত যিটো শতকৰা ৪৪ ভাগৰ ব্যৱস্থা কৰা হৈছে তাৰ দ্বাৰা অন্য ধৰ্ম্মাৱলম্বী আৰু জাতিৰ লোক সকল বলি হব। লগতে মুছলমান আৰু চাহ বাগানৰ কৰ্ম্মীসকল মহা বলি হব। সংবিধানৰ ১৫ আৰু ১৬ ধাৰাত আছে সকলোকে সমানে সুবিধা দিয়া হব। অনুসূচীত জাতি আৰু জনজাতিক দিয়া অধিকাৰৰ কথা মানি লৈছো কিন্তু অসমৰ অন্যান্য বাসিন্দা সকলৰ যিটো অধিকাৰ আছে সেইটো কাৰটেইল কৰাৰ অধিকাৰ নাই। পপুলেচন পেটাৰ্ণ মেইনটেইন কৰাৰ কাৰণে যিটো বাতাবৰণ সৃষ্টি কৰিব বিচাৰিছে তাৰ কাৰ্য্যকাৰীতা সম্পৰ্কত আমি কি ধৰণে বিশ্বাস কৰিব পাৰো তাৰ আশ্বাস বিচাৰিছোঁ। যিকোনো প্ৰকাৰেই হওক মুছলমান ব্ৰাহ্মণ আদিৰ কাৰণে সংবিধানত ক্ষমতাৰ যি অধিকাৰ দিয়া হৈছে সেইটো কাৰটেইল কৰাটো অসংবিধানিক। সংবিধানৰ ১৫ আৰু ১৬ ধাৰাত আছে অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কাৰণে নাইবা অন্য পিচপৰা সম্প্ৰদায়ৰ কাৰণে বিশেষ ব্যৱস্থা কৰা হওক যাতে মৰ্য্যদা ৰক্ষা

কৰিব পাৰি। এইখিনিলৈ লক্ষ্য কৰি জনসংখ্যা ভিত্তিত মান-মৰ্য্যদা সং-ৰক্ষণ কৰাৰ কাৰণে চেষ্টা চলোৱা হৈছে। কিন্তু তাৰ কাৰণে এইটো চেক্ৰীফাইচ সম্ভৱপৰ নহয়। কিন্তু অন্য সম্প্ৰদায়ৰ জন্ম গ্ৰহণ কৰাৰ যি সংবিধানিক অধিকাৰ তাৰ পৰা বঞ্চিত কৰি অনুসূচীত জাতি বা জন-জাতিৰ কোনোবা জাতিক লিফ্‌ট দিব লাগিব নেকি? মই খুউব সন্মা-নেৰে জনাব খুজিছো যে তেনেকুৱা প্ৰভিজন এই সংবিধানত নাই।

Shri Narendra Nath Datta :— Mr. Deputy Speaker, Sir. Article 15 Clause (4) says Nothing in the Article or Clause (2) of Ariticle 29 shall prevent the State from making any special provision for the advancement of any socially and educationally backward class of citizens or for the scheduled castes and scheduled tribes. He has repeatedly mentioned Articles 16 and 16 but clause (4) of Article 15 says this.

* শ্ৰীচিৰাজুল হক :— আৰ্টিকোল ১৫ আৰু ১৬ একেলগে পঢ়িব লাগিব। তাৰ প্ৰভিচ'ৰ দ্বাৰা মেইন ক্লজক চুপাৰচিট কৰিব নোৱাৰো। ব্ৰাহ্মণ মুছলমান আদি সকলক পিচপৰা বুলি ঘোষণা কৰি স্পিচিয়েল প্ৰভিজন কৰিব পাৰে। আৰ্টিকোল ১৫ ত নাই যে স্পিচি-য়েল প্ৰভিজন দিবলৈ যাওঁতে অন্য সকলৰ সাংবিধানিক অধিকাৰ সম-তাৰ অধিকাৰ চেৰাই যাব লাগিব। কেৱল চিডুল কাষ্টেই নহয় অন্যান্য সম্প্ৰদায়ৰ মানুহক আৰ্থিক আৰু শিক্ষা ক্ষেত্ৰত পিচপৰা বুলি ঘোষণা কৰি বিশেষ প্ৰভিজন কৰিব পাৰে। তাৰ মানে এইটো নহয় যে অন্য সম্প্ৰদায়ৰ সমতাৰ যিটো অধিকাৰ আছে তাক নষ্ট কৰি অন্য এটা সম্প্ৰদায়ৰ

* Speech not corrected

প্ৰভিজন কৰি দিব লাগিব; শতকৰা ৫০ বা ৬০ কৰিব লাগিব বুলি কোনো কথা নাই। গতিকে জনতা দলে যিটো স্পিৰিটত বিলখন আনিছে সেই স্পিৰিটটো সমৰ্থন কৰিছো আৰু মোৰ স্পিৰিটটোক সমৰ্থন কৰিবলৈ অনুৰোধ জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Md. Fakhrul Islam :— Mr. Deputy Speaker Sir, in relation to my amendment to sub-clause b of Clause 4 in the Original Bill, I have already pointed out in general discussion that there is a constitutional provision for the upliftment of the Scheduled Caste and Scheduled Tribes people of the Country or in the State of Assam. But Sir, in no case, this privilege should suppress other communities or other classes of people; so, if justice is to be done for all other classes of people then the reservation should be limited to the extent of population of that particular class of people only. There might be some commitment in the past. But if we like to do justice, we must see that the provision of the Act does not hamper the growth of any other community or other classes of people. So, if the second proviso which relates to the reservation of 44 percent of the total service of the State, this will obviously and automatically lead to the curtailment of opportunity to other community or other classes of people. The Scheduled Caste and Scheduled Tribes people constitute only 17 percent of the total population

of the State. How 44 percent service can be reserved for them, when their percentage is only 17. This provision of 44 percent reservation in the Bill states that it will continue till the backlog is completely liquidated. Now Sir, I wish to point out that this provision is very much vague as well. But I want to Know what is that backlog, Sir ? How the backlog is created ? What is the extent of that backlog ? How and when that backlog will be fulfilled and who will determine that backlog is liquidated ? Sir, I have pointed out that our Constitution has given the privilege to the S. Cs. & S. Ts backward classes not on permanent basis but only temporarily. Sir, this constitutional provision should come to an end in the context of changed circumstances. Therefore, Sir, if 44 percent of services is to be reserved for Scheduled Caste and Scheduled Tribes population of the State, all other classes of people who are economically backward will have to suffer because of this provision and there will be backlog in all other section of our population. Sir, there may be backlog in 17 percent of the total population of the State. It is also a fact that out of that 17 percent, 5 percent of services will be reserved for them below the Competitive level. If this extent of reservation is allowed to go on, other classes of people will suffer a lot because

they will not get due share in service. Sir, the provision of the Act, if I am correct, states that 56 percent jobs only will remain open to 83 percent of the total population of the State. So Sir, I hope, the Hon'ble Members and the Minister concerned will agree to delete the provision of this Act.

Sir, regarding other amendments, this only relates to amendment to class III Assam Judicial Service. I wanted this service should be a highly competitive just to safeguard the quality of the judiciaries. I wanted also to keep this service outside the purview of the Bill. Therefore, that amendment is withdrawn. This is not the amendment I would like to withdraw at this stage but other amendment regarding this service. Sir, I hope, in order to do justice or remove injustices, this provision should be deleted and reservation made upto the Original Act, which is on the basis of percentage of the population and I wish that these two amendments will be accepted by the Hon'ble House and the Hon'ble Minister very early.

* Sri Baneswar Saikia :— Sir, I have moved an amendment to sub-clause (a) of Clause 4 of the Bill. My emphasis is that when the backlog will be liquidated ? This should be deleted. My main point is

* Speech not corrected

that if the candidate comes from the Scheduled Caste and Scheduled Tribes community and they can compete with other candidates and come up to the general level, they should not be included in the reservation list. Reservation provision is made here only to push up the backward classes of people of the country. That is why Sir, backlog is created. This provision should be deleted and those who come upto the general standard on merit basis, they will come in the general list. Threfore Sir, I must emphasis that the expression "till the backlog is liquidated" it is to be deleted. It does not mean that I am against the reservation quota. Reservation quota should be retained. Sir, merit is merit and if a candidate comes upto the general standard, he should be outside the reservation list. Sir, justice will be done only when candidates coming from backward classes do not come upto generrl standard then in that case, the reservation quota should be these. I donot know what is backlog? That is why Sir, I hope, Government as well as this august House will accept this amendment in the best interest of the backward classes of people. Thank you, Sir.

শ্রীগিয়াচুদ্দিন আহমেদ ঃ— উপাধ্যক্ষ মহোদয়, মই এইটো কব খুজিছোঁ যে চাব ক্লজ (ক)......................

Mr. Deputy Speaker :— The Hon'ble Member will resume his speech tomorrow when Government business will be taken up.

The House stands adjourned till 10 A. M. tomorrow, the 4th April, 1979.

## ADJOURNMENT

The House then rose at 5 P.M. and stood adjourned till 10 A. M. on Wednesday, the 4th April, 1979.

DISPUR :
The 3rd April, 1979.

P. D. BARUA,
Secretary,
Assam Legislative Assembly